# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখ ঃ ২৯/১১/২০১৯ শুকুৰবাৰ

আজি ইংৰাজী ২৯-১১-২০১৯ তাৰিখে পুৱা ৯.৩০ বজাত অসম বিধান সভাৰ শীতকালীন অধিবেশন পূৰ্বনিৰ্ধাৰিত কাৰ্য্যসূচীমতে মাননীয় অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন উত্তৰ শিতান। Question No. 21. Shri Abdur Rahim Ajmal.

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে?

**Shri Abdur Rahim Ajmal (Jamunamukh) :** Hon'ble Speaker Sir, the economy of the state is Predominantly agrarian it is found that lack of agriculture marketing is one of the major problems that handed the overall development of agriculture in the State. The State is forth largest producer of rice in the country to meet the requirement of the State PDS and NFA. So as to why the Government instate of procuring local rice is importing rice from other States. Please clarify Government Policy in the present system?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, NFA ৰ লগত procurement ৰ সম্পৰ্ক নাই। তথাপিতো যিহেতু মাননীয় সদস্য গৰাকীয়ে সুধিছে, এইক্ষেত্ৰত এই কথাখিনি ক'ব বিচাৰিছো যে, আমাৰ বিভাগে এইবছৰ আমাৰ ৰাজ্যখনত ২৫ হাজাৰ মেট্ৰিকটন ধান ক্ৰয় কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ধান ক্ৰয় কৰাৰ ক্ষেত্ৰত NFA, NAC, NCCF এই তিনিটা Food Corporation আৰু Assam Agriculture Marketing Board এই কেইটা অনুষ্ঠানে ধান ক্ৰয় কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো আৰু যেতিয়া বতৰৰ সময়ত আমি কিনিম। ইতিমধ্যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই ধান ক্ৰয় কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে আৰু যাৰ ফলত Milling ৰ ক্ষেত্ৰত আমি ৰাজ্যখনত স্থানীয়ভাৱে আমি Miller সকলক চাবচিদি দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ছয় কোটিতকৈ অধিক টকা Miller সকলক চাবচিদি দিয়াৰ কাৰণে টকা মোকোলাই দিছে আৰু এই ক্ষেত্ৰত আমি বিভাগে ব্যৱস্থা গ্ৰহণ কৰি আছো।

**Shri Abdur Rahim Ajmal (Jamunamukh) :** Hon'ble Speaker Sir, my question is not that. Because local fumer should get one more chance more because other requirement is to the State. So, if the State can fulfill the requirement from other State. That was my question.

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো ধান ক্ৰয়

কৰিম ইয়াত, সেই ধানখিনি আমি FCI ক দিম। FCI সেইখিনি Milling কৰি দিয়াৰ পাছত সেই চাউলখিনি তেওঁলোকে আমাৰ ৰাজ্যখনত NFA ৰ যোগেদি দিব।

**মাননীয় অধ্যক্ষ ঃ** গোটেই এমাউন্টখিনি দিয়ে নেকি ?

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি ধান ক্ৰয় কৰিম, সেই গোটেই ধানখিনি Milling কৰি যিটো আমি চাউল পাম, সেই গোটেই চাউলখিনি আমাৰ ৰাজ্যখনত তেওঁলোকে দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীয়ে সুধিছে যে তাতকৈ additional চাউল আৰু লাগে নে সেইখিনি আতি যায়।

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইখিনিৰে আতি নাযায়। আমি এইবাৰ অধিক ধান ক্ৰয় কৰাৰ কাৰণে চিন্তা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Could you get his point.

**Shri Abdur Rahim Ajmal (Jamunamukh) :** Yes Sir. One point I want to make, the local marketing, we always here from other states the rice an all over the world it goes. But Assam rice is very good. So, the marketing should be done more along with to help the farmers to grow more. And one more thing, I want to point out that in the whole country the price of onions have gone record high. So, I would like to ask the concern Minister whether something has been done for it.

**মাননীয় অধ্যক্ষ ঃ** This is good quetion. It is not related to main question. Ok, fine. You are satisfied with the answer in the earlier question.

**Shri Abdur Rahim Ajmal (Jamunamukh) :** Yes Sir.

**মাননীয় অধ্যক্ষ ঃ** Ok. Then this is the addtional question it is up to the discrition of the Minister whether he will be able to reply or not?

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই যিটো পিয়াজৰ দামৰ প্ৰশ্ন কৰিছে, এই বিষয়টো এই প্ৰশ্নটোৰ লগত জৰিত নহয়। গতিকে বেলেগে প্ৰশ্ন কৰিলে মই উত্তৰ দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান আমি যিটো দেখিছো যে, Food Corporation of India য়াই কৃষকৰ পৰা ন্যায় মূল্যত ধান ক্ৰয় কৰে। সেইটো কাৰণে ধানৰ মূল্য যিমান পাব লাগে, সিমানখিনি নাপায়। কিন্তু বৰ্তমান আমি যিটো দেখিছো Agriculture Marketing Board পৰা কিছুমন ধান ক্ৰয় কৰা হৈছে। বিশেষকৈ নামনি অসমত নগাওঁ, হোজাই সেইখিনি জিলাৰ পৰা কিনা হৈছে। যদি সেই কেইখনমান জিলাৰ কাৰণে কিনা হয়, বাকীখিনি জিলাৰ পৰা কিয় কিনা নহয়। আমাৰ বৰাক উপত্যকাৰ কৃষকসকল ডিপ্ৰাইভ হৈ আছে, উজনি অসমৰ কৃষকসকল ডিপ্ৰাইভ হৈ আছে। যেতিয়া আপোনালোকে Team Assam ৰ কথা কয়, চব কা চাথ, চব কা বিকাশৰ কথা কয়, এইটো গোটেই অসমৰ কাৰণে এটা ফৰ্মূলা হব লাগে, কিছুমান জিলাৰ কাৰণে যাতে এইটো নহয়, এইটোৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি

আকৰ্ষণ কৰিছো আৰু তাৰ কাৰণে এটা সদ্ উত্তৰ বিচাৰিছো।

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে, এই বিষয়টো আচলতে Marketing Board য়ে ধান ক্ৰয় নকৰে। এইটো FCI য়ে কৰে, NAC য়ে কৰে, NFA য়ে কৰে NCCF য়ে কৰে। এইবাৰ আমি উপৰঞ্চি Food and Civil Supply Corporation ৰ জৰিয়তে কৰিবলৈ লৈছো। আমাক লাগে পছিচ হাজাৰ মেট্ৰিক টন। এতিয়া কথাটো হৈছে, আঢ়ৈ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰিছো, এইটো আমি এই মূহুৰ্তত FCI, NAC, NFA, NCCF ক'ত ক'ত তেওঁলোকে ধান ক্ৰয় কৰিব, এই কথাটো আমি এতিয়ালৈকে জনা নাই। কিন্তু আমি স্থানীয়ভাৱে Food and Civil Supply Corporation য়ে নগাওঁ, হোজাই, দৰং, মাজুলী, মৰিগাওঁ এই জিলা কেইখনৰ কথা চিন্তা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বৰাকৰ কথাটো তেখেতে কৈছে।

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** বৰাকৰ কথা কৈছে কিন্তু আমি এইবাৰ Food Corporation য়ে টোকেন ধান ক্ৰয় কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰিছো। ভৱিষ্যতে আমি যেতিয়া বৃহৎ আকাৰত ক্ৰয় কৰাৰ চিন্তা-চৰ্চা কৰিম, তেন্তে নিশ্চয় বৰাকৰ কথা চিন্তা-চৰ্চা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Smti Roselina Tirkey, your supplemantry.

**শ্ৰীমতী ৰ'জলিনা তিৰ্কী (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি পিয়াজৰ মূল্য বৃদ্ধিৰ কথাটো হৈছে, মোৰ আজি Start Question 37 ত আহিছে। এইটো সচাঁকৈ এটা জলন্ত সমস্যা হৈছে আৰু কেইবাদিনো আগতে মাননীয় মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে, ৬৫ টকাত হ'ব, কিন্তু আজিও ৮৫, ৯৫ টকা টকাত আমি কিনি আছো। সেই কাৰণে এইটোৰ কাৰণে কি কৰিব।

**শ্ৰীফনীভূষণ চৌধুৰী (যোগান বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো ৬৬ টকাৰ কথা তেখেতে কৈছে, সেই কথাটো আচলতে ৬৬ আছিল, সেই সপ্তাহৰ কাৰণে, তেওঁলোকক কৈছো যে, এই সপ্তাহত আপোনালোকে ৬৬ তকৈ বেছি কৰিব নোৱাৰিব। তাৰ পিছত আমি সেইটো কথা কোৱা নাই। গতিকে গোটেই বছৰৰ কথা কোৱা নাছিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, ৫৫ লাখ কুইণ্টেল ধান বাহিৰৰ পৰা ক্ৰয় কৰা হয়। তেখেতে উত্তৰ দিছে। মই ভাবো অসমত ৫৫ লাখ নহয়, ইয়াতকৈ বেছি ধান আছে, যিখিনি বাহিৰৰ পৰা লওঁ। এতিয়া আহিছে যে, কৰিমগঞ্জৰ পৰা ধান কিনা নহয় বা বৰপেটা, ধুবুৰী, গোৱালপাৰাৰ নামে উল্লেখ হোৱা নাই। অসম কৃষিপ্ৰধান দেশ। গোৱালপাৰা, ধুবুৰী, বৰপেটা বা কৰিমগঞ্জ এতিয়া নাম আহিছে, গোটেই অসমতে, আমাৰ যিমান ধান উৎপাদন হয় এই খিনি ক্ৰয় কৰি যদি আমি দিব পাৰো তেতিয়া আমাৰ কৃষকে ভাল এটা মূল্য পাব। কিন্তু আমি ৫৫ লাখ কুইণ্টেল আমি বাহিৰৰ পৰা লব লগা হৈ ছে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে তেখেতে কৈছে যে পদক্ষেপ লৈছে এইবাৰ Food and Civil Supply ৰ ফালৰ পৰা। এইটো ব্যাপকভাৱে লব লাগে আৰু আগত নহয় এইবাৰ এই সিদ্ধান্ত লব লাগে, আমি যাতে অনাগত দিনত বাহিৰৰ পৰা ধান ক্ৰয় কৰিব নালাগে, অসমৰ কৃষকে উচিত মূল্য পাব লাগে। এইটো ব্যৱস্থা লব নেকি আৰু লগত তেখেতে যিটো উত্তৰ দিছে ইয়াতে চাউল, আটা, নিমখ, কেৰাচিন এইখিনি আমাৰ পাব্লিক ডিষ্ট্ৰিবিউশ্যনৰ চিষ্টেমৰ জৰিয়তে দিয়া হয়। ইয়াৰ লগত মই কৈছো যে পিয়াজৰ কথা আহিছে। আজি প্ৰায় এশ টকা পালে।

**মাননীয় অধ্যক্ষ ঃ** I have given my remarks. It should be lowerd down. That's all.You are not allowed. You can put different Notice but not in the question hour. আপুনি যিটো কথা কলে ইতিমধ্যে মন্ত্ৰীয়ে উত্তৰ দিছে। এতিয়া প্ৰশ্ন নং- ২৩, শ্ৰীৰূপক শৰ্মা।

**শ্ৰী ৰঞ্জিত দত্ত,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

শ্ৰীৰূপক শৰ্মা,বিধায়ক ঃ অধ্যক্ষ মহোদয়, এম,এছ,ডি,পি যিবিলাক আঁচনি ইতিমধ্যে আমি উত্তৰত পাইছো। কথাটো হৈছে এম,এছ,ডি,পিৰ যিমানখিনি কাম হয়, আমি জনাত শতকৰা ২৫ভাগ, ৩৫ভাগ কামহে সম্পূৰ্ণ হৈছে, প্ৰায়বিলাক কামেই অসম্পূৰ্ণ হৈ আছে। যিবিলাক এ,চি,আৰ হয়, প্ৰায়বিলাক ক্লাচ ৰুমেই আধা বনোৱা হৈ আছে। যিকোনো ধৰণৰ কামেই আধাবনোৱা হৈ আছে। ইয়াৰ আচল কথাটো হৈছে ৫০ পাৰচেন্ট কাম থাকে যিটো কেন্দ্ৰীয় চৰকাৰৰ অংশ থাকে। আগতে আছিল ৯০ঃ১০ চেয়াৰ এতিয়া হৈছে ৮০ঃ২০ চেয়াৰ। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ ইউ,চি নিদিয়াৰ কাৰণে পুনৰ পুঁজিৰ আৱন্টন নাপায়। ফলত কামবোৰ আধৰুৱা হৈ ৰয়। কোনো কোনো ঠাইত সম্পুৰ্ণ কৰা হৈছে, ইউ,চিও দিছে,কিন্তু পুঁজিৰ আৱন্টন পোৱা নাই। ২০১৮ আগষ্টত নগাও জিলাত দ্বিতীয় কিস্তিৰ পুঁজি আহিছিল যদিও আৱন্টন পোৱা নাই। গতিকে কামবিলাকো সম্পূৰ্ণ হোৱা নাই। সেয়েহে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যিবিলাক কাম আধৰুৱা হৈ আছে সেইবিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লবনেকি ? এইবিলাক ১০০শতাংশ সম্পূৰ্ণ কৰিব পৰা যাব নেকি ? দ্বিতীয়তে, ইতিমধ্যে ২০১৮-১৯ চনত নগাওঁ জিলালৈ প্ৰায় ১৫টা "সদ্‌ভাৱনা মণ্ডপ" আহিছিল আৰু সেই "সৎভাৱনা মণ্ডপ"নিৰ্মাণ কৰাৰ ঠিকাটো এজন ঠিকাদাৰে পাইছিল। কিন্তু মোৰ সমষ্টিত এই ঠিকাদাৰজনে যিটো "সৎভাৱনা মণ্ডপ"বনাইছে, সেইটো একেবাৰে নিম্ন মানদণ্ডৰ হৈছে। হাউচিং বোৰ্ডৰ পৰা উপ-সভাপতিয়ে গৈ চাৰ্ভে কৰি কাম বেয়া হোৱাৰ বাবে কাম বন্ধ কৰিবলৈ দিলে। এই কথাটো জানিব পাৰি মাননীয় মন্ত্ৰী মহোদয়ে আমাক লগত লৈ চাবলৈ গ'ল আৰু কথাটো সত্য বুলি প্ৰমাণিত হ'ল। য'ত ১৬ এম,এম লোহা দিবলাগে, তাত ১২ এম,এম লোহা দিছে। এতিয়া কথাটো হ'ল- কাম বন্ধ কৰিবলৈ কোৱাৰ পিচতো কাম কিন্তু আজিৰ তাৰিখলৈ চলিয়েই আছে। ইয়াৰ কাৰণটো কি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী ৰঞ্জিত দত্ত,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপক শৰ্মা ডাঙৰীয়াই এম,এছ,ডি,পি আঁচনিৰ আধাৰত কৰা কামৰ অগ্ৰগতিৰ ক্ষেত্ৰত যিখিনি কথা কলে সেই সম্পৰ্কত মই কওঁ যে আগৰ এম,এছ,ডি,পি এতিয়াৰ পি,এম,জি,ভি,কে,ৱাই হয়। ২০১১ আৰু ২০১২ বিত্তীয় বৰ্ষৰ পৰিকল্পনাৰ যি আঁচনি আছিল, সেইখিনি জিলা উপায়ুক্তৰ তত্বাবধানত কৰা হৈছে। গোটেই টকাখিনি জিলা উপায়ুক্তৰ নিয়ন্ত্ৰণত থাকে আৰু উপায়ুক্তই বিভিন্ন সংলগ্ন বিভাগ যেনে- গড়কা প্তানি, ব্লক, জনস্বাস্থ্য আদিৰ দ্বাৰাই কামবিলাক কৰাৰ ব্যৱস্থা কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত 11th plan ত নগাঁও জিলাত ৯হাজাৰ আই,এ,ৱাইৰ ঘৰ ধৰা হৈছে। তাত কেন্দ্ৰৰ অংশ আছিল সৰ্বমুঠ ৩৪ কোটি টকা আৰু লাভ কৰিলে ২৫ কোটি ৮২ লাখ টকা। কিন্তু ঘৰবোৰ সম্পূৰ্ণ ন'হল আৰু ইউ,চি দিব নোৱাৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে চেকেণ্ড ইনষ্টলমেন্ট ৰিলিজ নকৰিলে। ইতিমধ্যে ৯কোটি ১২ লাখ টকা কেন্দ্ৰীয় চৰকাৰলৈ ঘুৰাই দিয়াৰ ব্যৱস্থা কৰা হ'ল। ঠিক তেনেদৰে এডিশ্যনেল ক্লাচ ৰুমৰ কামো সম্পূৰ্ণ কৰিব নোৱাৰিলে। মই জনাত নগাঁও জিলাৰ উপায়ুক্তৰ ফাণ্ডত এম,এছ,ডি,পিৰ টকা অব্যৱহৃত হৈ ২৪ কোটি ১৬ লাখ টকা এতিয়াও জমা হৈ আছে।

এইটো আগৰ চৰকাৰৰ দিনত জিলাউপায়ুক্তৰ যোগেদি কামবিলাক কৰা হৈছিল। মূলতঃ ইউ,চি নিদিয়াৰ বাবেই কেন্দ্ৰীয় চৰকাৰে দ্বিতীয়, তৃতীয় কিস্তিত পাবলগীয়া পুঁজিসমূহ মোকলাইদিয়া নাই। মই নিজে গৈ জিলাউপায়ুক্ত আৰু স্থানীয় বিধায়কক লগত লৈ তাত ৰিভিউ মিটিং কৰিছো, তাৰ পিছতো কিন্তু কামৰ অগ্ৰগতি হোৱা নাই।এতিয়া আমি জিলা উপায়ুক্ত সকলক কৈছো যে যদি আপোনালোকে পইচা খৰচ কৰিব নোৱাৰে, তেনেহ'লে পইচাটো ৰিলিজ কৰি দিয়ক। আমি আগৰ 11th & 12th plan ৰ ইউ,চি দিব নোৱাৰাৰ কাৰণে আমাক এইবাৰ কেন্দ্ৰীয় চৰকাৰে নতুনকৈ পুঁজি দিয়া বন্ধ কৰিছে। এই বছৰ ২০১৯-২০ বৰ্ষত আমি কম পুঁজি পাইছো, যাৰ কাৰণে কামবোৰ আধৰুৱা হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ইয়াৰ সমাধান কেনেকৈ হব ?

**শ্ৰী ৰঞ্জিত দত্ত (মন্ত্ৰী) ঃ** আমাৰ হাতত একো উপায় নাই। জিলা উপায়ুক্তৰ হাততে সকলোখিনি পইচা জমা হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** জিলা উপায়ুক্ত আপোনাৰ তলতে আছে।

**শ্ৰী ৰঞ্জিত দত্ত (মন্ত্ৰী) ঃ** জিলা উপায়ুক্তৰ লগত যোগাযোগ কৰি ৰিভিউ মিটিং পাতি তেওঁলোকক সোনকালে টকাটো খৰচ কৰিবলৈ কোৱা হৈছে কিন্তু তেওঁলোকে টকাটো খৰচ কৰিবপৰা নাই যাৰ বাবে এতিয়াও ২৪ কোটি টকা জমা আছে। কিছুমান জিলাত খুউব ভাল কাম হৈছে যেনে - দৰং, ধুবুৰী,মৰিগাও। মই মাননীয় সদস্যসকলক কৈছো যে মই বিধান সভাৰ পিচতেই আকৌ ৰিভিউ মিটিং পাতিম আৰু প্ৰত্যেকজন মাননীয় সদস্যকে মিটিঙত উপস্থিত থাকিবলৈ অনুৰোধ জনালো। আমাৰ যিহেতু engineer cell নাই, কোনো কাৰিকৰি বিভাগৰ বিভাগ নাই। গতিকে এইবাৰ আমি **২০১৭-১৮, ২০১৮-১৯** বৰ্ষত PMJVK (MSDP) ৰ আচঁনি পাইছিলো, নগাওঁ জিলাত **১৫** টা Sadbhav Mandap 1.46 crore টকা এটা এটা Sadbhav Mandap ৰ কাৰণে tender call কৰিছো। আমাৰ যিহেতু engineering cell নাই সেইকাৰণে Housefed আৰু Housing ক কামখিনি কৰিবৰ কাৰণে তেওঁলোকক দায়িত্ব দিছো। ইতিমধ্যে Housefed আৰু Housing য়ে tender call কৰিছে, কামৰ অগ্ৰগতি তেওঁলোক লাভ কৰিছে। মাননীয় সদস্যগৰাকীয়ে যিটো অভিযোগ কৰিছে যে তেওঁৰ অধীনত যিটো MSDP ৰ আচঁনিৰ Sadbhav Mandap, খাগৰিজান ব্লক আৰু জুৰিয়া ব্লক, এই দুয়োটা ব্লকত মই নিজে তদন্তত গৈছিলো। তদন্তৰ সময়ত মোৰ লগত আমাৰ সন্মানীয় বিধায়কগৰাকী আৰু জিলা উপায়ুক্ত গৰাকী আছিলে, Housing ৰ কমিচনাৰ আৰু ইঞ্জিনিয়াৰ আছিলে লগতে আমাৰ বিভাগীয় Commissioner Secretary আছিলে। আমি গৈ চাইছিলো যে এই দুয়োটা ব্লকৰ কাম অতি নিম্ন মাণদণ্ডৰ হৈছে, এইটো মই স্বীকাৰ কৰিছো। এতিয়া আমি কাম তাত বন্ধ কৰিবলৈ মৌখিক ভাৱে নিৰ্দেশ দিছো। ইতিমধ্যে ঠিকাদাৰ জনক Commissioner, Assam State Housing Board য়ে **২৬** তাৰিখৰ দিনা এই কাম দুটা বন্ধ ৰাখিবলৈ কৈছে আৰু dismantle কৰিবৰ কাৰণে কৈছে। সন্মানীয় বিধায়ক গৰাকীয়ে মোৰ লগত টেলিফোন যোগে যোগাযোগ কৰি আছে আৰু ময়ো মৌখিকভাৱে জিলা উপায়ুক্তক কৈছো। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক এই দুটা কাম সম্পূৰ্ণ dismantle কৰি পেলাই tender ত থকা drawing মতে সম্পুৰ্ণ কৰিবলৈ আশ্বাস দিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you। মাননীয় সদস্য ৰূপক শৰ্মা আপোনাৰ আৰু supplementary আছে নেকি ? যদি আছে চমুকৈ কব।

**শ্ৰী ৰূপক শৰ্মা (নগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি MSDP ৰ কাম ইতিমধ্যে সম্পুৰ্ণ হৈছে, এতিয়া বৰ্তমান এনেকুৱা অৱস্থা হৈছে যে MSDP ৰ কাম কোনেও নকৰা হৈছে, যিহেতু পইচা নাপাই। কিন্তু যিখিনি কাম সম্পুৰ্ণ হৈছে, যদি পইচা পাই যায় তেনেহলে পিছৰ পৰ্য্যায়ত কাম কৰিবলৈ যিজনে কৰে, হয়তো তেওঁ প্ৰেৰণা পাব। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে এটা সমস্যা আছে। ধৰক কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা **১৬** কোটি টকা বিভিন্ন আঁচনিৰ কাৰণে তেওঁলোকে দিলে। কিন্তু UC খন পঠালে সেই **১৬** কোটি টকাৰ পঠাব লাগিব। তাত part by part UC দিলে, কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰে। **১৬** কোটি টকাৰ যিটো sanction আছিলে, সেই **১৬** কোটি টকাৰ UC দিয়াৰ পিছত 2nd installment release হব। Part UC কেন্দ্ৰীয় চৰকাৰে কেতিয়াও গ্ৰহণ নকৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। এই বিষয়টোক লৈ মন্ত্ৰী ডাঙৰীয়া যিহেতু বিধায়ক সকলক লগত লৈ এখন মিটিং দিম বুলি কৈছে, তাত আপোনাকে সিদ্ধান্ত লব।

এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিমান খিনি concern দেখুৱাছে তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু ইতিমধ্যে প্ৰশ্নকৰ্তাই অভিযোগ কৰিছে যে কাম বিলাক সময়মতে নহয়। মই ভাৱো যে এইটোৰ এটা স্থায়ী সমাধান নহয়। কাৰণ MSDP ৰ কাম বিলাকত Nodel Officer বনোৱা হৈছে, তেওঁলোকে Minority Department নিজা Department নহয়। তেওঁলোকৰ নিজা Minority Development Board আছে, ACS Officer আছে, তাত Assistant General য়ে কাম কৰি আছে, NIC য়ে কাম কৰি আছে।

গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজো যে তেখেতে এই Nodel Officer, Minority Development Board ক বনাই তাত যদি Director লৈ upgrade কৰি দিয়ে, তেতিয়া হলে এই যে কাম বিলাক নোহোৱাকৈ পৰি নাথাকে, UC নিদিয়াকৈ নাথাকে। এই বিলাকৰ অলপ যাতে স্থায়ী সমাধান কৰে।

**শ্ৰী ৰঞ্জিত দত্ত (সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী)** - মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক ধন্যবাদ দিছো যে এটা ভাল পৰামৰ্শ দিছে। যিহেতু আমাৰ কোনো technical person নাই, Minority development ৰ ইমান টকা আহাৰ পিছতো কোনো technical person নাই, যাৰ কাৰণে আমি হয়তো PWD ক নিৰ্ভৰ কৰিব লাগে, যাৰ কাৰণে হয়তো Housing Board ক নিৰ্ভৰ কৰিব লাগে, নহলে আমি Housefed ক নিৰ্ভৰ কৰিব লাগে। আপোনালোকে এই পৰামৰ্শ দিছে আৰু যদি সদনে যদি সিদ্ধান্ত লয় তেতিয়া হলে আমি বিভাগীয় ভাৱে সেই ব্যৱস্থাটো কৰিব পাৰিম ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ইয়াৰ পিছত শেষৰ supplementary নিজাম উদ্দিন চৌধুৰী। তেখেত অনুপস্থিত। ইয়াৰ পিছৰ প্ৰশ্ন নং **২৪**। মাননীয় সদস্য জাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ শিশু কালিলৈ

দেশৰ ভৱিষ্যৎ। আজি এই শিশুসকলক মানসিক আৰু শাৰিৰিক ভাৱে বিকাশ কৰিবলৈ আমাৰ সমাজ কল্যাণ বিভাগৰ যথেষ্টখিনি দায়িত্ব আছে আৰু কাম কৰি আছে। আমাৰ **২৩০** টা শিশু উন্নয়নৰ প্ৰকল্প আছে। আৰু ইয়াৰে **১৪০**টা শিশু উন্নয়ন প্ৰকল্পৰ স্থায়ী বিষয়া আছে আৰু **৯০** গৰাকী ইতিমধ্যে ভাৰপ্ৰাপ্ত বিষয়াই কাম কৰি আছে। গতিকে ভাৰপাপ্ত বিষয়াসকলৰ ঠাইত স্থায়ী বিষয়াসকলক দিয়াৰ কাৰণে ইয়াৰ আগতেওঁ বিধানসভাত উত্থাপন কৰিছিলো । মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে APSC লৈ এখন চিঠি লিখিছে আৰু APSC য়ে যোৱা **৩** আগষ্ট তাৰিখে এটা বিজ্ঞাপন দিছে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে APSC ৰ লগত এই বিভাগে কিমান দিনৰ ভিতৰত গোটেই বিষয়াসকলৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই সদনত অৱগত কৰাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক আন্তৰিক ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ এই বিষয়ত আমিও যথেষ্ট উদ্বিগ্ন। আমি APSC ক বহুদিন ধৰি ৰাখিছো আৰু advertisement টো দিয়া হৈছে। কিন্তু পৰীক্ষাৰ কাৰণে একো ব্যৱস্থা হোৱা নাই। সেই কাৰণে আমাৰ এই অৱস্থা হৈছে। ভাৰপ্ৰাপ্ত কিছুমান বিষয়াৰ জৰিয়তেদি চলাই লৈ যাবলগীয়াত পৰিছো। মই নিজেও তেওঁলোকৰ বিষয়াসকলৰ লগত যোগাযোগ কৰিছো কিন্তু এতিয়ালৈকে process টো কৰিব পৰা হোৱা নাই। সেই কাৰণে অলপ দেৰি হৈ আছে। আৰু এই advertise ক লৈ High Court ত গোচৰো কৰা হৈছে। তেওঁলোকৰ ফালৰ পৰা দাবী কৰা হৈছে যে তেওঁলোকক 10% directly supervisor ৰ পৰা CDPO লৈ promotion দিব লাগে। কিন্তু আমাৰ বিভাগত তেনেকুৱা ধৰণৰ কোনো direction নাই, সেই কাৰণে আমাৰ বিভাগে APSC ক 73 post advertise কৰিবৰ কাৰণে দিছিলো। আমি কেচটো High Court ত সোনকালে নিষ্পত্তি হয় (dispose) হয় তাৰ কাৰণে চাই আছো।

**মাননীয় অধ্যক্ষ** ঃ Thank You.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে যদিও কৈছে তাত আমি স্পষ্টভাৱে উত্তৰটো নাপালো। যিহেতু এইটো অতিকৈ গুৰুত্ব আছে যুৱক-যুৱতীসকলৰ কাৰণে মন্ত্ৰী মহোদয়াই যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগৰ জৰিয়তে বৰ্তমান আমাৰ অসমত মহিলা, শিশু, দিব্যাংগন আৰু বয়োজেষ্ঠ ব্যক্তিসকলৰ কাৰণে **৬২** টা বিভিন্ন ধৰণৰ আঁচনি চলি আছে। এতিয়া কথা হল আমি এটা সমষ্টিক প্ৰতিনিধিত্ব কৰো। মোৰ বিধান সভা সমষ্টিত দুটাকৈ প্ৰকল্প আছে। এই ক্ষেত্ৰত সদস্যসকলে একমত হব যে আমি CDPO সকলৰ জৰিয়তে বা সমাজ কল্যাণ বিভাগৰ জৰিয়তে এই **৬২** টা আঁচনি আমাৰ গাওঁ level ত কিমানজন মানুহ উপকৃত হৈছে, এইটো কিন্তু সন্দেহৰ কথা। অধ্যক্ষ মাহোদয়, CDPO level ত গোলক পৰ্য্যায়ত আমাৰ এটা review meeting হব লাগে, vigilance committee ৰ মিটিং হব লাগে, জিলা পৰ্য্যায়ত মিটিং হব লাগে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আপোনাক জনাবলৈ দুখ প্ৰকাশ কৰিছো যে বৰপেটা জিলাত আজি তিনি চাৰি বছৰ হল এখনো review meeting সমাজ কল্যাণ বিভাগৰ ওপৰত হোৱা নাই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাও যে তেখেতৰ নেতৃত্বত অসমৰ প্ৰত্যেকটো জিলাত সমাজ কল্যাণ বিভাগৰ ওপৰত review meeting হব লাগে। সকলো বিধায়ক সেই মিটিঙত থাকিব লাগে, বিষয়াসকল থাকিব লাগে। আৰু প্ৰত্যেকটো আঁচনি পুংখানুপুংখভাৱে ৰূপায়ন কৰিছে নে নাই তাৰ

দ্বাৰা beneficiary সকল উপকৃত হৈছে নে নাই, এই বিষয়ত পৰবৰ্তী বিধান সভাত এটা মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে আপোনাৰ ওচৰত report এটা দিব লাগে, যাৰ জৰিয়তে গোটেই অসম আৰু আমিও বিধান সভাৰ সন্মানীয় সদস্য -সদস্যা সকলে জানিব পাৰো। পৰৱৰ্তী সময়ত যাতে এই আঁচনিৰ দ্বাৰাই আমাৰ অসমৰ সকলো মানুহে যাতে উপকৃত হয় তাৰ বিহীত ব্যৱস্থা মন্ত্ৰী ডাঙৰীয়াই লোৱাৰ কাৰণে আপোনাৰ জৰিয়তে আহ্বান জনাইছো আৰু মন্ত্ৰী ডাঙৰীয়ানীয়ে এই ক্ষেত্ৰত পৰৱৰ্তী সময়ত কি পদক্ষেপ ল'ব আমাক জনাব বুলি অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সিকদাৰ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো, তেখেতে আমাৰ সমাজ কল্যাণ বিভাগৰ যিবিলাক প্ৰজেক্ট, সেই প্ৰজেক্টৰ গুৰুত্বটো উপলব্ধি কৰিছে যিটো আমাৰ সমাজ খনৰ উন্নয়নৰ কাৰণে যথেষ্ট গুৰুত্বপূৰ্ণ হয়। মই এই কথাটো জনাব বিচাৰিছো যে যিহেতু আমাৰ প্ৰতিখন জিলাত এন আৰ চি ৰ কাম চলি আছিল আৰু জিলা উপায়ুক্তক লৈহে আমাৰ সমাজ কল্যাণ বিভাগৰ বেছিভাগকাম হয়,আমাৰ বিষয়া সকল এন আৰ চি ৰ কামত জড়িত আছিল, সেই কাৰণে আমি এইখিনি সময়ত জিলা পৰ্য্যায়ত গৈ Review Meeting কৰিব পৰা নাই। এতিয়া আপুনি যেনেকৈ কৈছে মই তেনেকৈ ভাবিছো। আমি প্ৰতিখন জিলাত গৈ Review Meeting পাতিব লাগে। আমাৰ বিষয়া সকলে কৈছে, Additional CS ৰ নেতৃত্বত বন্ধৰ সময়চোৱাত তেখেতসকলে গৈ গৈ চেন্টাৰ বিলাক চায়। তেওঁলোকে চোৱাৰ কাৰণে এতিয়া অলপ সজাগতা আহিছে, আমাৰ চেন্টাৰ বিলাক অলপ সচেতন হৈছে কিন্তু ইয়াতকৈ বেছি আমি সজগতা আনিব লাগিব। আমি যদি আপোনালোকক লৈ কাম কৰিব যাওঁ আমাৰ চৰকাৰৰ যিখিনি উদ্দেশ্য সেই উদ্দেশ্যটো আমি সাফল্যমন্দিত কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** Progress টো Review কৰিব পাৰিব তেতিয়া।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰী আমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** No, no, আপোনালোকে এনেকৈ নামবোৰ সলনি নকৰিব। মোক আপোনালোকৰ এখন লিষ্ট দিছে, মই প্ৰত্যেক বিধায়িনী দলক কৈছো। আমিনুল ইছলাম বহক, তেনেকৈ নহয়। এতিয়া তেৰছ গোৱালা। আপোনালোকৰ নামখিনি আপোনালোকে মোক দিছে। কংগ্ৰেছ বিধায়িনী দলক কৈছো, নাম কেইটা দিলে মোৰ সহজ হয়।

**শ্ৰী তেৰছ গোৱালা ঃ** অধ্যক্ষ মহোদয়, দুলীয়াজান বিধান সভা সমষ্টিৰ বহুকেইটা অঙ্গনবাড়ী কেন্দ্ৰত সহায়িকা আৰু কৰ্মীৰ পদ খালী আছে, এই পদ সমূহ কেতিয়া পূৰণ কৰিব জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰতিটো কেন্দ্ৰত, য'ত য'ত কৰ্মী আৰু সহায়িকাৰ পদবোৰ খালী হৈ আছে তাত পৰীক্ষা পাতি বাচনি কৰিবৰ কাৰণে দায়িত্ব দিয়া হৈছে আৰু বাঁচনিৰ কাৰণে পৰীক্ষা পাতি যিসকলে আমাৰ ইয়ালৈ প্ৰপোজেল পঠিয়াইছে তেওঁলোকক আমি নিযুক্তি দিছো, কিন্তু কিছুমান এতিয়ালৈকে তেওঁলোকে দিব পৰা নাই। চেন্টাৰ বিলাকৰ পৰা, জিলা বিলাকৰ পৰা আমাৰতাত অহা নাই, তেওঁলোকক আমি নিযুক্তি দিব পৰা নাই। গতিকে আপুনি যদি লাগিমিলি সহায় কৰি দিয়ে।

**শ্ৰী তেৰছ গোৱালা ঃ** সহায় কৰিছো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মোৰ দৃষ্টিগোচৰ হোৱা নাই আপুনি কৈছে মই চাই লম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। কিন্তু আজি সদনৰ মজিয়াত যিখিনি তথ্য পালো, যে আই চি ডি এচ প্ৰজেক্টৰ বিষয়া ২৩০ জনৰ ভিতৰত ৯০ জনেই অস্থায়ীভাৱে আছে। গতিকে এইটো অতিকৈ খুব বেয়া কথা। চৰকাৰে যে এই বিভাগটোক গুৰুত্ব দিয়া নাই এই তথ্যই এইটো প্ৰমাণ কৰিছে। দ্বিতীয়তে, মোৰ ক'ব লগা আছে যে মোৰ যি দুটা ব্লকৰ আই চি ডি এচ প্ৰজেক্ট আছে, চমৰীয়া আৰু বকো। চমৰীয়াৰ আই চি ডি এচ প্ৰজেক্টৰ বিষয়া মনজিৎ দাস তেখেতে এন আৰ চিৰ কৰ্মত ৰঙিয়াত থকাৰ কাৰণে তেওঁ কাৰ্য্যালয়লৈ নাযায়। দ্বিতীয়তে, হৈছে কি কামৰূপৰ যিটো জিলা পৰ্য্যায়ৰ কাৰ্য্যালয় আছে তাত যিজন বিষয়া আছে তেখেতো অস্থায়ী। অস্থায়ীভাৱে নিযুক্ত শ্ৰীৰুবুল শৰ্মা নামৰ বিষয়া গৰাকীয়ে চলাই আছে। তেখেত হৈছে বকো বনগাঁওৰ আই চি ডি এচ প্ৰজেক্ট বিষয়া। সেইবাবে মই মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিব বিচাৰো যে এইটো এটা গুৰুত্বপূৰ্ণ বিভাগ, গতিকে আই চি ডি এচ প্ৰজেক্টৰ জিলা পৰ্য্যায়ত যিখিনি খালী পদ আছে সেইখিনি অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাহীৰে আৰু এটা প্ৰশ্ন আছে, মই মন্ত্ৰী মহোদয়াক জনাব বিচাৰিছো যে ইয়াৰ আগতে বানপানীত ক্ষতিগ্ৰস্তৰ ওপৰত যি এটা প্ৰশ্ন আছিল, অনুপস্থিত থকাৰ কাৰণে হয়তো কথাটো উত্থাপন কৰিব নোৱাৰিলো। কিন্তু তাৰ সম্পৰ্কীয় যিহেতু কথা,বানপানীত ক্ষতিগ্ৰস্তৰ জৰিয়তে বহুত অঙ্গনবাড়ী কেন্দ্ৰ ক্ষতিগ্ৰস্ত হৈ আছে। মোৰ সমষ্টিত হাতীৰ দ্বাৰা উপদ্ৰপ হৈও ক্ষতিগ্ৰস্ত হৈ আছে। তেনেকৈ যোৱাবাৰ সদনত উত্থাপন কৰোতে মন্ত্ৰী মহোদয়ে এটা ফাণ্ড দিয়া বুলি কলে, প্ৰায় ১০ লাখ টকা। কিন্তু অতি দুখৰ বিষয় যে আজি প্ৰায় ১০ মাহমান হৈ গ'ল, এই ফাণ্ডটো কিয় ব্যৱহাৰ হোৱা নাই? অঙ্গনবাড়ী কেন্দ্ৰবোৰ মেৰামতিৰ বাবে দিয়া হৈছিল। আমি জিলা উপায়ুক্তক যেতিয়া প্ৰশ্নটো উত্থাপন কৰো তেতিয়া তেওঁ কয় যে Administrative Approval হ'ব লাগিব। আজি ১০ মাহ ধৰি Administrative Approval কি কাৰণে হোৱা নাই মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো। বেলেগত যদি হৈছে মই নাজানো, কিন্তু কামৰূপ জিলাৰ যিখিনি মেৰামতিৰ কাম আছিল সেইখিনি এতিয়ালৈ হোৱা নাই। ইয়াৰোপৰি এটা অনুৰোধ কৰিব বিচাৰো যে যিহেতু বহুত সংখ্যক অঙ্গনবাড়ী কেন্দ্ৰ ক্ষতিগ্ৰস্ত হৈ আছে বিভিন্ন কাৰণত, সেই ক্ষেত্ৰত ১০ লাখ টকা পৰ্য্যাপ্ত নহয়। ১০ লাখ টকাৰ পৰা এইটো বঢ়াব লাগে আৰু অতি শীঘ্ৰে এই পইছাখিনি ব্যৱহাৰ কৰিব লাগে আৰু Administrative Approval যদি হোৱা নাই এইটো দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয়া সদস্যা গৰাকীয়ে আমাৰ বিভাগক এই ক্ষেত্ৰত গুৰুত্ব দিয়া নাই বুলি কোৱাতো মই গ্ৰহণ নকৰো। আমি চেন্টাৰ বিলাকক যাতে কাৰ্য্যক্ষম অৱস্থাত আনিব পাৰো তাৰ কাৰণে যথেষ্ট চেষ্টা চলাই আছো। যিবিলাক ঘৰ জৰাজিৰ্ণ হৈ আছে তাৰ কাৰণে, সেই ঘৰ বান্ধিবৰ কাৰণে সকলো সমষ্টিৰ পৰা যাতে আমালৈ প্ৰপোজেলটো পঠিয়াই দিয়ে তাৰ কাৰণে মই এই সদনতে আপোনালোকক চিঠিখন বিতৰণ কৰি দিছিলো কিন্তু কোনো বিধায়ক বা বিধায়িকা সকলৰ পৰা পোনপতীয়াকৈ প্ৰপোজেল নাপালো।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** প্ৰপোজেল কেতিয়াবাই পঠিয়াই দিছো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** কিন্তু, মই তথাপিও বিচাৰিছো। যিবিলাক পঠিয়াইছে সেইবোৰ এতিয়া Administrative Approval ত আছে। সেইটো দি দিয়াৰ লগে লগে কেনেকৈ কৰিলে ভাল হ'ব, জিলা উপায়ুক্তৰ যোগেদি কৰিলে ভাল হ'ব নে গড়কাপ্তানী বিভাগৰ যোগেদি কৰিলে ভাল হ'ব সেইটো এতিয়াও আমি ঠিক কৰিব পৰা নাই। সেইটো মাত্ৰ বাকী আছে, সেইটো

ঠিক হলেই আমি পইচাটো ততালিকে যদি আমি জিলা উপায়ুক্তৰ তাত পঠিয়াই দিও তেতিয়া হলে সোনকালে হৈ যাব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** বহুত দিন হৈ গ'ল বাইদেও।

**শ্ৰীমতী নন্দিতা দাস ঃ** প্ৰায় ১০ মাহ হ'ল। আৰু কিমান দিন লাগিব?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** বহুত দিন হৈ গ'ল সেইটো জানো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সোনকালে কৰিব তেখেতে।

**শ্ৰী কমালাক্ষ দে পুৰকায়স্থ ঃ** প্ৰপোজেল লগে লগে পঠিয়াই দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Please, please Kamalakhya.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, এক বছৰ হৈ গ'ল।

(একেই সময়তে বহু কেইজন বিধায়ক আৰু বিধায়িকাই কয়, ফলত অলপ হুলস্থূল হয়)

**মাননীয় অধ্যক্ষ ঃ** আমি আশা কৰিম মন্ত্ৰী ডাঙৰীয়ানী আপুনি অন্ততঃ ডিচেম্বৰ মাহৰ ভিতৰত এই গোটেইখিনি কৰি দিয়ক।

**শ্ৰীমতী নন্দিতা দাস ঃ** খালী পদ সমূহো বাইদেও পূৰণ কৰিব লাগে, সেইটো অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, হ'ব। ইয়াৰ পিছত আছে গুনিন্দ্ৰ নাথ দাস।

**শ্ৰী নুৰুল হুদা ঃ** চাৰ, চাৰ, এক মিনিট।

**মাননীয় অধ্যক্ষ ঃ** No it is not allowed. এতিয়া গুণিন্দ্ৰ নাথ দাস। সবকে মই এক মিনিটকৈ দিব লাগিব, তাতকৈ বেছিকৈ দিব নোৱাৰো।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী বাইদেওক এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ এই সমাজ কল্যাণ বিভাগৰ যি Supervisr আছে, তেওঁলোকৰ বহুত অস্থায়ী হৈ আছে। আজি বহুত দিনৰ পৰা অস্থায়ী কৰ্মচাৰী সকলৰ, যি সকলে ফিক্স পে' ত কাম কৰি আছে তেওঁলোকৰ চাকৰি নিয়মীয়া কৰণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈ আছে, কিন্তু কেবিনেটত পাছ হোৱা নাই বুলি শুনি আছো। গতিকে মই আপোনাৰ জৰিয়তে বাইদেওক অনুৰোধ কৰো যে এই কৰ্মচাৰী সকলক চাকৰি নিয়মীয়া কৰি যাতে কাম-কাজ বিলাক সুচাৰুৰূপে চলাই নিয়াৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Minister please.

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ, ভূমি সংৰক্ষন ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনত তেওঁলোকক Contractual হিচাপে appointment দিয়া হৈছিলে। appointment দিছিল কিন্তু পোষ্টবিলাক Sanction কৰা নাছিলে। পোষ্টবিলাক চেংশ্যন নোহোৱা কাৰণে Contractual অৱস্থাতে থাকিল। চেন্ট্ৰেল গৰ্ভমেন্টৰ পৰা অহা টকা আমাৰ তাত আছে। কিন্তু পোষ্টবিলাকৰ বাবে ইন্টাৰভিউ পাতি ৰেগুলাৰ ভাবে তেওঁলোকে এপইন্টমেন্ট নিদিলে। Contractualত দিলে। এনেকৈ চলি আছিল । এতিয়া তেওঁলোকক যাতে ৰেগুলাৰ কৰিব পৰা যায় তাৰ কাৰণে আমি ব্যৱস্থা কৰি আছো। কেবিনেটত লৈ গৈ কেবিনেটে আমাক কি পৰামৰ্শ দিয়ে আমি প্ৰপোজেলটো পঠিয়াই আছো। দুবাৰ আমি ট্ৰাই কৰিছো। আগত পঠিয়ালো, কেবিনেটত পেণ্ডিং হৈ আছে। আমাক কিছু সংশোধন কৰি আনিবলৈ ক'লে। আকৌ আমি Cabinet ত লৈ যাম তাৰ পৰা আমাক যেনেকৈ পৰামৰ্শ দিয়ে সেইমতে আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া হাফিজ বছিৰ আহমেদ ডাঙৰীয়া। Last Supplimentary

**শ্ৰীহাফিজ বছিৰ আহমেদ কাছিমি (পশ্চিম বিলাসীপাৰা )ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি

এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ৬২,১৫৩ টা অনুমোদিত অঙ্গনবাদী কেন্দ্ৰ আছে । কিন্তু দেখা যায় ইয়াৰে ৩৯, ৮৮৯ টা বিভাগৰ নিজা ঘৰত আছে। বাকী গোটেইখিনি Temporary মানে ভাড়া ঘৰ বা স্কুলত আছে। তেনেকৈ ইয়াত এটা উত্তৰত কোৱা হৈছে২৩০ টা সংহত শিশু উন্নয়ণ প্ৰকল্প আছে। ইয়াৰে প্ৰায়খিনিয়ে ভাড়া ঘৰত আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অংগনবাদী কেন্দ্ৰবিলাক আৰু প্ৰকল্প যিবোৰ আছে সেইবোৰ স্থায়ীভাবে নিৰ্মান কৰাৰ চৰকাৰৰ হাতত কিবা আঁচনি আছে নেকি? দ্বিতীয়তে হ'ল , মোৰ সমষ্ঠিত দুটা প্ৰকল্প আছে এটা নায়েৰ আলগা মহামায়া যিটো আজিলৈকে ১০ বছৰ ধৰি ভাড়া ঘৰত চলি আছে। দ্বিতীয়টো যিটো মহামায়ৰ বি টি এ ডিত পৰিছে সেইটো নন বি টি এ ডিত আনিব লাগে আৰু চৰকাৰে স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ ক্ষেত্ৰত আশ্বাস দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ.......।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ, ভূমি সংৰক্ষণ ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, প্ৰকল্প বিষয়াসকলৰ নিজৰ বিল্ডিং নাই । আমি এইবাৰ বাজেটত প্ৰপোজেল দিব বিচাৰিছো তেওঁলোকৰ স্থায়ী কাৰ্য্যালয়টো বনোৱাৰ কাৰনে। কিন্তু ইয়াৰ কাৰনে নিজা মাটি লাগিব। নিজা মাটি যদি আমাৰ অফিচাৰ বিলাকে এলোটমেন্ট ল'বৰ কাৰনে ব্যৱস্থা কৰে তেতিয়া হ'লে আমাৰ কাৰনে সুবিধা হ'ব। যিবিলাক ICDS চেন্টাৰৰ নিজৰ ঘৰ নাই , ভাড়া ঘৰত আছে, কিছুমান কৰ্মীসকলে নিজৰ ঘৰত চলাই আছে, তেওঁলোককো আমি instruction দিছো যে নিজৰ মাটিত ঘৰ কৰিব লাগে। এতিয়া যিহেতু আমাৰ হাতত টকা আছে নিজৰ Building কৰাৰ কাৰনে গতিকে আপোনালোকক অনুৰোধ কৰিছো তেওঁলোকক সহায় কৰক যাতে তেওঁলোকে মাটি পায় যাতে সেই মাটিত তেওঁলোকে নিজা কাৰ্য্যালয বা চেন্টাৰটো বনাব পাৰে। প্ৰকল্প বিষয়াসকলৰ বাবে এইটো এটা চিন্তনীয় বিষয়, তেওলোকৰ বিল্ডিংবিলাকো জৰাজীৰ্ণ অৱস্থাত আছে। তাৰ বাবে ৰিপিয়েং বা নিজা ঘৰ নথকাখিনিৰ বিল্ডিং দিব লাগে ইয়াৰ কাৰনে মই এইবাৰ বাজেটত চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ - এতিয়া শ্ৰীদেবব্ৰত শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, নাজিৰা মহকুমাত বৰ্ত্তমানে চলি থকা প্ৰকল্পৰ নামচাইজান প্ৰকল্পটো বন্ধ হৈ গ'ল। ইয়াত উল্লেখ কৰা মতে ৭ বছৰৰ ভিতৰত Complete হ'ব লাগিছিল Entry Level ৰ কামখিনি কৰাৰ পিছতে এইটো বন্ধ হৈ গ'ল। কি কাৰণে বন্ধ হৈ গ'ল সেইটো জানিব বিচাৰো মন্ত্ৰী মহোদয়াৰ পৰা। পুঁজিৰ অভাবনে অন্য কিবা। ইয়াৰে অন্য এটা উত্তৰত কোৱা হৈছে যে, কেন্দ্ৰীয় চৰকাৰে পুঁজি বন্ধ কৰি দিলে। যদি পুঁজি বন্ধ কৰি দিলে তেতিয়া হ'লে batch-2 ত অসমত এটাও প্ৰকল্প নহ'ল। আমাৰ ৰাজ্য চৰকাৰে নিজস্ব পুঁজিৰে এই আঁচনিসমূহ সম্পূৰ্ণ কৰিলে আমি ভাল পাম। যিহেতু এই আঁচনিসমূহ গ্ৰহণ কৰা হৈছিল খেতিপথাৰ সমূহত অতিৰিক্ত পানী অহাৰ বাবে তাৰ ফলত খেতিয়কৰ সমস্যা হোৱা বাবে অথবা পানী নোহোৱাৰ বাবে ক্ষুদ্ৰ প্ৰকল্পৰ যোগেদি জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষকসকলক উপকৃত কৰিবলৈ। মহোদয় যিহেতু ৯ জিলাত batch-2 শূন্য হ'ল , এইটো পুঁজি অহাই নাছিল নে চৰকাৰী বিষয়াৰ গাফিলতিৰ বাবে হ'ল সেইটো তদন্তৰ ব্যৱস্থা হ'ব লাগে। এই বিষয়ে মাননীয়া মন্ত্ৰীৰ পৰা উত্তৰটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ..।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ, ভূমি সংৰক্ষন ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয়

অধ্যক্ষ মহোদয়, batch-2 ৰ কামটো ২০১১ চনত আৰম্ভ হৈছিলে কিন্তু সেই পইচাটো আমাৰ হাতত নাহিল। এইটো বিগত চৰকাৰৰ দিনত হৈছিলে। নিশ্চয় কামটো আৰম্ভ নকৰাৰ কাৰনে অহা নাই। গতিকে কামটো নহ'ল। কিন্তু এতিয়া আমাৰ batch-3 আৰু batch-4 ৰ কাম হৈ আছে। DOLR এ আমাক জনাই দিছে আগৰ পুৰনা কাম ২০১০ আৰু ২০১১ চনত যিটো কাম আৰম্ভ কৰিছিল সেইটো সোনকালে শেষ কৰিব লাগে। কমপ্লিশ্যন ৰিপোর্ট আৰু ইউ চি দিব লাগে। যিটো কাম চলি আছিল সেইটো কাম সম্পূর্ণ কৰি আমাৰ বিভাগে ইউ চি দিলে। ইউ চি দিয়াৰ পিচত আমাৰ হাতত এতিয়া পইচা আহিছে। সেই কাৰনে batch-3 আৰু batch-4 ৰ কাম হৈ আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয় , Entry Level ৰ কামখিনি কৰাৰ পিছতে কামখিনি বন্ধ হ'ল। মূল যিখিনি কাম আছিল সেইখিনি কৰা নহ'ল। যিটো কথা কৈছে, প্ৰকৃততে ২০১১ চনত চেংশ্যন কৰি ২০১৪ চনতহে কামখিনি আচলতে আৰম্ভ হৈছিল। সেই কাৰনে Continous process ত আগৰ চৰকাৰ বুলি ক'লে ভূল হ'ব , বিগত চৰকাৰৰ দিনতো, ২০১৪ চনৰ যিখন চৰকাৰ সেইখিনি সময়ত পুঁজিখিনি আনিবলৈ কেনেকুৱা পদক্ষেপ ল'লে সেইখিনি জানিব বিচাৰো। এতিয়া যিখিনি ১ কোটি টকাৰ প্ৰকল্পৰ কাম হৈ আছে , কামখিনি নিম্নমানৰ হৈ আছে। অন্যান্য সমষ্টিতো এনেকুৱাই হৈ আছে সেই কাৰনে বিধায়কসকলৰ লগত কামখিনি Review কৰাৰ কাৰনে কিবা ব্যৱস্থা ল'ব নেকি, মন্ত্ৰী মহোদয়াৰ পৰা সেইটো জানিব বিচাৰো। লগতে মহোদয়াক মোৰ সমষ্টিৰ কামখিনি পৰিদৰ্শন কৰাৰ বাবেও অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ...।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ, ভূমি সংৰক্ষন ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় যিটো কথা কৈছে- সেইটো মোৰ period ত নহয় আগৰ periodৰ ।তেওলোকে কামটো কৰিবলৈ নাজানিলে সেই কাৰনে পইচা নাহিলে। পিছত DOLRৰ পৰা আমাক ইনষ্ট্ৰাকশ্যন ২০১৮ চনত দিছিলে, কমপ্লিশ্যন ৰিপোর্ট আমাক দিবলৈ দিলে, তাৰ পিছত যিখিনি বাকী আছে সেইখিনি কমপ্লিট কৰি ইউ চি দিলো ।ইউ চি দিয়াৰ পিছত সেই batchটোৰ কামখিনি তেনেকৈ থাকি গ'ল। এতিয়া আমি batch-3 আৰু batch-4 এই দুটাৰ কাম চলাই আছো। মাননীয় বিধায়ক গৰাকীয়ে কোনটো বিচাৰে তাৰে যদি আমাক প্ৰপোজেল দিয়ে আমি SOPD ৰ পৰাও ধৰিব পাৰিম। যদি Public ৰ কাৰণে Genuine হয় আমি সেইটো ধৰিম। ইয়াৰ কাৰনে একো অসুবিধা নহয়। শেষত, মাননীয় বিধায়কগৰাকীয়ে যিটো চাই অহাৰ কথা কৈছে মই নিশ্চয় যাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, This Question is related to Nazira Sub Division. মন্ত্ৰীৰ হাতত তথ্য নাথাকিলে উত্তৰ নাপাব পাৰে সেই কাৰনে কৈছো। এতিয়া কমল সিং নাজাৰী।

**শ্ৰীকমল সিং নাজাৰী (বিজনী) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰো, মন্ত্ৰী মহোদয়া সদনত উপস্থিত আছে ।এই বিভাগটো এটা neglected Department নেকি ছাৰ। অসমৰ ভিতৰত Soil Conservation Department টো গুৰুত্বপূৰ্ণ হ'ব লাগিছিলে কাৰণ এইটো আমাৰ খেতিয়কসকলৰ লগত জড়িত এটা বিভাগ। কিন্তু এই বিভাগটোক ফাণ্ড একেবাৰে নিদিয়ে। নিদিয়াৰ ফলত যিখিনি কাম কৰিব লগা আছে সেইখিনি কাম কৰিব নোৱাৰে। এই বিভাগটোৰ যদি এটা Project দিয়া হয় ফাইলটো ঘুৰোতে ঘুৰোতে ৩- ৪ বছৰ গুছি যায়। কেতিয়াবা ৫ বছৰো অতিক্ৰম কৰে। মোৰ সমষ্টিৰ এটা কাম চেংশ্যন হোৱা ৪-৫ বছৰ হৈ যোৱাৰ পিছতো আজিলৈকে কাম আৰম্ভ হোৱা নাই। তাৰ কাৰনটো কি?

মাননীয় অধ্যক্ষ ঃ আপোনাৰ পৰামৰ্শটো কি , সেইটো ক'লে ভাল হ'ব। you can't explain

like this. পৰামৰ্শটো কওঁক।

**শ্ৰীকমল সিং নাজাৰ্ৰী (বিজনী)ঃ** কামখিনি কেনেকৈ খৰতকীয়াকৈ ভালধৰনে কৰিব পৰা যায় সেইটো বিচাৰো। মাননীয় অধ্যক্ষ মহোদয়, ডাইৰেক্টৰ চৌধুৰী ইতিমধ্যে ৰিটায়াৰ্ড হৈ গ'ল। তেওঁৰ দিনত যিটো কাম আছিলে কামটো চেংচন হোৱাৰ পিছতো আজিলৈকে সম্পূৰ্ণ হোৱা নাই। গতিকে কামটো খৰতকীয়া কৰিব লাগে। তাৰবাবে মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৬। শ্ৰী টেৰছ গোৱালা। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী টেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আজি মই গম পালো যে আচলতে ৰাষ্ট্ৰীয় মাইনৰিটী কমিচনৰ মতে ৬ টা ধৰ্মৰ মানুহক মাইনৰিটী বুলি কোৱা হৈছে আৰু ইতিমধ্যে বহুকেইটা অভিলাষী আঁচনিৰ কথা ইয়াত উল্লেখ আছে। কিন্তু দুখজনক কথাটো হ'ল যে আমাৰ বিশেষকৈ উজনি অসমৰ মোৰ দুলীয়াজান সমষ্টিত যিসকল খ্ৰীষ্টান,শিখ আৰু বৌদ্ধ ধৰ্মী মানুহ আছে তেওঁলোক এই আঁচনি বা ইয়াৰ সুবিধা সম্পৰ্কে জ্ঞাত নহয়। গতিকে মই অনুৰোধ জনাওঁ যে এই সম্পৰ্কে অধিক প্ৰচাৰ আৰু সজাগতাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? ২ নং কথাটো হ'ল সাধাৰণতে আমি সংখ্যালঘু বুলি ক'লে ইছলাম ধৰ্মী মানুহখিনিকে বুজো। বিশেষকৈ এই তিনিটা ধৰ্মৰ মানুহখিনি এই সুবিধা সম্পৰ্কে জ্ঞাত নহয়। যোৱা কালি চেন্ট্ৰেল হলত যেতিয়া আমি মুখ্যমন্ত্ৰীৰ উপস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিছিলো তেতিয়া তেওঁলোকে স্কলাৰশ্বিপ সম্পৰ্কে অতি দুখেৰে আক্ষেপ কৰিছিল। সেয়ে মই ভাৱো ছাত্ৰ-ছাত্ৰীৰ স্কলাৰশ্বিপ সম্পৰ্কে স্কুল, কলেজ, বিশ্ববিদ্যালয় লেভেলত বিশেষ সজাগতা সভাৰ অনুষ্ঠান যাতে পাতিব পাৰো তাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী টেৰছ গোৱালা দেৱে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। সংখ্যালঘু বুলি ক'লে আগতে আমাৰ মনত এটা ধাৰণা আছিল যে এটা বিশেষ শ্ৰেণীক আমি সংখ্যালঘু বুলি ভাবি লওঁ। কিন্তু ইয়াত সংখ্যালঘু বুলি ক'লে ৬ টা ধৰ্মাৱলম্বী লোক আছে। যেনে- ইছলাম, খ্ৰীষ্টান, শিখ, বৌদ্ধধৰ্মী, জৈন আৰু পাৰ্চী আৰু তেওঁলোকৰ অসমত কিমান জনসংখ্যা আছে আমি বিৱৰণ ইয়াত দাঙি ধৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে খ্ৰীষ্টান, বৌদ্ধধৰ্মী আৰু জৈন অসমৰ বিশেষ বিশেষ কিছুমান অঞ্চলত বিশেষকৈ উজনি অসমত খ্ৰীষ্টান আৰু বৌদ্ধধৰ্মী লোকৰ সংখ্যা বেছি। কিন্তু ভাৰত চৰকাৰে প্ৰধানমন্ত্ৰীৰ জন বিকাশ কাৰ্য্যক্ৰমত আমাক দিয়া ডাটা অনুসৰি মুঠ জিলা হৈছে ২০ খন, ব্লক হৈছে ১৩৯ খন, জিলা মুখ্য কাৰ্য্যালয় ১৭ খন আৰু মাইনৰিটী টাউন ২ খন। ইয়াত আমি দেখা পাইছো যে গোৱালপাৰা, মৰিগাওঁ, নগাওঁ, শোনিতপুৰ, গাভৰু, বালিপাৰা, ঢেকীয়াজুলি, বৰচলা, বিশ্বনাথ, চতিয়া, লখিমপুৰত ৩ টা ব্লক আছে, কাৰ্বিআংলঙত ৩ টা ব্লক, ডিমা হাচাওঁত ৪ টা ব্লক, কাচাৰ, কৰিমগঞ্জ, হাইলাকান্দি, বঙাইগাওঁ, কামৰূপ, নলবাৰী, ওডালগুৰি, কোকৰাঝাৰ, ধুবুৰী, দৰং, চিৰাং, বৰপেটা এইদৰে ১৩৯ টা ব্লক আছে। কিন্তু পি এম জে ভি কে ৰ গাইডলাইন অনুযায়ী মুঠ ব্লকৰ ২৫ শতাংশত মাইন'ৰিটী পপুলেশ্যন থাকিব লাগে। কিন্তু ভাৰত চৰকাৰে শেহতীয়াকৈ এটা সিদ্ধান্ত লৈছে যে যিবিলাক পঞ্চায়তত মাইনৰিটীৰ সংখ্যা বেছি আছে সেই পঞ্চায়ত বিলাককো ল'বৰ বাবে ভাৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে আৰু এই বিষয়টো লৈ আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছো যে অসমত মাইনৰিটীৰ যিখিনি খ্ৰীষ্টান, বৌদ্ধধৰ্মী লোক আছে তেওঁলোকক সামৰি পি এম জে ভি কে ৰ আঁচনিৰ অধীনত যদি আমিপঞ্চায়ত বা ব্লক

ভিত্তিত ল'ব পাৰো তেনেহ'লে উজনি অসমৰ বা বিভিন্ন ঠাইত যিখিনি খ্ৰীষ্টান,বৌদ্ধধৰ্মী লোক আছে তেওঁলোকক আমি সামৰি ল'ব পাৰিম। এই আঁচনিৰ অধীনত স্কলাৰশ্বিপ, প্ৰি-মেট্ৰিক, পোষ্ট-মেট্ৰিক ইত্যাদি আছে। এই প্ৰি-মেট্ৰিক, পোষ্ট-মেট্ৰিক স্কলাৰশ্বিপ উজনি অসমৰ খ্ৰীষ্টান,বৌদ্ধধৰ্মী ছাত্ৰ-ছাত্ৰী সকলে ঢুকি নাপায়। যাৰ কাৰণে সেই ছাত্ৰ-ছাত্ৰী সকল বঞ্চিত হৈ আছে। প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমত মাইনৰিটী ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ইমানখিনি আঁচনি আহিছে এই বিষয়ে যিমানখিনি প্ৰচাৰ হ'ব লাগিছিল তাৰ প্ৰচাৰটো কিন্তু সিমানখিনি হোৱা নাই। তেখেতে এটা পৰামৰ্শ দিছে এই ক্ষেত্ৰত প্ৰচাৰ হ'ব লাগে, সজাগতা আনিব লাগে। আমি এই ব্যৱস্থাটো কৰিবলৈ গৈ আছো আৰু যেতিয়া আমি জিলা উপায়ুক্ত সকলক লগত লৈ প্ৰচাৰৰ কামত আগবাঢ়িম তেতিয়া মই সন্মানীয় সদস্য সকলৰ পৰাও সহায় বিচাৰিম। এই আঁচনিটোৰ দ্বাৰা আমাৰ মনত যিটো ধাৰণা যে মাইনৰিটী বুলি ক'লে এটা বিশেষ শ্ৰেণীক আমি বুজাও এই ধাৰণাটো আমি আতঁৰাব পাৰিম আৰু এই ধাৰণাটো আতঁৰাবৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী টেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আসাম মাইনৰিটী ডেভেলপমেণ্ট বোৰ্ডে প্ৰায় ১০ টা আঁচনি কাৰ্য্যকৰী কৰি আছে। তাৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ আঁচনি আছিলে এ এন এম ট্ৰেইনিং কোৰ্চ। এই এ এন এম ট্ৰেইনিং কোৰ্চটো কেনেধৰণে পাব পাৰে এই সম্পৰ্কে অলপ জনাব নেকি?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে এ এন এম ট্ৰেইনিং কোৰ্চৰ কথা কৈছে। মাইনৰিটী ডেভেলপমেণ্ট বোৰ্ড্ৰ পৰা পেপাৰত বিজ্ঞাপন দি অনলাইন যোগে এপ্লিকেশ্যন কৰা হয়। আপোনালোকক জনাব পাই সুখী হৈছো যে যোৱা বছৰ আমি এ এন এম, জি এন এম, ডি এম এল এড, ডি টি পি, বি এম এল এড যিবিলাক ট্ৰেইনিং দিছো তাত খ্ৰীষ্টান,বৌদ্ধধৰ্মী ছাত্ৰ-ছাত্ৰী সকলেও পঢ়াৰ সুযোগ পাইছে। প্ৰথমবাৰৰ বাবে সৰ্ব্বানন্দ সোনোৱাল দেৱৰ নেতৃত্বত গঠন হোৱা চৰকাৰখনে এই ব্যৱস্থাটো কৰিবলৈ গৈ আছে। নহ'লে আগতে এটা বিশেষ শ্ৰেণীৰ লোকে এই সুবিধা সমূহ পায় যাৰ কাৰণে খ্ৰীষ্টান,বৌদ্ধধৰ্মী ছাত্ৰ-ছাত্ৰী সকল বঞ্চিত হৈ আছে। কাৰণ খ্ৰীষ্টান,বৌদ্ধধৰ্মী ছাত্ৰ-ছাত্ৰী সকলে ইয়াক ঢুকি নাপায়। ............

....................... সদনত হুলস্থুল..............

**মাননীয় অধ্যক্ষ ঃ** ৰাজেদ আলী ডাঙৰীয়া আপুনি কিবা এটা ক'ব বিচাৰিছে Point of order ত কওঁক।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইমাত্ৰ যিটো কথা ক'লে যে সংখ্যালঘু বিভাগৰ আগত খ্ৰীষ্টান, বৌদ্ধিষ্ট বা others য়ে ঢুকি পোৱা নাই, কাৰণ তেওঁলোকে একো পোৱা নাই। যদি এই কথাখিনি সঁচা নহয়, ------হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** Please sit down. মই কথাটো কৈ দিছো। কথাটো এনেকুৱা নহয়, re-mark দিছে, আপোনালোকে কৈছে যে এইটো নহয়, আপোনালোকৰ প্ৰত্যেকটো record হ'ব যে, এইটো তেনেকুৱা হোৱা নাই আৰু record হ'লে কথাটো আহিয়েই যাব। আমিতো House ত চিঞৰ বাখৰ কৰি উত্তৰ দিব নোৱাৰিম। তেখেতে কৈছে যে হোৱা নাই, তেনেকুৱা হোৱা নাছিল আগতে। record কৰা হৈছে যে আপুনি কৈছে যে এইটো হোৱা নাই দৰকাৰ হ'লে enquiry কৰি আমাক কওঁক। Now Roslina Tirkey. What is your point of order?

**শ্ৰী মতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ point of order টো

question no. 6. ৰেই হয়। Minority Developmentৰ কথা। আগতেও প্ৰশ্ন শুধিছিলো Minority কি? আজি প্ৰশ্নটো পুনৰ দেখিছো। কিন্তু ইয়াত কথাটো হৈছে, মন্ত্ৰী মহোদয়ে আজি উত্তৰ দিছে, আমাৰ সকলোৱে পাইছে। আগত পোৱা নাছিলে। যিমানখিনি সংখ্যালঘু ইছলামধৰ্মী, খ্ৰীষ্টান, শিখ, জৈন, পাৰ্চী সকলোৱে সমানকৈ পাইছে। কি ধৰণে পাইছে, কি ব্যৱস্থাৰে পাইছে। মই পাইছে বুলি নাভাৱো বা বৰ্তমান কি হৈ আছে সেইটো জানিব বিচাৰিছো লগতে এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ যি Minorityৰ Benifichery Selection Committee বিলাকত প্ৰতিনিধি থাকিব লাগিব। তেতিয়াহে সকলোৱে পাব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ৬ টা জনগোষ্ঠীৰ প্ৰতিনিধি থকাটো বিচাৰে । এতিয়া নোমল মমিন।

**ড° নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে খ্ৰীষ্টান এলেকাত আগতে MSDP ৰ ফাণ্ড যোৱা নাছিল সেইটো সম্পূৰ্ণ সত্য। বোকাজান বিধান সভা সমষ্টিত দুটা Minority Block আছিল ২০১৬ চনৰ আগলৈকে এক পইচাও লোৱা নাছিলে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা বাবে বাৰে কৈছে যে এটা সম্প্ৰদায়ৰ মানুহ ঢুকি পাইছে আৰু কথাটো কেইবাবাৰো উচ্চাৰণ কৰিছে। যিটো ডাটা দিছে মুছলমান মানুহ ১ কোটি ৬ লাখ আৰু গোটেই মিলি ১কোটি ৯০ লাখ। ১ কোটি ৬ লাখ মানে বাকী ৫০ লাখ সকলোৱে পাব লাগে। ২০১১ ৰ পৰা ২০১৬ লৈকে মই বিধায়ক আছিলো। এইবোৰ কথা আগতেও আলোচনা হৈছিল। কিন্তু যিহেতু Others minority মাত্ৰ ১৫ লাখ। তেখেতে শব্দটো উল্লেখ কৰা নাই কিন্তু কোনোবা বিশেষ সম্প্ৰদায়ে যদি পাইছে তেখেত সকলৰ Right আছিল, পাইছে। এই কথাটো বাবে বাৰে মন্ত্ৰী মহোদয়ে উল্লেখ কৰি আছে গতিকে এই শব্দটো উঠাই দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Your point is noted. I will do it. তেখেতে ক'ব বিচাৰিছে যে, আমাৰ Total population ১ কোটি ৬ লাখ ৭৯ হাজাৰ ৩৪৫ জন। সংখ্যালঘুৰ সংখ্যা ১ কোটি ১৯ লাখ বুলি কৈছে যিহেতু Majority Group এটা জনগোষ্ঠী গতিকে তেওঁলোকে বেছি পাইছে। Next, point of order.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ point of order টো হ'ল ছাৰ, মন্ত্ৰী মহোদয়ে ইয়াত প্ৰশ্নৰ উত্তৰত যিটো কথা কৈছে, আমি দেখা পাইছো District ৰ পৰা যিবিলাক Scheme , DLC Meeting য়ে Recomand কৰি পঠায়, যেনে Skill Development Training Centreবা Computer Education Centre সেইবোৰ Sanction নহয়, এইবোৰ যাতে মন্ত্ৰী মহোদয়ে চকু দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Sanctio হ'ব লাগে যাতে Self Employment Generate হয়। মন্ত্ৰী ডাঙৰীয়া, আপুনি এই সম্পৰ্কত বিধায়ক সকলৰ লগত এখন মিটিং দিব।

**শ্ৰী অশোক সিংহাল (ঢেকীয়াজুলি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ মাধ্যমত মই মন্ত্ৰী মহোদয়ক সৰু এটা Suggestion দিব বিচাৰিছো যে ১ কোটি ৬ লাখ যদি ইছলাম ধৰ্মালম্বী লোক আছে আৰু ১৫ লাখ বিভিন্ন যেনে-বৌদ্ধ, শিখ, জৈন, পাৰ্চী আদি আছে আচল অৰ্থত যদি Minority ক'ব লাগে বৌদ্ধ, শিখ, জৈন, পাৰ্চী হে Minority হয়। তেখেতসকলক প্ৰথম স্থান দিব লাগে বুলি মই ক'ব বিচাৰিছো। ------- হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** নন্দিতা দাস, আপুনি পিছত ক'ব। মই আপোনাক কোৱা নাই ৰূপজ্যোতি কূৰ্মীক

এইটোৰ দায়িত্ব দিছো। প্ৰথমতে ইজনে আনজনৰ প্ৰতি সন্মান থাকিব লাগিব, আমাৰ শুনাৰো ধৈৰ্য্য লাগিব। তেখেতে কৈছে, মই কথাটো clear কৰি দিছো যে, ইয়াত ইমানখিনি মানুহ আছে গতিকে দেখা গল যে এই মানুহখিনিৰ মাজত এটা major percentage এটা সম্প্ৰদায়ৰ মানুহ। তেওঁ কৈছে যে আমি Minority বুলি ক'লে তেওঁলোকক নিদি এওঁলোকক হে দিয়া হয়। সংবিধানেতো কোৱা নাই। তেওঁ কোৱা কথা এটা আপুনি ইমান React কিয় কৰিছে? এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় যিটো বিষয় ক'লে এইটো আজিৰ দিনটোৰ Record ত নিশ্চয় থাকি যাব সেইকাৰণে মই এই বিষয়টো আনিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** I will see. যিখিনি ammend কৰিব লাগে মই কৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** ছাৰ, মৰিয়নী সমষ্টিৰ সোনোৱাল চাহ বাগিছাৰ এজনী ছোৱালী B.Sc (Nursing) কৰি এতিয়া চাকৰি কৰিবলৈ কেইদিনমানহে বাকী আছে। খ্ৰীষ্টান সমাজৰ সমাজৰ চাহ বাগানৰ এজনী আদিবাসী ছোৱালীয়ে পোৱাৰ পিছত আজিলৈকে কোনো জনগোষ্ঠী সম্প্ৰদায়ৰ মানুহে পোৱা নাই বা খ্ৰীষ্টান বৌদ্ধিষ্টে পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে যিটো তথ্য দাঙি ধৰিলে তেখেতে আচলতে তাৰ জৰিয়তে কি বুজাব বিচাৰিছে? অলপমান মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সেইবোৰ জানিব বিচাৰিলে সদন সুচাৰুৰূপে নচলে। এতিয়া মামুন ইমদাদুল হ'ক, আপোনাৰ point টো কওঁক।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে যি উত্তৰ দিছে, তাৰ ওপৰত মই এটা percentage উলিয়াইছো। অসমত ২০১১ চনৰ census মতে ৩৪.২% ইছলাম ধৰ্মালম্বীৰ লোক আৰু ৩% খ্ৰীষ্টান ধৰ্মালম্বীৰ লোক আছে। পৰিশিষ্ট **'ক'** - "Char Areas Development, Assam"ত আমি দেখিবলৈ পাইছো যে ৩৪.২% ৰ সৰহ সংখ্যক লোক চৰ অঞ্চলত থাকে আৰু এই লোক সকলক bicycle, umbrella, e-rickshaw আদি দি mainstream ত অনাৰ বাবে সদনত ডাঙৰ ডাঙৰ কথা কওঁ, তেন্তে কেনেকৈ হ'ব অধ্যক্ষ মহোদয়? গতিকে, আমি এই ৩৪.২% লোকক বাদ দি চলিব নোৱাৰো। এই মানুহখিনিক আমি ল'ব লাগিব। আমি এতিয়া বিধায়ক হ'লো, কিন্তু minority-majority issue আমাৰ জন্মৰ আগৰ পৰাই চলি আছে। সেয়েহে অধ্যক্ষ মহোদয়, minority-majority ৰ issue টো বাদ দি co-existence হ'ব লাগে। সংখ্যালঘু-সংখ্যাগুৰুৰ সন্মানজনক সহ অৱস্থান হ'ব লাগে। এটা জাতি, যাৰ ৩৪.২% জনসংখ্যা আছে, তেনে এটা জাতিক আপোনালোকে এখন ই-ৰিক্সা, এখন চাইকেল দি সকলো দিয়া বুলি কৈছে। সংখ্যালঘুৰ প্ৰতি ইয়াত যিধৰণৰ মন্তব্য ৰখা হয়, তেনেধৰণৰ কথাই আমাৰ মনত আঘাত দিয়ে অধ্যক্ষ মহোদয়। সেই মানুহখিনিক আপোনালোকে আস্থাত লওঁক। অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ বৈশিষ্ট এনেধৰণৰ যে, এটা অঞ্চলত যদি এটা বছৰ চৰ থাকে পিছৰ বছৰ আকৌ তাত চৰ নাথাকে। যাৰ ফলত চৰ অঞ্চলত বসবাস কৰা লোকসকল movable হয়। মই প্ৰায় তিনি বছৰ মান আগত, শূন্যকালীন ঘণ্টাত চৰ অঞ্চলত survey কৰিব লাগে বুলি এটা বিষয় আনিছিলো। মই ভাৱো, এই survey কৰিলে আমাৰ জনসংখ্যাৰ সমস্যা ৫০% সমাধান হৈ যাব আৰু আমাৰ যিবোৰ ভুল বুজাবুজি আছে সেইবোৰো নিশ্চিত ভাৱে সমাধান হৈ যাব। যেতিয়া নদীয়ে এটা অঞ্চলৰ চৰ বেলেগ কৰি লৈ যায় তেতিয়া এই survey ৰ ৰিপৰ্টে সেই লোকসকলক Internally displaced people বুলি স্বীকৃতি দিব পাৰিব। ধন্যবাদ।

**শ্ৰী শিলাদিত্য দেৱ (হোজাই)ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে, পূৰ্বতে এটা শ্ৰেণীৰ লোকে সুবিধা পাইছিল আৰু অন্য লোকে নোপোৱাৰ কথা মন্ত্ৰী মহোদয়ে যি কৈছে আৰু ইয়াৰ মাজতে অধ্যক্ষ মহোদয়, আপুনি যে ক'লে, আজি শুক্ৰবাৰ, এই গোটেইখিনি কথা মই বুজি নাপালো।

**মাননীয় অধ্যক্ষঃ** শুক্ৰবাৰে আমাৰ সময় কম থাকে। এই কথাটো সকলোৱে বুজি পায়। আপুনি বুজি নাপাবলৈ বিশেষ একো নাই।

এতিয়া, মন্ত্ৰী ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী ৰঞ্জিৎ দত্ত(হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি তেৰছ গোৱালা ডাঙৰীয়াৰ প্ৰশ্নৰ ভিত্তিত বিভিন্ন জন সদস্যই ইয়াত প্ৰশ্ন কৰিছে। অধ্যক্ষ মহোদয়, অসমত ১ কোটি ১৯ লাখ ৪৬ হাজাৰ ৮২৬ জন সংখ্যালঘু লোক আছে। নৰেন্দ্ৰ মোডী ডাঙৰীয়া ভাৰতৰ প্ৰধান মন্ত্ৰী হোৱাৰ পিছত আমাৰ এটাই শ্ল'গান আছিল যে-'সবকা সাথ সবকা বিকাশ' আৰু এই শ্ল'গানৰ আধাৰতেই আমি কাম কৰি আগুৱাই গৈ আছো। আমাৰ নৰেন্দ মোডী আৰু সোণোৱাল নেতৃত্ব চৰকাৰে প্ৰথমবাৰৰ বাবে এজন অসমীয়া লোকৰ হাতত এই বিভাগটোৰ দায়িত্ব অৰ্পণ কৰিছে যাৰ ফলত ইয়াত কামো হৈছে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

সংখ্যালঘু লোকৰ উপৰিও অসমত খুব কম সংখ্যক খ্ৰীষ্টান, শিখ, পাৰ্চী, বৌদ্ধ, জৈন সম্প্ৰদায়ৰ লোক আছে। গতিকে এই লোকসকল নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ থাকিব লাগে নেকি?

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** আপোনালোক সকলো বহক। আমি সকলোৱে পৰিৱেশটো শান্তিপূৰ্ণ ভাৱে ৰাখিব লাগিব। এতিয়া, শূন্যকালীন ঘণ্টাত কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই ক'ব। তাৰ আগতে, বিৰোধী দলপতি ডাঙৰীয়াই কিবা ক'ব বিচাৰিছে।

**মাননীয় বিৰোধী দলৰ দলপতিঃ** অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ চলিত অধিবেশনৰ অন্তিম দিনত মহামানৰ মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে এটা বিশেষ আলোচনাৰ অয়োজন কৰাৰ বাবে আপোনাক অশেষ ধন্যবাদ যাচিলো। সদনত আপোনাৰ আসনৰ ওপৰতো মহাত্মা গান্ধীয়ে গীতা লৈ থকা ফটো আছে। তেখেতক আমি সকলোৱে জাতিৰ পিতা বুলি কওঁ। কিন্তু অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় গম পাইছে, যোৱাকালি ভাৰতৰ সংসদত এগৰাকী সাংসদে, মই নাম উল্লেখ কৰিব বিচৰা নাই, নাথুৰাম গড্‌চেক দেশভক্ত বুলি কোৱাৰ বাবে বি.জে.পি দলে তেখেতৰ ওপৰত ব্যৱস্থা লৈ আছে, তেখেতক Defence Committeeৰ পৰাও আঁতৰাই দিব বিচাৰিছে। এনেধৰণৰ মন্তব্য আমাৰ সমাজৰ বাবে হানিকাৰক, এনেদৰে wrong message যাব, এনে মন্তব্যৰে তেখেতে কি মতাদৰ্শ দেখুৱাব বিচাৰিছে সেইটো অতি উদ্বেগজনক। অধ্যক্ষ মহোদয়, ঠিক তেনেদৰে, আমাৰ বিধান সভাৰ এগৰাকী বিধায়কেও যোৱাকালি নাথুৰাম গড্‌চেক দেশভক্ত বুলি কৈছে।

**মাননীয় অধ্যক্ষঃ** এইটো আজি নালাগে । এই বিষয়ে আজি আলোচনা কৰিব নিবিচাৰো ।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

এতিয়া শূন্যকালীন ঘণ্টাত কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**(সদনত মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় উপবিষ্ট)**

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,দৈনিক যুগশঙ্খ

পত্রিকায় প্রকাশিত করিমগঞ্জে কেমিক্যালের অভাবে বন্ধের মুখে পাণীয় জল পৌরসভাকে চিঠি পি এইচ ই এর। অধ্যক্ষ মহোদয় বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয় আমাদের করিমগঞ্জের ওয়াটার সাপ্লাই প্লেন্ট সেটা কমিশন হয় **১৯৬৭-৬৮** এ। ডিজাইন করা হয়েছিল **৩০** বছরের জন্য এবং তাতে উপকৃত হয়েছিল **৪৫** হাজার মানুষ। **২.৫** এমজিডি এই পরিমানের জল সরবরাহ করা হয়েছিল। কিন্তু আজ **৩০** বছর অতিক্রম করে প্রায় **৫১** বছর চলছে সেই আগের যে ওয়াটাৰ সাপ্লাই প্লেন্ট ছিল, সেই ওয়াটার সাপ্লাই দিয়েই কাজ চলছে। আগে **৪৫** হাজার জনসাধারণকে সেটা দিয়ে কাভার করা হত। বর্তমান সময়ে **১** লক্ষ জনসাধারণ কভার করা হয় সেই ওয়াটার সাপ্লাই প্লেন্ট দিয়ে। জনসাধারণ বৃদ্ধি হয়ে **৪৫** হাজার থেকে **১** লক্ষ হয়েছে কিন্তু ওয়াটার সাপ্লাইর কোন উন্নতি করা হয়নি। তার ফলে প্রায়ই দেখা যায় পিএইচইর ক্লাস্টার পাইপগুলো ভেঙে যায় এবং আমাদের জল পরিসেবা বন্ধ হয়ে যায়। সেই কথাগুলো বিধানসভায় অনেকবার উত্থাপন করেছিলাম এবং সেই মর্মে ডিপিআর ও বানানো হয়েছিল **৫৯** কোটি টাকার। আমাদের করিমগঞ্জের জল পরিষেবা যখন বন্ধ থাকে তখন **১** লক্ষ মানুষের কিভাবে হাহাকার পরিস্থিতি সৃষ্টি হয়। বর্তমান **২**মাস থেকে আমাদের জেলার ভয়াবহ অবস্থা। আমি প্রিন্সিপ্যাল সেক্রেটারী ,চিফ ইঞ্জিনয়ার, বিভাগীয় আধিকারিক এমনকি পিএইচই মিনিষ্টারের সঙ্গে যোগাযোগ করি। আমাদের জেলায় কেমিক্যালের অভাব। বিগত **২০০১**সাল থেকে **২০১৫** অবধি আমাদের সরাকার ছিল। সেই সরকার থাকার সময় আমাদের একদিনের জন্যও পানীয় জলের অভাব হয়নি। কিন্তু বর্তমানে এই সরকার প্রতিষ্ঠিত হওয়ার পর **২** মাস থেকে আমাদের কেমিক্যাল নেই। আমাদের আগে যে পরিমানে কেমিক্যাল পাঠানো হত এখন সেই পরিমানে পাঠানো হয় না। মিউনিসিপালিটি এই শহরের ওয়াটার সাপ্লাই প্লেন্টটা পরিচালনা করে। কিন্তু আপনাদেরকে আমি বলতে চাই যে বিগত **২০০১** সাল থেকে **২০১৫** সাল অবধি আমাদের সরকার ছিল আমরা সরকার থেকে কেমিক্যাল পাঠিয়েছিলাম। কিন্ত দুঃখজনক বিষয় আমাদের এই ওয়াটার সাপ্লাই প্লেন্টটাকে জল সরবরাহ করার জন্য **৫** থেকে **৭** লক্ষ টাকার কেমিক্যাল লাগে মাসে। কিন্তু বিগত দুই মাস থেকে আমাদের এই সরকার কেমিক্যালর যোগান দিতে পারছে না। তারজন্য আমাদের করিমগঞ্জে জল সরবরাহ বন্ধ। আমি মিউনিসিপালিটিতে যোগাযোগ করেছি, আপনাদের সাথে যোগাযোগ করেছি, আপনারা বলছেন কাল আমরা পাঠিয়ে দিচ্ছি। কিন্তু বিষয়টা হচ্ছে আপনারা আজ পাঠাবেন, কাল পাঠাবেন বলে পাঠাচ্ছেন না সেইজন্য **২**মাস থেকে আমাদের শহরে জল সরবরাহ বন্ধ তারজন্য আমাদের শহরের জনসাধারণের কি ভয়াবহ অবস্থা। উপধ্যক্ষ মহোদয়,আমরা বেশি কিছু চাই না, আমরা চাই আগে যে পরিমাণে কেমিক্যাল পাঠানো হত সেই পরিমাণে পাঠানো হোক আর আপনারা যদি না পারেন তাহলে বলুন আমি বিধায়ক হিসাবে যে সেলারি পাই সেই সেলারি থেকে **৫০** শতাংশ আমি দিয়ে দেব। আমাদের করিমগঞ্জ শহরের পানীয় জল সরবরাহ সঠিক করুন। আপনারা বলে থাকেন সবকা সাথ, সবকা বিকাশ। আপানারা বলে থাকেন টিম ইণ্ডিয়ার কথা। সবকা সাথ সবকা বিকাশের কথা বলা হয়, আমাদের বরাক ব্রহ্মপুত্র পাহাড় ভৈয়ামের কথা বলা হয়। আমাদের করিমগঞ্জ শহরের এই মিউনিসিপালিটি **১০০** বছরের পুরানো। আমরা **১০০** বছর উদযাপন করলাম। কিন্তু বর্তমান সরকার আসার পর আমরা আমাদের শহরে জল সরবরাহ ঠিকঠিক ভাবে করতে পারছিনা। উপাধ্যক্ষ মহোদয় আজ দুঃখের সাথে বলতে হচ্ছে কথাগুলো। বিশেষ করে আমরা সবাই জানি যে জলের অপর নাম জীবন। জল ছাড়া আমরা বাঁচতে পারিনা। কিন্তু আজ একটা কল্যাণকামী রাষ্ট্রের সরকারের মুখ্য উদ্দেশ্য হচ্ছে যে আমারা জনসাধারণকে

ঠিকঠাক ভাবে জল সরবরাহ করব। কিন্তু এই কল্যাণকামী রাষ্ট্রে আমরা দেখতে পাচ্ছি জনসাধারণকে জল সরবরাহ করতে আমাদের বর্তমান সরকার ব্যর্থ। উপাধ্যক্ষ মহোদয়, আপনার তরফ থেকে আমি মন্ত্রী মহোদয়কে অনুরোধ করতে চাই। আমার দুটো পরামর্শ দেব, মন্ত্রী মহোদয়কে। প্রথমটি হল , যে **৫৬** কোটি টাকার যে প্রস্তাব পাঠানো হয়েছে সেটাকে অবিলম্বে তরান্বিত করে কাজটা শুরু করা হোক। কারণ আপানারা তো পরিবর্তন করতে চান, পরিবর্তনই যদি করতে চান তাহলে সেই নাকি পরিবর্তনের নমুনা যে পরিবর্তনে মানুষ জল পায়না, যে পরিবর্তনে মানুষকে জলের জন্য মৃত্যুবরণ করতে হচ্ছে, সেটাই কি পরিবর্তনের নমুনা ? আর দ্বিতীয়ত আমি বলতে চাই কেমিক্যালের অভাবে যে জল সরবরাহ বন্ধ আছে, আমার অনুরোধ থাকবে যে, পুনরায় সেই পরিমাণে কেমিক্যাল . সরবরাহ করা হোক। **৫** বা **৭** লাখ টাকার কেমিক্যাল যদি সরবরাহ করতে না পারেন তাহলে উন্নতির কথা বলে লাভ নেই। তাই আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি যে আমরা যাতে সদোত্তর পাই, আবার কবে কেমিক্যাল পাঠানো হবে ? আমরা কবে থেকে আগের মত দুবেলা জল পাব ?আমরা আগে দুবেলা জল পেতাম এখন আমার একবেলাও সঠিক ভাবে জল পাইনা। তাই করিমগঞ্জ শহরের মানুষ কবে থেকে সঠিক ভাবে পানীয় জলের সাপ্লাই পাবে। সেই কথাগুলো পরিষ্কারভাবে আমরা জানতে চাই। আর আমি জানি যে আপনি একজন শক্তিশালী মন্ত্রী। শক্তিশালী মন্ত্রী হওয়া সত্বেও কেন আমরা জল পাচ্ছিনা ? জল না পাওয়ার কারণ কি ?সেটাই জানতে আপনার কাছে অনুরোধ করছি। উপাধ্যক্ষ মহোদয় আমি ছোট্ট একটা গল্প বলে শেষ করছি। যে একজন ভিখারী খুব ঠাণ্ডার সময় কোটিপতি একজন মানুষের বাড়ীর সামনে গিয়ে বসে থাকতো। কোটিপতি মানুষ যখন দেখতে পেল যে এই ভিখারী মানুষ টা খুব ঠাণ্ডায় মরে যাবে, তখন কোটিপতি মানুষটি বলল যে আপনি এত ঠাণ্ডার মধ্যে বসে আছেন, আমি ভেতর থেকে একটা গরম কাপড় এনে দেই । তখন ভিখারী বলল যে আমার দরকার নেই। আমার মোটামোটি ঠাণ্ডা অভ্যাস হয়ে গিয়েছে। আমার লাগবে না। কোটিপতি মানুষটি বলল না না আমি নিয়ে আসছি, আপনি অনেক কষ্ট করেছেন। তখন সে ভেতরে গেল। কিন্তু ভেতর থেকে আর আসল না। সে ভুলে গেল সেখানে গিয়ে। সকালে এসে দেখলো সেই ভিখারী মানুষটি মারা গিয়েছে। হাতের মধ্যে একটা স্লিপ আছে, সেই স্লিপে লেখা ছিল কোটিপতি মানুষের উদ্দেশ্যে। আপনারা যতদিন পর্যন্ত আমাকে আশ্বাস দেন নি ততদিন পর্যন্ত আমি ঠিকই ছিলাম। আমার মনে সেই শক্তি ছিল। রেজিসটেন্স ক্ষমতা ছিল আমার মধ্যে কিন্তু আপনি যখন আশ্বাস দিলেন আমাকে কম্বল দেবেন বলে, তখন আমি সেই ক্ষমতা হারিয়ে ফেললাম। আমি আর সহ্য করতে পারছি না। সেইজন্য আমি মৃত্যুবরণ করছি। তাই আমি বলতে চাই আশ্বাস দিয়ে যেন সেটাকে পূর্ণ করা হয়। পরিবর্তনের আশ্বাস দিয়ে আপনারা চিন্তা করবেন না। সেটা হয় না। সেই কারণে আমরা আজকে পাণীয় জল পাচ্ছি না। আমরা জানতে চাই কবে থেকে দুই বেলা পাণীয় জল পাব। সেটা পরিষ্কার ভাবে আমি মন্ত্রী মহোদয়ের কাছে জানতে চাই। ধন্যবাদ।

**মাননীয় উপাধক্ষ্য ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী ৰিহণ দৈমাৰী (জলসিঞ্চন, কাৰিকৰী ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধক্ষ্য মহোদয়, আমাৰ মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই **“দৈনিক যুগশঙ্খ বাতৰি”**ৰ লগত সংগতি ৰাখি কৰিমঞ্জৰ যি Water Supply Scheme ত কেমিকলৰ অভাৱ, যাৰ বাবে ৰাইজে খোৱা পানী পোৱা নাই। এই কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে। মাননীয় মুখ্য মন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে অসমৰ ৰাইজক আশ্বস্ত কৰিছে যে আমি যিকোনো সমস্যাৰ সন্মুখীন

হ'লেও আমি যিকোনো প্ৰকাৰে সেই সমস্যাবোৰ সমাধান কৰিবলৈ চেষ্টা কৰিম আৰু কৰি আহিছো। এই ক্ষেত্ৰত মই কেইটামান কথা অলপ স্পষ্ট কৰিব বিচাৰিছো যে কৰিমগঞ্জ পাইপ পানী যোগান আঁচনিটো ১৯৬৭ চনত নিৰ্মাণ হৈছিল আৰু বৰ্তমানৰ কৰিমগঞ্জ চহৰ খন তেতিয়া গাওঁ আছিল। জনস্বাস্থ্য কাৰিকৰী বিভাগে আঁচলতে অসমৰ গাওঁ অঞ্চলতহে পানী যোগান দিয়ে। নগৰ অঞ্চলৰ কাৰণে নহয়। এতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত প্ৰায় ১৩ টা নগৰ পানী যোগান আঁচনিৰ ব্যৱস্থা আছে। সেই ১৩খন চহৰ সময়ত গাওঁ আছিল আৰু বৰ্তমান চহৰ হৈছে। সেইকাৰণে আমি বাৰে বাৰে আমাৰ যিবিলাক মিউনিচিপালিটি বোৰ্ড আছে, আমি তেওঁলোকক অনুৰোধ কৰি আহিছো যে, যিহেতু জনস্বাস্থ্য কাৰিকৰী বিভাগে কেৱল গ্ৰাম্য অঞ্চলতহে খোৱা পানীৰ ব্যৱস্থা কৰি দিয়ে, চহৰ অঞ্চলত নহয়, মিউনিচিপালৰ যোগেদি এই আঁচনিবিলাক চলাব লাগে আৰু সেই কাৰণে মিউনিচিপাল কমিটী আৰু বোৰ্ডবিলাকে এই আঁচনিটো গ্ৰহণ কৰিব লাগে। যাতে তেওঁলোকে সুন্দৰভাৱে চলাব পাৰে। এতিয়া আমাৰ বিভাগৰ এই ১৩ খন আঁচনিৰ বাবে সীমিত বাজেট আছে। এই সীমিত পুঁজিৰে আমি এই আঁচনিখন চলাই আছো। সেইকাৰণে আমি কৰিমগঞ্জ মিউনিচিপাল বোৰ্ডৰ লগত আলোচনা কৰিছিলো আৰু এইবাৰোএই আঁচনিখন যিহেতু ১৯৬৭ চনত নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ লাইফ নাই। গতিকে মই মাননীয় বিধায়ক ডাঙৰীয়ক অনুৰোধ কৰিছো যে আপোনালোকে নতুন আঁচনি লোৱাৰ বাবে মিউনিচিপালিটি বোৰ্ডৰ যোগেদি প্ৰস্তাৱ প্ৰেৰণ কৰক আৰু আপোনালোকে Urban Development Board ৰ লগত ইয়াৰ বাবে যোগাযোগ কৰিব লাগিব। জনস্বাস্থ্য কাৰিকৰী বিভাগে নতুন প্ৰস্তাৱ পঠিয়ালেও সেই আঁচনিটোৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা চেংচন নাপাওঁ, কাৰণ যিহেতু আমি গ্ৰাম্য অঞ্চলৰহে কাম কৰো। তথাপিও আমি এই কৰিমগঞ্জৰ পানী যোগান আঁচনিটো যেনেতেনে হলেও চলাই আছো। ইয়াত যিটো কেমিকলৰ অভাৱৰ কথা কৈছে, আচলতে কেমিকলৰ অভাৱ হোৱা নাই আৰু স্কীম বন্ধ হোৱা নাই । ৰাইজে পানী পাই আহিছে। আমাৰ টেণ্ডাৰ দিওঁতে পলম হোৱাৰ বাবে কেমিকল দিওঁতে অলপ পলম হৈছে। এতিয়া কৰিমগঞ্জ চহৰ খন অলপ ডাঙৰ হৈছে জনসংখ্যাও বহুত বৃদ্ধি হৈছে। সেইকাৰণে এই সৰু স্কীমেৰে গোটেই কৰিমগঞ্জ চহৰখন সামৰি লোৱাটো সম্ভৱ নহয়। সেইকাৰণে নতুন আঁচনি তাত গ্ৰহণ কৰিব লাগিব আৰু এটা কথা মই অনুৰোধ কৰিম যিহেতু এই চৰকাৰে ৰাইজক পানী দি আহিছে গতিকে ৰাইজে এই আঁচনিখন নিজৰ বুলি গ্ৰহণ কৰিব লাগিব। তাৰ বাবে কিছু টেক্স দিব লাগে। আমি ইতিমধ্যে House Connection কৰি দিবৰ বাবে অনুৰোধ কৰিছো। এই House Connection কৰি দিয়াৰ বাবে কিছু টেক্স আহিব লাগিব। যিটো আমি Maintance ত খৰছ কৰিব পাৰো। ইতিমধ্যে চহৰত থকা বহু আঁচনিত এইবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়া মই মাননীয় বিধায়কৰ যোগেদি অনুৰোধ কৰিম যে মিউনিচিপাল বোৰ্ডে যিখিনি connection কৰি মাহত অন্ততঃ কিছু বৰঙণি দিয়ে। যাতে আমি তাৰ পৰা Maintance ৰ খৰছটো কিছু পৰিমাণে উলিয়াব পাৰো। ইতিমধ্যে আমাৰ নগৰীয়া পানী যোগান আঁচনিসমূহৰ বাবে মাত্ৰ ২০ কোটি টকাৰ আবণ্টণ আমি এই বাজেটত পাইছো আৰু তাৰ ভিতৰত কৰিমগঞ্জত পানী যোগান ব্যৱস্থাটো চলাই আছো। কৰিমগঞ্জত প্ৰতি মাহত ১৯.৮০ মেট্ৰিকটন কেমিকেল লাগে, ১০ টন চূণ লাগে, ৩.৫০ ব্লিচিং পাউডাৰ লাগে। এইটো বহুত ডাঙৰ সংখ্যা আৰু সেই বাবে ইয়াত খৰছ অতি বেছি হয়। ২০ কোটি টকা আমি ১৩ টা আঁচনিৰ মাজত ভাগ কৰি দিছো। সেই বাবে ৯০ লাখ টকা আমি বছৰি কৰিমগঞ্জত দিব পাৰো। তথাপিতো আমি স্কীমটো চলাই আছো আৰু ভৱিষ্যতেও চলাই থাকিম। কেৱল মই এটাই অনুৰোধ কৰিম যে মিউনিচিপাল বোৰ্ডে কৰিমগঞ্জত নতুন স্কীম লবৰ বাবে চেষ্টা

কৰে। যাতে আমি ভৱিষ্যতে গোটেই কৰিমগঞ্জৰ ৰাইজক পানী যোগান দিব পাৰো। বাকী যিখিনি সময় আছে সেই সময় খিনিত আমি যেনে তেনে হলেও পানী যোগান ব্যৱস্থাটো চলাম। কিন্তু মই নাভাৰো যে আৰু কিমান দিনলৈ এই ধৰণে পানী যোগানৰ ব্যৱস্থাটো আমি চলাই থাকিব পাৰিম। আমাৰ চৰকাৰৰ ইয়াৰ বাবে দায়িত্ব আছে আৰু কোনো কেমিকলৰ কাৰণে সেই স্কীমটো বন্ধ নহয়। কেৱল তাৰ বাবে ৰাইজক সজাগ কৰিব লাগিব আৰু মিউনিচিপালিটি বোৰ্ডে নতুন স্কীম আনিবৰ বাবে চেষ্টা কৰিব লাগিব। দুই-এদিনৰ ভিতৰতে যিখিনি কেমিকলৰ অভাৱ হৈছে, সেইখিনি পঠাই দিয়াৰ বাবে ব্যৱস্থা কৰা হ'ব। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কৈছে ভালে কৈছে, আৰু এটা কথা হৈছে আমি betterment tax পাৰ হ'ল ৫০ টকাকৈ দি থাকো পৌৰনিগমক। প্ৰথম কথা সেইখিনি টকা সিহঁতে নিদিয়ে, আৰু দ্বিতীয়তে পৌৰনিগমৰ যোগেদি Urban development board ক আমি ৫৯ কোটি টকাৰ প্ৰ'পোজেল পঠাইছিলো । আজিলৈকে কিন্তু অনুমোদন হোৱা নাই। কেতিয়া অনুমোদন হ'ব বা এইটোৰ কাৰণে যে মানুহে পানী নাপাব এনেকুৱা কোনো কথা নাই। পানীটো যাতে নিয়মিত থাকে, আৰু কেমিকেলৰ কাৰণে যিটো বন্ধ হৈ আছে আজিৰ পৰাই যাতে দুবেলাকৈ পানী আমি পাওঁ সেইটোকে মন্ত্ৰী মহোদয়ৰ আমি দৃষ্টি আৰ্কষণ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব, মন্ত্ৰীয়ে উত্তৰ দিছে। এতিয়া মই মাননীয় সদস্য শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু শ্ৰী মামুন ইমদাদুল হক চৌধূৰীক ২৮-১১-২০১৯ তাৰিখৰ "নিয়মীয়া বাৰ্তা আৰু দৈনিক অগ্ৰদুত " বাতৰি কাকতত প্ৰকাশিত " স্ক্ৰেপৰ ৰূপত বিক্ৰী হ'ব নগাওঁ - কাছাৰ কাগজ কল" আৰু "দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ", সম্পৰ্কত এজন এজনকৈ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। এতিয়া মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (বড়মপুৰ) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া কাগজ কল কেইটাৰ ভিতৰত অশোক কাগজ কল কেতিয়াবাই বন্ধ হৈ গ'ল। ইয়াৰ পিছত এইচ পি চি ৰ যিকেইটা কাগজ কল আছিল, তাৰ ভিতৰত নগাওঁ জাগীৰোডৰ কাগজ কলটোৱে লাভ দেখুৱাই আছে আৰু কাছাৰ কাগজ কলটো সঠিক ভাবে পৰিচালিত হৈ আছিল। কিন্তু এতিয়া স্ক্ৰেপৰ ৰূপত বিক্ৰী হ'ব ধৰিছে, দুয়োটা কাগজ কল। কেন্দ্ৰীয় চৰকাৰৰ চৰম অনিহাৰ কৰুণ পৰিণতি এইয়া। পুনৰুজ্জীৱিতকৰণৰ সকলো পথ ৰুদ্ধ। প্ৰচুৰ সম্ভাৱনাপূৰ্ণ দুই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান নিলামৰ চূড়ান্ত নিৰ্দেশ এন চি এল টি ৰ আৰু বিজ্ঞাপন প্ৰকাশ কৰাৰ পিছতো ক্ৰয়ৰ বাবে আগবাঢ়ি নাহিল কোনো বে-চৰকাৰী সংস্থা। প্ৰধান মন্ত্ৰীয়ে ইয়াক revive কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতিও অসাৰত পৰিণত হ'ল। প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত ২ লাখ লোকৰ জীৱনলৈ আন্ধাৰ নামি আহিল উপাধ্যক্ষ ডাঙৰীয়া, এই বাতৰিটো প্ৰকাশিত হৈছিল ২৮ নবেম্বৰৰ নিয়মীয়া বাৰ্তা আৰু আন আন বাতৰি কাকতটো। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে এই সদনত এটা সময়ত প্ৰতিশ্ৰুতি দিছিল যে ইয়াক পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা কৰা হ'ব। বৰঞ্চ তাৰ ঠাইত এতিয়া নগাওঁ আৰু কাছাৰ কাগজ কল দুয়োটাই নিলামত বিক্ৰী হ'ব ধৰিছে। বাতৰিত প্ৰকাশ হৈছে উপাধ্যক্ষ ডাঙৰীয়া অসমৰ দৰে ৰাজ্য এখনৰ কাৰণে প্ৰচুৰ সম্ভাৱনা পূৰ্ণ দুই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান নগাওঁ আৰু কাছাৰ কাগজ কল ইতিহাস হোৱাটো নিশ্চিত হৈ পৰিল। নেচনেল কোম্পানী ল ট্ৰিবিউনেল অৰ্থাৎ এন চি এল টি য়ে কাগজ কল দুটা বৰ্জ ( স্ক্ৰেপ) সম্পত্তিৰ ৰূপত নিলাম কৰাৰ চূড়ান্ত নিৰ্দেশ দিছে। এন চি এল টি ৰ যোৱা ২৫ নবেম্বৰৰ এই নিৰ্দেশনা ৰাজহুৱা কৰা হৈছে আজি ইয়াৰ লগে লগে কাগজ কল দুটাৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষ

ভাবে জড়িত ২ লাখ লোকৰ জীৱনলৈ এতিয়া কাৰ্য্যতঃ অমানিশা নামি আহিল। বাস্তৱত কাগজ কল দুটা পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ চৰম অনিহা তথা কল দুটা ক্ৰয় কৰাৰ বাবে কোনো পক্ষই আগ্ৰহ নকৰা হেতু এন চি এল টি য়ে এই চূড়ান্ত নিৰ্দেশ দিবলৈ বাধ্য হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, মাজতে আমি খবৰ পাইছিলো যে বিদেশৰ পৰা এই উদ্যোগটোৰ কিছু পাৰ্টচ কিনি অনা হৈছে, সেইবিলাকৰ পেকেট খোলাই হোৱা নাই। কাগজ কল দুটা নিলাম কৰাৰ বাবে নিযুক্তি প্ৰদান কৰা লিকিউডেটৰ কুলদ্বীপ বাৰ্মালৈ এন চি এল টি য়ে নিলাম সম্পৰ্কীয় নিৰ্দেশনা প্ৰদান কৰে। উল্লেখ্য যে কাগজ কল দুটাৰ স্বত্বাধিকাৰী হিচাপে হিন্দুস্তান পেপাৰ কৰ্প'ৰেচনৰ এইচ পি চি মুল্য হৈছে এই মুহুৰ্তত – ৩১৪ কোটি টকা যাক কোৱা হয় নিগেটিভ নেট ওৱৰ্ল্ড অৰ্থাৎ এইচ পি চি ৰ স্থাৱৰ- অস্থাৱৰ সম্পত্তিৰ মূল্যত আৰু ৩১৪ কোটি টকা যোগ কৰিলেহে কোম্পানীটোৰ অনাদায় পুঁজিৰ নিষ্পত্তি ঘটিব। গুৰুত্বপূৰ্ণ কথাটো হ'ল উপাধ্যক্ষ ডাঙৰীয়া কাগজ কল দুটাৰ বিষয়া কৰ্মচাৰী সকলে যোৱা ৩৫ মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ আছে। যাৰ ফলস্বৰূপে বিনা চিকিৎসা তথা উপযুক্ত চিকিৎসাৰ অভাৱত ৬০ জন কৰ্মচাৰীৰ মৃত্যু হৈছিল। ইয়াৰ ভিতৰত তিনিজন কৰ্মচাৰীয়ে আত্মহত্যাৰ নিচিনা কঠোৰ পদক্ষেপ লবলৈ বাধ্য হৈছিল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে চলিত বছৰত ইয়াৰ পূৰ্বেও এন চি এল টি য়ে কাগজ কল দুটা নিলাম কৰাৰ নিৰ্দেশ দিছিল। পিছে এন চি এল টি ৰ উৰ্দ্ধতম কতৃপক্ষ হিচাপে এন চি এল এ টি চমুকৈ নেকলেটে নিলামৰ নিৰ্দেশনাক পৰিমাৰ্জন কৰি কাগজ কল দুটাক কাৰ্য্যক্ষম কৰিহে নিলাম কৰাৰ নিৰ্দেশ দিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে কাগজ কল দুটা বে-চৰকাৰী সংস্থাক বিক্ৰী কৰাৰ বাবে বিজ্ঞাপনো প্ৰকাশ কৰিছিল। পিছে নিৰ্ধাৰিত সময়ৰ ভিতৰত বে-চৰকাৰী কোনো পক্ষই কাগজ কল দুটা ক্ৰয়ৰ আগ্ৰহ প্ৰকাশ নকৰাৰ বাবে এন চি এল টি য়ে এতিয়া বাধ্য হৈ বৰ্জ সম্পত্তিৰ তালিকা ভুক্ত কৰি নিলাম কৰাৰ চূড়ান্ত নিৰ্দেশ দিয়ে। বাস্তৱত এন চি এল টি ৰ এই নিৰ্দেশনাই কাগজ কল দুটাৰ পুনৰুজ্জীৱিত কৰণৰ সকলো বাট ৰুদ্ধ কৰি পেলালে। এতিয়া বিদেশৰ পৰা ক্ৰয় কৰা কল দুটাৰ বহুমূলীয়া যন্ত্ৰ-পাতি বৰ্জ সম্পত্তিৰ আকাৰত নিলামৰ জড়িয়তে বিক্ৰী কৰা হ'ব। উপাধ্যক্ষ ডাঙৰীয়া, এই বিলাক খোলাই নাই। ইতিমধ্যে পেক হৈ আছে। পৰিতাপৰ বিষয়টো হৈছে মাত্ৰ ৯৮ লাখ টকা অনাদায়ৰ বাবে নিলাম কৰা হ'ব ৰাষ্ট্ৰীয় সংস্থা এইচ পি চি ৰ অধীনস্থ কাগজ কল দুটা। কাগজ কল দুটাক ধাতুৰ যোগান ধৰা এটা কোম্পানীৰ বকেয়া ৯৮ লাখ টকা প্ৰদান কৰাত এইচ পি চি ৰ ব্যৰ্থতাৰ বাবেই এন চি এল টি য়ে প্ৰথমতে চলিত বছৰৰ ২ মেত কল দুটা নিলাম কৰাৰ নিৰ্দেশ দিছিল। তদুপৰি যোৱা ১০ নবেম্বৰত পদত্যাগ কৰা কেন্দ্ৰীয় গুৰু উদ্দ্যোগমন্ত্ৰী অৰবিন্দ সাৱন্তে লোকসভাৰ মজিয়াত জনাইছিল যে যোৱা চাৰি বছৰত এইচ পি চি ক কেন্দ্ৰীয় চৰকাৰে ৪,১৪১ কোটি টকা আগবঢ়াইছিল। সাৱন্তে প্ৰদান কৰা তথ্য অনুসৰি এইচ পি চি ৰ অধীনত থকা অসমৰ কাগজ কল দুটাৰ বাবে ২০১৪-১৫ বিত্তীয় বৰ্ষত ১,১৪১ কোটি টকা আৰু ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা ২০১৭-১৮ বিত্তীয় বৰ্ষলৈকে প্ৰতি বছৰত ১০০০ কোটি টকাকৈ কেন্দ্ৰই বিনিয়োগ কৰিছিল। কাগজ কল দুটা দীৰ্ঘ দিন ধৰি বন্ধ হৈ থকাৰ পাছতো উক্ত বৃহৎ পৰিমানৰ পুঁজি ক'ত ব্যয় কৰিছিল, তাৰ কোনো সুদুত্তৰ আজিলৈকে কেন্দ্ৰীয় চৰকাৰে দিব পৰা নাই। আনকি কাগজ কল দুটাৰ প্ৰায় ১২০০ কৰ্মচাৰীৰ দৰমহা যোৱা ৩৫ মাহ ধৰি প্ৰদান কৰা নাছিল। এতিয়া পেঞ্চনৰ উপৰি সঞ্চিত ভৰিষ্যনিধিৰ ( পি এফ ৰ) পৰাও কৰ্মচাৰী সকল বঞ্চিত হোৱাটো নিশ্চিত। চলিত বছৰৰ ১৯ জুনত তৎকালীন কেন্দ্ৰীয় গুৰুউদ্দ্যোগ মন্ত্ৰী সাৱন্তক সাক্ষাৎ কৰি অসমৰ বি জে পি সাংসদ সকলে দাবী কৰিছিল যে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ অংশীদাৰিত্বত (পি পি পি ) কাগজ কল দুটা পুনৰুজ্জীৱিত কৰাৰ সকলো আনুষ্ঠানিকতা

সম্পন্ন কৰিছিল কেন্দ্ৰীয় চৰকাৰে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱটো কেন্দ্ৰই নীতিগতভাৱে সন্মতি ব্যক্ত কৰা বুলি সাংসদ সকলে সাংবাদিক সকলক জানিবলৈ দিছিল। ৰাজ্য চৰকাৰৰ হেনো প্ৰস্তাৱ আছিল এইচ পি চি পুনৰুজ্জীৱিতকৰণ প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰে ২৬ শতাংশ, ৰাজ্য চৰকাৰে ২৫ শতাংশ আৰু ব্যক্তিগত খণ্ডই বাকী থকা ৪৯ শতাংশত বিনিয়োগ কৰিব। পিছে এই সকলো যে আচলতে এক আভুৱা আছিল সেয়া এন চি এল টি ৰ শেহতীয়া নিৰ্দেশনাত এতিয়া স্পষ্ট হৈ পৰিছে। আনকি ২০১৪ চনৰ লোক সভাৰ নিৰ্বাচনৰ পূৰ্বে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই প্ৰদান কৰা প্ৰতিশ্ৰুতিও কাৰ্য্যত অসাৰ হ'ল। উপাধ্যক্ষ ডাঙৰীয়া এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে তেওঁলোকৰ যিটো ২৫ শতাংশ দিব লাগে সেইটো দিয়াৰ ক্ষেত্ৰত কিবা ব্যৱস্থা লৈছিল নেকি? যদি লৈছিল কেন্দ্ৰীয় চৰকাৰৰ ২৬ শতাংশ আৰু বাকী বিলাকৰ ৪৯ শতাংশ কিয় পোৱা নহ'ল এই সম্পৰ্কে ৰাজ্যচৰকাৰে কিবা কৰিব পাৰিবনে? গতিকে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা জাগীৰোড কাগজ কল, নগাও আৰু কাছাৰ কাগজ কলৰ সংক্ৰান্তত এক মতামত বিচাৰি লো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধূৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধূৰী (নাওবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৮ তাৰিখৰ দৈনিক অগ্ৰদুত কাকতৰ দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ সম্পৰ্কীয় বাতৰিটো সদনত উত্থাপন কৰিবলৈ আপুনি সুযোগ দিয়াৰ বাবে আপোনাক আমি ধন্যবাদ জনাইছো। যিখিনি কথা ক'ম বুলি ভাবিছিলো সেই প্ৰায় একেখিনি কথাই আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কৈ গ'ল। যিহেতুকে তেখেতে খুঁটি-নাটি মাৰি সকলো কথাই কৈ গৈছে গতিকে মই বক্তব্য দীঘলীয়া নকৰো, তিনি, চাৰি মিনিটতে মই শেষ কৰিম। বাতৰিৰ শিৰোনামা আছিল "দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ" তাৰে sub-title আছিল লক্ষ্যাধিক কৰ্মচাৰীৰ জীৱনলৈ অন্ধকাৰ, প্ৰক্ৰিয়া আৰম্ভ কৰাৰ নিৰ্দেশ এন চি এল টিৰ। চৰকাৰী আশ্বাস ফুটুকাৰ ফেনত পৰিণত হৈছে, অসমৰ দুটা বৃহৎ উদ্যোগৰ কফিনত শেষ গজাল। চাৰ আপোনাৰ খুব সম্ভৱ মনত আছে আজিৰ পৰা তিনি বছৰ আগত আমাৰ চেণ্ট্ৰেল হলত মাননীয় মুখ্যমন্ত্ৰীয়ে কলেজীয়া ছাত্ৰ-ছাত্ৰী সকলৰ লগত interaction কৰোতে কলেজীয়া এগৰাকী ছাত্ৰীয়ে খুব কন্দা-কটা কৰিছিল। কাৰণ এই ছাত্ৰী গৰাকীৰ পিতৃ নগাওঁ কাগজকলৰ কৰ্মচাৰী আছিল। তেখেতে কেইবাবছৰো দৰমহা নোপোৱাৰ কাৰণে ছাত্ৰী গৰাকীয়ে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক খুব অনুৰোধ কৰিছিল যে মোৰ পিতৃৰ চাকৰিটো ঘূৰাই দিয়ক। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে এই কাগজকলটো ৰিভাইভ কৰা হ'ব আৰু এই কথাটোত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে বহু মন্ত্ৰীও আছিল, তেতিয়া পেপাৰ, টি.ভি আদিত খুৱ হাই লাইট হৈছিল। এইটো হোৱাৰ প্ৰায় তিনিবছৰ পাৰ হৈ গ'ল আৰু আজি মাননীয় উদ্যোগ মন্ত্ৰী ইয়াত আছে, তেখেতে ৰিপ্লাই দিব। আজি মই আৰু মহন্ত ডাঙৰীয়াই যিটো উত্থাপন কৰিছো, ইয়াৰ আগতেও বহুতে এই বিষয়টো উত্থাপন কৰিছে সদনত। তেতিয়াও কিন্তু উদ্যোগ মন্ত্ৰীয়ে কৈছিল যে আমি এইটো ৰিভাইভ কৰিম। এতিয়া কালি যিখন পেপাৰত ওলালে প্ৰথম লাইনটো মই পঢ়ি দিছো, 'দুই লক্ষাধিক কৰ্মচাৰীৰ জীৱনলৈ অন্ধকাৰ নমাই আনি অৱশেষত হিন্দুস্তান পেপাৰ কৰ্প'ৰেছন লিমিটেড (এইছ পি চি) ৰ অধীনস্থ জাগীৰোডৰ নগাওঁ কাগজ কল আৰু পাঁচগ্ৰামৰ কাছাৰ কাগজ কল বিক্ৰী কৰিবলৈ নিৰ্দেশ দিছে ৰাষ্ট্ৰীয় কোম্পেনী আইন ন্যায়ধীকৰণ অৰ্থাৎ (এন চি এল টি)-এ'। ন্যায়াধীকৰণৰ নতুন দিল্লীস্থ শাখাই যোৱা ২৫ নৱেম্বৰত এক নিৰ্দেশ যোগে হিন্দুস্তান পেপাৰ কৰ্প'ৰেছনৰ বিক্ৰীৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এতিয়া মোৰ কথাটো হ'ল মাননীয় মুখ্য মন্ত্ৰী মহোদয় তথা মাননীয় মন্ত্ৰীয়ে এই সদনত

কৈছিল আমি ৰিভাইভ কৰিম আৰু যোৱা ২৫ নৱেম্বৰত চেণ্ট্ৰেল গভৰ্ণমেণ্টে কৈছে আমি বিক্ৰী কৰি দিম। গতিকে ইয়াৰ কোনটো কথা আমি সঁচা বুলি মানি ল'ম ? দুয়োটা পেপাৰ মিলত দুই লাখ কৰ্মচাৰী প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে। ৬০ জন কৰ্মচাৰীক ইতিমধ্যে এই পেপাৰ মিল দুটা বন্ধ হোৱাৰ পিছত তেওঁলোকে দৰমহা পোৱা নাই, ঘৰ-সংসাৰ চলাব পৰা নাই এনেকুৱা বিভিন্ন কথা পেপাৰখনত ওলাইছে। এই যি ৬০ জন কৰ্মচাৰীৰ মৃত্যু হৈছে, তাৰে তিনিজনে চুইচাইড কৰিছে এই পেপাৰ মিল দুটা বন্ধ হৈ যোৱাৰ কাৰণে। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, আপোনালোকে এই কথাটো সদনত ইলেক্শ্যনৰ আগতো কৈছিল, ইলেকশ্যনৰ পিছতো কৈছে। মই বাৰে বাৰে কৈ আছো, এতিয়া আজি যিটো আমি সদনত উত্থাপন কৰিছো, অলপ পাছতে মাননীয় মন্ত্ৰী মহোদয়ে যেতিয়া ৰিপ্লাই দিব, আমাক এটা straight forward ৰিপ্লাই লাগে, মিঠা মিঠা কথা নালাগে, লাগিলে তিতা কথায়েই হওঁক straight forward ৰিপ্লাই লাগে যে এই কাগজকল দুটা ৰিভাইভ কৰিবৰ কাৰণে তেওঁলোকে কি প্লেন ল'ব আৰু কেতিয়াৰ পৰা আৰম্ভ কৰিব। এই কথাখিনি কৈ মোৰ বক্তব্য শেষ কৰিছো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে যিটো ৪১৪১ কোটি টকা invest কৰিছিল, ক'ত invest কৰিলে, কি invest কৰিলে আমাৰ কাছাৰ কাগজ মিলে কিমান টকা পালে, যিখিনি টকা পালে আমাৰ হৈ গ'লহেঁতেন। এই ঘটনাটো কি ? ইয়াত এটা ভালকৈ এনকুৱেৰী কৰিব লাগে, কথাখিনি ওলাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো শূণ্যকালীন ঘণ্টাত যিটো বিষয় উত্থাপন হৈছিল, মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়া আৰু শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে, এই সম্পৰ্কত আমি সকলোৱে ভালকৈ জানো। হিন্দুস্তান পেপাৰ কৰ্পোৰেশ্যনৰ চাৰিটা কাগজকল আছিল। এটা কেৰেলাত আছিল, এটা টুলী নাগালেণ্ডত আছিল, এটা নগাওঁত আছিল আৰু এটা কাছাৰত আছিল পাচগ্ৰাম। এই বাকী গোটেই কেইটা মিলৰ ভিতৰত কেৰেলাৰ মিলটো ইতিমধ্যে বন্ধ হৈ গৈছে আৰু আমাৰ এই মিল দুটাও disinvesment ত গৈছিল, কিন্তু নীতি আয়োগৰ লগত লাগি তাৰ পৰা আমি এই মিল দুটা disinvesment ত যোৱাৰ পৰা আমি ৰাখিছো। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে হিন্দুস্তান পেপাৰ কৰ্প'ৰেছন নগাওঁ মিলটো লাভজনক মিল হয় যিটো মহন্ত ডাঙৰীয়াই কৈ গৈছে। গতিকে এই লাভজনক মিলটোৱে তিনিটা মিল চলাই থাকিব লগা হৈছিল। নগালেণ্ডৰ টুলীৰ মিলটো আৰু কাছাৰৰ মিলটোও তেওঁলোকে চলাই থাকিবলগীয়া হৈছিল। এটা সময় আহিল, আমাৰ ইয়াত যিটো bamboo based এইটোৰ কাৰণে এটা আটাইতকৈ বেয়া দিন আহিল যে মিজোৰামৰ যিটো মুলী বাহ আহে, সেই মুলী বাহটো হঠাৎ বন্ধ হ'ল। বন্ধ হ'ল এই কাৰণে যে, চাইক্লিক অৰ্ডাৰত ৪ বছৰত এই বাহটো মৰি যায় আৰু এটা চাইক্লিক অৰ্ডাৰত সেই বাহটো পুনৰ গজে। যাৰ ফলত যিটো মেজৰ বাহৰ চাপ্লাই সেইটো বন্ধ হ'ল। বন্ধ হোৱাৰ ফলত অন্ধ্ৰপ্ৰদেশৰ পৰা কাঠৰ চিতচ্ আনি কিছুদিন মিলটো চলিল, আকৌ দুৰ্ভাগ্য নামি আহিল যে, এন জি টি য়ে কয়লা বন্ধ কৰি দিলে। কয়লা বন্ধ কৰি দিয়াৰ ফলত মিল দুটা চলোৱাৰ কাৰণে কয়লাৰ অভাৱ হ'ল। গতিকে মধ্যপ্ৰদেশ, উৰিষ্যাৰ পৰা কয়লা আনিব লগা হ'ল। এনেকৈ বিভিন্ন বিপৰ্যয়ৰ মাজত গৈ এটা মিলে তিনিটা মিল চলাব লগা হোৱাৰ কাৰণে এই মিলটো সংকটৰ সন্মুখীন হ'ল আৰু উপাধ্যক্ষ ডাঙৰীয়া, এইক্ষেত্ৰত আমি

চৰকাৰে কোনো ধৰণৰ তাৰতম্য কৰা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত কেইবাখনো চিঠি লিখিছে। এই মিল দুটা কিন্তু অসম চৰকাৰৰ মিল নহয়। এই মিল দুটা হ'ল ভাৰত চৰকাৰৰ হেভী ইণ্ডাষ্ট্ৰি বিভাগৰ মিল। তৎসত্বেও অসমৰ উদ্যোগ মন্ত্ৰী হিচাপে ময়ো ব্যক্তিগতভাৱে হেভী ইণ্ডাষ্ট্ৰি মিনিষ্টাৰ গীতে ডাঙৰীয়াৰ লগত আঠবাৰ আলোচনা কৰিছিলো আৰু আলোচনাৰ পিছত এটা পৰ্য্যায়ত মিলটো ৰিভাইভেলৰ প্ৰস্তাৱ হ'ল, কিন্তু মই আজি দুখেৰে কওঁ যে প্ৰায় ১৯ শ কোটি টকাৰ প্ৰস্তাৱ কৰি তিনিটা বিভাগৰ চাৰ্কোলেশ্যন হৈ কেবিনেটত যাব ওলাইছে। পাছৰ কেবিনেটতো সেইটো যাব। কিন্তু কোনোবা এজন ব্যৱসায়ীয়ে যি পইচা পাবলৈ আছে, তেওঁ যদি চাৰিদিন এসপ্তাহ ৰৈ যায়, এই মিল দুটা ৰিভাইভ হৈ যায়। কিন্তু তেওঁ এন চি এ এল টিত কেছ এটা দিলে যে, মই পইচা পাব আছো। এন চি এ এল টিয়ে তেতিয়া ডাইৰেকশ্যন দিলে যে, ষ্টেটাচটো জনাব লাগে আৰু তাতেই গোটেই কেৰোণটো লাগি থাকিল। এই কথাখিনিৰ লগত মই প্ৰত্যক্ষভাৱে জড়িত। সেই ব্যৱসায়ী জনে এন চি এ এল টিত নটিচখন দিলে, সেইটো তেওঁ ইচ্ছাকৃত ভাৱে দিলে, নে ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে দিলে নে তেওঁৰ কিবা এটা ইনটেনশ্যন বা মতিভ লৈ দিলে ধৰিব নোৱাৰি। গতিকে এনেকুৱা ধৰণৰ কথা হোৱা কাৰণে বিষয়টো খেলিমেলি হৈ গ'ল। তাৰ পিছত কাগজকলৰ কৰ্মচাৰীসকলে দৰমহা নাপাওঁতেই, যেতিয়া শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আছিল, মই কৈছিলো আমাৰ যিখিনি পাঠ্যপুথি কিনিব লাগে, সেইখিনিৰ কাৰণে মিলক পইচা দিব লাগে। হেভি ইণ্ডাষ্ট্ৰি মিনিষ্টাৰ শ্ৰীআনন্দ গীতে ডাঙৰীয়াই মোক অনুৰোধ কৰিছিল, ২০ কোটি টকা আপুনি দিয়ক, আৰু ২০ কোটি টকা ময়ো দিম। তাৰপিছত আমি ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ক'লো, তেতিয়া তেওঁৰ জৰিয়তে ৩৫ কোটি টকা এইচ পি চিক আমি দৰমহা দিলো। তাৰ পিছত ভাৰত চৰকাৰকো তথা শ্ৰীআনন্দ গীতেক ক'লো যে আপোনালোকৰ কেইবাটাও হেভি ইণ্ডাষ্ট্ৰি মিনিষ্ট্ৰী পি এ চিও আছে, তাৰপৰা আপোনালোকে চৰ্ট টাৰ্ম লোন লৈ এই মিল কেইটাক দৰমহাখিনি দিয়ক। তাৰপাছত তেওঁ ২০ কোটি টকা দিলে। পাছত আকৌ ১০০ কোটি টকা চেংশ্যন হ'ল, ১০০ কোটি টকা যিটো শ্ৰীকমলাক্ষ দে পুৰকায়স্থই কৈছে, ১০০ কোটি টকা আকৌ দৰমহাৰ কাৰণে হ'ল। ১০০ কোটি টকা হোৱাৰ লগে লগে এনেকুৱা এটা অৱস্থা হ'ল যে, আমাৰ এই এন চি এল টি কেছটোৰ কাৰণে হেভি ইণ্ডাষ্ট্ৰি মিনিষ্ট্ৰীয়ে ক'লে এন চি এল টিয়ে যেতিয়ালৈকে ক্লিয়াৰেঞ্চ নিদিয়ে, ১০০ কোটি টকা আমি ৰিলিজ কৰিব নোৱাৰো। এই টকাখিনি হেভী ইণ্ডাষ্ট্ৰী মিনিষ্ট্ৰীট আজিও পৰি আছে। এনকুৱা এটা অৱস্থালৈকে গৈছে। গতিকে এই গোটেই কথাটো, মহন্ত ডাঙৰীয়াই আৰু চৌধুৰী ডাঙৰীই বাতৰি কাকত খন পঢ়ি দিছে। বাতৰি কাকতৰ ওপৰত ভিত্তি কৰিহে আজি গোটেই বিষয়টো ইয়াতে উত্থাপিত হৈছে। কিন্তু চৰকাৰ হিচাপে এই সম্পৰ্কত বাতৰিটো পোৱাৰ লগে লগে আমি খবৰ কৰিছো যদিও এতিয়ালৈকে আমি কোনো যোগাযোগ এইক্ষেত্ৰত পোৱা নাই। মই এই সম্পৰ্কত এটা লিখিত কথা জনাব বিচাৰিছো

বিষয়ঃ দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ।

২৮-১১-২০১৯ তৰিখৰ "দৈনিক অগ্ৰদূত" বাতৰি কাকতত প্ৰকাশিত " দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ" শীৰ্ষক বাতৰিটোৰ ওপৰত মাননীয় বিধায়ক শ্ৰী মামুন ইমদাদুল হক চৌধুৰী দেৱে শূণ্যকালীণ ঘণ্টাত উত্থাপন কৰা বিষয়টো সন্দৰ্ভত বিতং প্ৰতিবেদন ঃ

২৮-১১-২০১৯ তৰিখৰ "দৈনিক অগ্ৰদূত" বাতৰি কাককত প্ৰকাশিত "দুয়োটা কাগজ কল বিক্ৰীৰ নিৰ্দেশ" শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অসম চৰকাৰে নগাওঁ আৰু কাছাৰ কল দুটা পুনৰুজ্জীৱিত কৰিবলৈ প্ৰচেষ্টা চলাইছিল। মিল দুটা প্ৰত্যক্ষ ভাৱে অসম চৰকাৰৰ অধীনস্থ

নহয় যদিও মিল দুটা পুনৰুজ্জীৱিত কৰাৰ বাবে ৰিভাইভেল্ পেকেজ বিচাৰি সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰিও সঘনাই কেন্দ্ৰীয় চৰকাৰৰ গুৰু উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ লগত যোগাযোগ কৰিছিল।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰিছিল আৰু ব্যক্তিগত ভাৱেও কেন্দ্ৰীয় বিত্ত মন্ত্ৰী আৰু গুৰু উদ্যোগ বিভাগৰ মাননীয় মন্ত্ৰীৰ সৈতে যোগাযোগ কৰিছিল।

উল্লেখযোগ্য যে এন.চি.এল.টি আদালতে ২০১৮ চনৰ জুন মাহত এগৰাকী ভেন্দৰৰ আবেদন মৰ্মে ক'ৰপ'ৰেট ৰিজ'লিউচন প্ৰচেছ আৰম্ভ কৰা হৈছিল। নিৰ্দ্ধাৰিত ২৭০ দিনৰ সময়সীমা মতে (আই.বি.চি ২০১৬) মাননীয় আদালতে যোৱা ২/৫/২০১৯ তাৰিখে এইচ পি চি লিকুইডেশ্যন কৰিবৰ বাবে হুকুম জাৰি কৰিছিল। যি কি নহওক এইচ.পি.চি কৰ্মচাৰী সংগঠনে উক্ত হুকুম পুনৰ বিবেচনাৰ বাবে এন.চি.এ.এল.টি নতুন দিল্লীত আপীল কৰে। উক্ত আপীলৰ ভিত্তিত এন.চি.এল.টি এ এইচ.পি.চিক গোইং অন কন্‌চাৰ্ন হিচাপে বিবেচিত কৰে। ইয়াৰ অৰ্থটো হ'ল এইচ.পি.চি কৰ্মচাৰীৰ এটা এচেট এণ্ড লাইবিলিটিজক কোনোবা তৃতীয় পক্ষক কোম্পানী ল আইনৰ গণ্ডীত গটাই দিয়া হ'ব। জানিব পৰা তথ্য অনুসৰি উক্ত এইচ.পি.চিৰ মিল দুটা ল'বৰ বাবে বি.আৰ.এছ গ্ৰুপ, মহালক্ষ্মী ইত্যাদি পাৰ্টীয়ে ইচ্ছা প্ৰকাশ কৰিছিল আৰু এই পাৰ্টীএ সম্পত্তি পৰিদৰ্শনো কৰিছিল। কিন্তু বি.আৰ.এছ গ্ৰুপৰ বাহিৰে বাকী কোনো পক্ষই ৰিভাইচদ প্লেন দাখিল নকৰিলে। এই বিষয়টো আদালতৰ মজিয়াত অহাৰ আগতে ষ্টেকহোল্ডাৰ কমিটি আৰু বি.আৰ.এছ গ্ৰুপৰ মাজত এখন সভা অনুষ্ঠিত হৈছিল। এই সভাৰ পিছত বি.আৰ.এছ গ্ৰুপক এখন ৰিৰ্জভি ৰিজ'লিউশ্যন প্লেন্ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত দাখিল কৰিবলৈ কোৱা হৈছিল আৰু ক'ৰ্টৰ শুনানীৰ তাৰিখ ২৫/১১/২০১৯ লৈকে বৃদ্ধি কৰা হৈছিল। কিন্তু ২৫/১১/২০১৯ তাৰিখলৈকে বি.আৰ.এছ গ্ৰুপ অথবা ভাৰত চৰকাৰৰ কোনো ধৰণৰ ৰিৰ্জভি ৰিজ'লিউশ্যন দাখিল কৰা নহ'ল।

যিহেতু নিৰ্দ্ধাৰিত সময়সূচীৰ ভিতৰত কোনো ধৰণৰ মীমাংসাত উপনীত হ'ব পৰা নাছিল, গতিকে ২৫/১১/২০১৯ তাৰিখে এন.চি.এ.এল.টি নতুন দিল্লীয়ে লিকুইডেশ্যন প্ৰক্ৰিয়া আৰম্ভ কৰাৰ নিৰ্দেশ জাৰী কৰা বুলি কালি সংবাদ মাধ্যমৰ জৰিয়তেহে জানিব পৰা গৈছে। এই সংক্ৰান্তত নগাওঁ কাগজ কলৰ পৰিচালক তথা বিষয়া আৰু নিৰীক্ষক সন্থাৰ উপ-সভাপতিৰ লগতো যোগাযোগ কৰা হৈছে। কিন্তু এই সন্দৰ্ভত তেখেতসকলেও কোনো প্ৰতিলিপি পোৱা নাই বুলি জনাইছে। ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগ, এন.চি.এল.টি আৰু ৰাজ্য চৰকাৰৰ মাজত এই পৰ্যন্ত এই বিষয়ত কোনো যোগাযোগ হোৱা নাই। সেয়েহে ৰায়দানৰ প্ৰতিলিপিও এতিয়ালৈকে উপলব্ধ হোৱা নাই। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা নিশ্চয়কৈ ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগ অব্যাহত থাকিব। গতিকে এতিয়ালৈকে এই গোটেই কথাখিনি বাতৰি কাকতৰ ওপৰত ভিত্তি কৰিহে হৈছে, কোনো অফিচিয়েল যোগাযোগ হোৱা নাই। পৰবৰ্তী সময়ত আমি ইয়াৰ ওপৰত ব্যৱস্থা ল'ম। এটা কথা মই কৈ থওঁ মিল দুটা ৰিভাইভেলৰ কাৰণে আৰু কৰ্মচাৰী সকল যদি সুৰক্ষিত হয়, যদি কোনোবা প্ৰাইভেট পাৰ্টীও আহে এই মিল লবৰ কাৰণে তেতিয়া অসম চৰকাৰে নিশ্চয় সেইটোত আপত্তি নকৰো। আমাৰ কথা হল মিল দুটা চলিব লাগে আৰু কৰ্মচাৰীখিনিয়ে দৰমহা পাব লাগে।

অধ্যক্ষ ডাঙৰীয়া, মহন্ত ডাঙৰীয়াই অশোক কাগজ কলৰ কথা কৈছিল। আমি অশোক কাগজ কলটো খোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছো। আমি বিভিন্ন বিনিয়োগকাৰীৰ লগত কথা পাতি আছো। যিহেতু অসম চুক্তিত অশোক কাগজ কলৰ কথা আছে গতিকে আমাৰ চৰকাৰে

বিষয়টো গুৰুত্ব সহকাৰে লৈছে। অধ্যক্ষ ডাঙৰীয়া, আজি যিটো বিষয় ইয়াত আহিছে এই গোটেই কথাখিনি বাতৰি কাকতৰ ওপৰত ভিত্তি কৰিয়েই হৈছে বিষয়টোৰ ক্ষেত্ৰত কোনো অফিচিয়েল্ যোগাযোগ হোৱা নাই। ধন্যবাদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** অধ্যক্ষ ডাঙৰীয়া এই মিল দুটা পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত 'এডভান্‌টেজ আসাম'ৰ প্ৰভাৱ নপৰিলে নেকি? মন্ত্ৰী ডাঙৰীয়াই এইটো ক'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা চলি আছে, প্ৰশ্নোত্তৰ কাল নহয় গতিকে আপুনি বহক।

**মামুন ইমদাদুল হক চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, 'এডভান্‌টেজ আসাম'ৰ পৰা আমাৰ মিল দুটাত কি প্ৰভাৱ পৰিলে মন্ত্ৰী মহোদয়ে ক'ব লাগে। অধ্যক্ষ মহোদয় বাতৰি কাকতে কৈছে যে এই মিল দুটা বিক্ৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছে আৰু মন্ত্ৰী মহোদয়ে কৈছে তেখেতে নাজানে। ইয়াৰ পৰা বুজা যায় যে বাতৰি কাকতে মিছা কথা কৈছে গতিকে আপুনি এই বিষয়ত ব্যৱস্থা গ্ৰহণ কৰক। অগ্ৰদূত আৰু নিয়মীয়া বাৰ্তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াই বাতৰি কাকতৰ ওপৰত ভিত্তি কৰি কথাখিনি ক'ব পাৰে, মই সেইটো আপত্তি নকৰো, কাৰণ তেখেতৰ ৰাইট আছে। তেখেতে বাতৰি কাকতৰ কথা লৈ ক'ব পাৰিব কিন্তু মই বাতৰি কাকতৰ কথাৰ ওপৰত ভিত্তি কৰি ক'ব নোৱাৰো কাৰণ মই মন্ত্ৰী। মন্ত্ৰী হিচাবে মোৰ দায়িত্ব আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** এই বিলাক কথা ঠিক আছে, এতিয়া মন্ত্ৰী ডাঙৰীয়াই ক'ব লাগে যে মিল কেইটা খুলিবনে নাই? খোলাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰীমানুন ইমদাদুল হক চৌধুৰী (নাওবৈচা) ঃ** অধ্যক্ষ ডাঙৰীয়া, এইটো গুৰুত্বপূৰ্ণ বিষয়। গতিকে সমগ্ৰ অসমে জনা উচিত।

(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা চলি আছে, প্ৰশ্নোত্তৰ কাল নহয়। গতিকে আপোনালোক বহক। আপোনালোকে শুনক বিষয়টো মই চাম নহয়। আপোনালোকে যদি এনেকুৱা কৰে মই সদন কেনেকৈ চলাম? সময় ইতিমধ্যে শেষ হৈছে তথাপিও মই ক'বলৈ দিছো, কাৰণ এটা ভাল বিষয় আলোচনা হৈছে।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়ষ্ঠ ঃ** অধ্যক্ষ মহোদয়, মিলটো খুলিবনে নাই?

........(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়) ..............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। মই আপোনালোকক পিছত কবলৈ দিম। এতিয়া এঘাৰটা বাজি গ'ল এতিয়ালৈকে আমাৰ দুটা কাৰ্য্যসূচীয়ে যোৱা নাই, গতিকে বহক। কথাটো হৈছে সদনত সকলোৰে ধৈৰ্য্য, সহনশীলতা লাগিব। কোনোবাই কিবা ক'লে আমাৰ শুনাৰ ধৈৰ্য্য থাকিব লাগিব। মই মন্ত্ৰীসকলৰ ক্ষেত্ৰটো কৈছো বিধায়ক সকলৰ ক্ষেত্ৰটো কৈছো। সদস্য জনে যেনিবা কিবা খেলিমেলি কথা কলেই, when you complete his speech, You can stand on your feet and say that it may be expunged. This is the way we can done it আপুনি পেপাৰৰ যিটো কথা কৈছে সেইটো একেবাৰে শুদ্ধ নহয়। পেপাৰে সকলো কথাই লিখে। কালি সভাস্থগিত প্ৰস্তাৱৰ কথাটো ক্ষেত্ৰত লিখিছে যে, মই সময় নিদিলো। সেইবুলি পেপাৰৰ বিপক্ষে লাগি থাকিব নেকি? বিপদত পৰিব। গতিকে সেইবোৰ নক'ব। এতিয়া চাৰে এঘাৰ বাজিলে। Now, House is adjourned till 3:00 PM.

Hon’ble Speaker in the chair

**মাননীয় অধ্যক্ষঃ** - এতিয়া সদনৰ কাৰ্য্যসূচী মতে শূণ্যকালীন ঘন্টাৰ জাননী মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগৰ লগতে তেখেতৰ সহযোগী কেইজনমানে যোৱা ইং **২৪-১১-২০১৯** তাৰিখৰ ‘আমি অসমৰ জনগন’ বাতৰি কাকতত প্ৰকাশিত **“দুৰ্নীতিৰ বিৰুদ্ধে শূণ্য সহনশীলতা” ক’লা হীৰাৰ ভয়ংকৰ ছিণ্ডিকেট’** ৰ বিষয়ে উত্থাপন কৰিব বিচাৰিছে। গতিকে মই এতিয়া মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীক ক’বলৈ অনুৰোধ জনাইছো।

**শ্ৰীমতী অজন্তা নেওঁগ, গোলাঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে শূণ্যকালীন ঘন্টাত যোৱা ইং **২৪-১১-২০১৯** তাৰিখৰ ‘আমি অসমৰ জনগন’ বাতৰি কাকতত প্ৰকাশিত **“দুৰ্নীতিৰ বিৰুদ্ধে শূণ্য সহনশীলতা” ক’লা হীৰাৰ ভয়ংকৰ ছিণ্ডিকেট’** ৰ বিষয়টো আজি সদনত উত্থাপন কৰিবৰ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, সেইবাৰ বিধান সভাত যেতিয়া মই আলুৰ ছিণ্ডিকেটৰ কথা উত্থাপন কৰিছিলো, তেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে - অসমত ছিণ্ডিকেট নাই। এতিয়া কথা হ’ল অধ্যক্ষ মহোদয়, বৰ্তমানৰ চৰকাৰে অসমত ছিণ্ডিকেট নাই বুলি কৈছে, কিন্তু অধ্যক্ষ মহোদয় আমি দেখিছো যে ছিণ্ডিকেট অসমৰ অতি জলন্ত সমস্যা আৰু সামাজিক ব্যাধি ৰূপে পৰিগণিত হৈছে। এতিয়া ৰাজ্যখন অকল কলাহীৰাৰ ছিণ্ডিকেটে নহয়, আজি কি বস্তুত ছিণ্ডিকেট নাই - সেইটো ডাঙৰ কথা। সকলো বস্তুতে এই ছিণ্ডিকেটৰ হাটোৰা পৰিছে আৰু ছিণ্ডিকেট মানে হৈছে অ’ৰ্গেনাইজ গ্ৰুপ। ইয়াৰ পৰা আমি ৰাজ্যখনক কেনেধৰণে বচাব পাৰো সেইটো ডাঙৰ কথা। বিশেষকৈ মই কলাহীৰাৰ ভয়ঙ্কৰ ছিণ্ডিকেটৰ কথা ক’বলৈ বিচাৰিছো। বৰাক-ব্ৰহ্মপুত্ৰ সকলোতে আজি ছিণ্ডিকেটে সামৰি লৈছে। আমি আজি যদি বৰাক উপত্যকাৰ কথাকে চাওঁ তাত থকা দুয়োখন জিলাতে ভয়াৱহ ছিণ্ডিকেট হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড়, তিনিচুকীয়া, দিগবৈ, লেখাপানী, টিৰাপ আদি অঞ্চলত অবৈধ খনন কাৰ্য্য চলিছে। সংসদটো আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে আমাৰ যিবিলাক ৰিজাৰ্ভ ফৰেষ্ট আছে সেই ৰিজাৰ্ভ ফৰেষ্ট বিলাকটো এনে ধৰণৰ অবৈধ খনন হৈ আছে। তদুপৰি আপোনালোকে দেখিছে অধ্যক্ষ মহোদয়, নৰ্থ ইষ্টান ক’ল ফীল্ড লিমিটেডে এই অবৈধ খননৰ বিৰুদ্ধে এশ ছাপন্নটা গোচৰ দিছে। কিন্তু এই গোচৰ সমূহৰ কোনো ধৰণৰ ৰিজাল্ট এতিয়া পোৱা নাই। Director of Geology and mining, Shri G. S. Paneswar, ACS পানেচা তেখেত ডাইৰেক্টৰ। তেখেতে ডেপুটি কমিচনাৰলৈ এখন চিঠি লিখিছিল, ফেক্ট অৰ ক’ল বাই ইলিগেলী মাইনিং। ইয়াত লিখিছে যে The name of suspected persons is confidentially mentioned here, মই এতিয়া নামখিনি নকওঁ। মই এইখন আপোনাক জমা দি দিম। গতিকে এনেকুৱা পৰ্য্যায় পাইছে যে গোটেই বনাঞ্চল বিলাক ধ্বংস হৈছে তাত ক’ল মাইনিং হৈছে আৰু কিছুমান ক’ল মাফিয়াই অবৈধ খনন কৰিছে। তেওঁলোকৰ তাত ছিণ্ডিকেট চলিছে, আজি বেলতলাৰ কথা কৈছে। বাতৰি কাকত বিলাকত বা ইলেক্ট্ৰনিক মিডিয়াত স্পষ্টকৈ প্ৰকাশ হৈছে যে অবৈধ ট্ৰাক বিলাক ৰাতি-ৰাতি যায়। আমি এইখিনি কথা হাউচত কৈছো। অধ্যক্ষ মহোদয় ইয়াৰ লগত কেতিয়াবা আমাৰ ৰাজনৈতিক ভাবে ব্যক্তি জড়িত থকা বুলি কয় , কিন্তু মোৰ হাতত প্ৰমাণ নাই। কিন্তু বাতৰি কাকতত তেওঁলোকে স্পষ্টভাবে দিছে। যিহেতু আমি হাউচত থাকো আমাৰ কোনোবা বিধায়কৰ নাম ওলালে আমি বেয়া পাওঁ আমাৰ চৰকাৰৰ নাম ওলালে আমি বেয়া পাওঁ, আজি মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয়কো সামৰি কিছুমান বাতৰি ওলাইছে। ইয়াৰ লগত বিধায়কক সামৰি বাতৰি প্ৰকাশ হৈছে। শেহতীয়া ভাবে আমাৰ শাসকীয় দলৰ বিধায়কে ফাদিল কৰিলে কয়লা ছিণ্ডিকেটৰ তথ্য। আজি

পছিশ নবেম্বৰত আমাৰ মাননীয় সদস্য শ্ৰীসুৰেণ ফুকন ডাঙৰীয়াই এটা ভিডিঅ' ভাইৰেল কৰিছে। মই ভিডিঅ'টো চাইছো - আপোনালোকে চাইছেনে নাই মই নাজানো। অলপ সময়ৰ বাবে তেখেতে ৰাতি বাৰ বজাত এটা ভিডিঅ' ভাইৰেল কৰিছিল আৰু এই ভিডিঅ'টোত মাননীয় বিধায়ক ডাঙৰীয়াই স্পষ্টভাবে তেখেতে কৈছিল যে - এই অবৈধ ট্ৰাক বিলাক গৈ আছে আপোনালোকে চাওক, ট্ৰাক বিলাকৰ নাম্বাৰ প্লেট নাই আৰু আৰক্ষীৰ সহযোগীতাত এই অবৈধ কাম চলি আছে। ইয়াৰ পিছত ভাইৰেল ভিডিঅ'টো নাইকিয়া হৈ গ'ল। তেতিয়া তেখেতে কৈছিল যে - মই কাকো ভয় নকৰো, মই স্পষ্টভাবে কথা কওঁ, এইটো সম্পূৰ্ণ সত্য। অধ্যক্ষ মহোদয়, স্পষ্ট প্ৰমাণেৰে এজন শাসক দলৰ বিধায়কে কৈছে। প্ৰাক্তন উপাধ্যক্ষ দিলীপ কুমাৰ পাল ডাঙৰীয়াই টিভিত কোৱা মই দেখিছিলো যে ইয়াৰ লগত গোটেই আৰক্ষী ব্যৱস্থাটো জড়িত হৈ আছে। আজি ফৰেষ্টৰ বিষয়াসকল জড়িত হৈ থকা বুলি আমাৰ মন্ত্ৰী ডাঙৰীয়াই সদনত কৈছে। এইটো এটা সাংঘাটিক organized loot আৰু ইয়াক কেনেধৰণে নাইকিয়া কৰিব পাৰি, মই ভাৱো যে এইক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আছে। চৰকাৰে কেৱল আমাৰ দিনত ছিণ্ডিকেট কতো নাই এনেকৰা ধৰণৰ গা এৰা মন্তব্য দিলে নহব। কাৰণ আজি চৰকাৰৰ দায়িত্ব আছে। এনেকুৰা ধৰণৰ অবৈধ ছিণ্ডিকেটে গোটেই ৰাজ্যখনক সাঙুৰি লৈছে। ছিণ্ডিকেট ক'ত নাই। আলুৰ পৰা আদি কৰি চেনী, তামোল-পান, কণী সকলোতে আছে। ইয়াত ৰাজনৈতিক সদস্যসকলক জড়িত কৰা হৈছে। কাৰণ ফুকন ডাঙৰীয়াই নিজে ক'লে যে এই ছিণ্ডিকেটত আমাকো জড়িত কৰক। মাননীয় মন্ত্ৰী মহোদয়ে সদায় শূণ্য সহানশীলতাৰ কথা কয় এই সদনৰ মজিয়াত। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা আছে যে "খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ মাৰে"। এনেকুৰা হৈছে শূণ্য সহানশীলতা। কোনোবাৰ কাৰণে শূণ্য সহানশীলতা, কোনোবাৰ কাৰণে নাই। ইয়াত আমাৰ কথা হৈছে কোন জড়িত সেইটো চালে নহ'ব, দোষীয়ে শাস্তি পাব লাগে। বহুত আৰক্ষী বিষয়াৰ নাম আহিছে যিটো confidential কাৰণে মই সদনত নাম নকওঁ, আপোনাৰ হাতত জমা দিম। আৰক্ষী অধীক্ষখনৰ চকুৰ আগত এনেকুৰা ধৰণৰ organized loot চলি আছে। কাৰ সহযোগিতাত এই কথাবিলাক চলি আছে। এইটো নিশ্চয় চৰকাৰে চোৱাৰ দৰকাৰ। ইয়াত অভিযোগ উঠিছে যে একেটা বৰ্ষতে লিমিটেডে ৰাজ্যৰ কেইবাখনো থানাত ৰুজু কৰিছিল **৬৬** টাকৈ গোচৰ। অভিযুক্ত সকলৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা লোৱাৰ বিপৰীতে গোচৰৰ ফাইল হৰলুকী কৰাৰহে চেষ্টা কৰাৰ অভিযোগ উঠিছে। একেদৰে অভিযোগ উঠিছে কাৰ্বি আংলঙৰ পাহাৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোহোৱাকৈ কয়লাৰ খনন কাৰ্য চলিছে। কয়লাখননৰ এই ভয়ংকৰ তথ্য ফাদিল কৰি ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কয়লাৰ খনন বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। ইয়াৰ বাবে পাহাৰীয়া জিলাখনৰ আৰক্ষী অধীক্ষকক ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্পষ্টকৈ উল্লেখ কৰিছিল। আৰক্ষী অধীক্ষকে কোনো ব্যৱস্থা নোলোৱাত বিষয়টো চি আই ডিৰ হাতত অৰ্পন কৰে। কিন্তু ইমানৰ পিছতো সকলো ফুটুকাৰ ফেনত পৰিণত হ'ল। কাৰ্বি আংলঙকে ধৰি তিনিচুকীয়া, ডিব্ৰুগড়, ডিমাহাচাও জিলাৰ আৰক্ষীৰ গা লৰাবলৈ অসমৰ্থ হ'ল। বোকাজানৰ নামবৰ সংৰক্ষিত বনাঞ্চল আৰু বকলীয়াৰ লংমিলিৰ বহুকেইটা অঞ্চলত প্ৰতিদিনে চলি আছে কয়লাৰ খননকাৰ্য। এইটো মই এটা উদাহৰণ দিছো। শ শ গোচৰ ইয়াত ৰুজু কৰিছে। ইতিমধ্যে যিটো আমাৰ অবৈধ খনন কাৰ্য North India Coal Field য়ে আৰক্ষীৰ ওচৰত **১৫৬** টা লিখিত অভিযোগ দাখিল কৰা বুলি কৈছে। তেওঁলোকৰ অসহায় অৱস্থা হৈছে। গোচৰ ৰুজু কৰে কিন্তু আৰক্ষীয়ে ফাইল নোহোৱা কৰি থৈ দিয়ে। প্ৰমাণ নোহোৱা কৰি থৈ দিয়ে। ইয়াৰ আঁৰত ৰাজনৈতিক নেতা থকাৰ বাবেই কয়লাৰ অবৈধখনন কাৰ্যৰ বিৰুদ্ধে কোনো তদন্ত কৰা পৰিলক্ষিত নহ'ল। এইটো এটা ডাঙৰ কথা মাননীয় অধ্যক্ষ মহোদয়।

CID তদন্ত হ'ল, কিন্তু একো ফল আমি নাপালো। অসমৰ মানুহ সকলো zero tolerance নীতি শিথিল কৰিলে নেকি, এনেকুৱা ভাবিবলৈ বাধ্য হৈছো। মই ক'লোৱে যে খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ মাৰে। এনেকুৱা নীতি প্ৰৱৰ্তন কৰিছে নেকি? কিন্তু এনেকুৱাকৈ আমি থাকিবলৈ বাধ্য হৈছো। গতিকে এতিয়া এটা কথা স্পষ্ট হৈছে যে চৰকাৰে কৈছিল অসমত কোনো ধৰণৰ ছিণ্ডিকেট নাই। কিন্তু এইটো প্ৰমাণ হৈছে যে অসমত ছিণ্ডিকেট নোহোৱাটো দূৰৰে কথা ছিণ্ডিকেট বাঢ়িছেহে। অবৈধ কয়লাৰ খনন বাঢ়িছে, rat hole mining এইবোৰ বাঢ়ি গৈছে, ছিণ্ডিকেটৰাজ বাঢ়ি গৈছে, কমা নাই। এইটো হৈছে এটা সামাজিক ব্যাধি। ইয়াত জড়িত যি সকল লোক আছে তেওঁলোকে কঠোৰতম শাস্তি পাব লাগে। এইটোৰ কাৰণে অধ্যক্ষ মহোদয় আপোনাৰ লগতে চৰকাৰক অনুৰোধ জনাইছো যে ইয়াত চি বি আই ৰ তদন্ত হ'ব লাগে। ইয়াত কোন জড়িত নাজানো,যিয়ে নহওঁক এই সকল লোকৰ বাবে চি বি আই ৰ তদন্ত হ'ব লাগে। এইখিনি কথা কৈছো আৰু লগতে মোৰ লগতে আমাৰ আৰু বিধায়ক আছে শ্বেৰমান আলী আহমেদ, তেখেতে সংযোজন কৰিব।

**মাননীয় অধ্যক্ষ ঃ** হয়, দেৰি নকৰিব, কাৰণ আমাৰ সময়টো শূণ্যকালীন ঘন্টাৰহে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে গুৰুত্বপূৰ্ণ কথাখিনি আমাৰ সন্মানীয় সদস্যা অজন্তা নেওগ ডাঙৰীয়ানীয়ে কৈছে। কয়লাৰ যি অবৈধ খনন হৈ আছে, এই কয়লাৰ অবৈধ খননৰ যোগেদি আমাৰ অসমে হাজাৰ হাজাৰ কোটি টকা ৰাজহ লোকচান কৰাই নহয়, তাৰ লগতে আটাইতকৈ ডাঙৰ কথা হ'ল পাটকাই পৰ্বতৰ, পাটকাই বনাঞ্চলৰ যি জৈৱ বৈচিত্ৰতা আছে। সেই বৈচিত্ৰতাও ধ্বংস কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই অবৈধ কয়লা খননৰ বিষয়ে আমাৰ অন্যান্য কথা ক'বলৈ এৰি শাসকীয় দলৰ এজন বিধায়কে ফেচবুকত লাইভ কৰি যি মন্তব্য কৰিছিল সেই মন্তব্যখিনি মই পঢ়ি দিব খুজিছো। তাৰ পৰা এইটো প্ৰমাণীত হ'ব। তেওঁ এই ভিডিঅ'টোত বাৰ বজাৰ পিছত অবৈধ কয়লাৰ ট্ৰাক সমূহ কেনেধৰণে নিয়ে এই কথাখিনি জনাব বিচাৰিছে। ইয়াত পুলিচ প্ৰশাসন, কয়লা মাফিয়া, বহুতো দল সংগঠন জড়িত হৈ আছে। অসমৰ ৰাইজক জনোৱাৰ বাবে এই ব্যৱস্থা কৰা বুলি শাসক পক্ষৰ সেই বিধায়ক জনে কৈছে। গতিকে ইয়াতকৈ আৰু বিশেষ প্ৰমাণৰ প্ৰয়োজন নাই। আমাৰ বৃহত্তৰ কয়লা ভাণ্ডাৰৰ লোকচান হৈছে, আনফালে আমাৰ জৈৱ বৈচিত্ৰও নষ্ট হৈছে আৰু এই গোটেই কাৰবাৰটোৰ লগত কেবাটাও বিভাগ জড়িত হৈ আছে। উদ্যোগ বিভাগে fake license দিয়ে। বন বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড, আমাৰ পুলিচ প্ৰশাসন, সাধাৰণ প্ৰশাসন, ভূ-তত্ত্ব আৰু খনিজ বিভাগে ১৫৭ খন চিঠি দিয়াৰ পিছতো কোনো ধৰণৰ বিহীত ব্যৱস্থা লোৱা নহ'ল। চি বি আই, চি আই ডি য়ে তদন্ত কৰি ৰিপোৰ্ট দিয়াৰ পিছতো কোনো ব্যৱস্থা নল'লে। আনকি Geology Departmentৰ পৰা যোৱা মাৰ্চ মাহত নামৰ সৈতে চিঠি দিয়া হৈছে আৰু অবৈধ কয়লা খননৰ লগত জড়িতসকলৰ নাম কেইটা মই কৈ দিছো - গোবিন্দ চেত্ৰি, বি গনেশ, গোবিন্দ প্ৰসাদ, চুনিল গুৰুং, বিষ্ণু শৰ্মা, জিৎ, বিক্ৰম, ৰাজা দত্ত, বিথিকা, মিন্টু ফুকন, সাগৰ ভূএগ্ৰা, মুন্না, জাকিৰ, মইনুল হক তালুকদাৰ, পান্ন লিদু, ৰাজু খান, প্ৰদীপ সিং, কৰম সিং আৰু ৰাভা চেতিয়া। এই নামবোৰ উল্লেখ কৰি জিলা উপায়ুক্ত আৰু এচ পি লৈ চিঠি দিয়াৰ পিছতো আজিলৈ কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাইদেওৱে ইতিমধ্যে কৈছেই, ইয়াত বোকা চটিওৱা ৰাজনীতি কৰিব নালাগে। অসমৰ বৃহত্তৰ স্বাৰ্থত, আমি ৰাজনীতিৰ উৰ্দ্ধত উঠি শাসক পক্ষৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা সৎ উত্তৰ বিচাৰিছো আৰু দাবী জনাইছো। আশা কৰিছো যে তেখেতে চি বি আই ৰ তদন্তৰ ঘোষণা কৰি যি সকল মানুহ ইয়াৰ লগত জড়িত

সকলোৱে ওপৰত বিহীত ব্যৱস্থা ল'ব। ইয়াৰ পিছত যাতে আৰু এই ধৰণৰ অবৈধ কয়লা খননত মানুহ জড়িত হ'ব নোৱাৰে। গতিকে চি বি আই তদন্তৰ ঘোষণা কৰিব বুলি মই দাবী জনাই সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অজন্তা নেওঁগ ডাঙৰীয়ানী আৰু শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই শূণ্য কালীন ঘন্টাত কয়লা চিণ্ডিকেট বা চৰকাৰৰ শূণ্য সহনশীলতাৰ ওপৰত প্ৰদান কৰা বক্তব্যখিনি আমি শুনিলো। অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা সদনত কব বিচাৰিছো, যে সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আজি যিখন চৰকাৰ চলি আছে এই চৰকাৰ খনত চিণ্ডিকেট নাই, There is no Syndicate এইটো মই দায়িত্ব সহকাৰে মন্ত্ৰী হিচাপে কৈছো, failing which, I will resign. ইয়াত কথাটো হ'ল যে কিছুমান মানুহৰ নামত অইল ইণ্ডিয়াই চিঠি দিছে, পুলিছে বিচাৰিছে, মানুহ পলাইছে ধৰিব পৰা নাই। তাৰমানে এইটো নহয় যে তেওঁলোকক চৰকাৰে ৰক্ষণা বেক্ষণ দিছে। এতিয়া আমাৰ অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে শূণ্য সহনশীলতাৰ ওপৰত বক্তব্য প্ৰদান কৰিছে। শূণ্য সহনশীলতা, দুৰ্নীতিৰ ক্ষেত্ৰত যিটো চৰকাৰে ঘোষণা কৰিছে সেইটো বাহাল আজি আছে আৰু ভৱিষ্যতেও থাকিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** ইমান ষ্ট্ৰং।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** কিমান ষ্ট্ৰং বুলি নহয়, strongest. অধ্যক্ষ ডাঙৰীয়া, শাসক দলৰ বিধায়কে কিবা ভিডিঅ' দিছে, শাসক দলৰ বিধায়কক মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ সন্মুখত ডি আই জি, এচ পি আৰু ডি চি ক কৈছে যে শাসক দল বুলি কথা নাই, যিয়ে নহওঁক কোনো শ্বেয়াৰ কৰা নহ'ব। তেখেতে যিটো ভিডিঅ' দিছে তথ্য সহকাৰে কোন কোন আছে দিবলৈ দিয়ক। শাসক দলৰ বিধায়ক হলেও ৰেহাই দিয়া নহ'ব।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** হৈ আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মোৰ সন্মুখত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে এইটো কথা নহ'ব। শাসক দলৰ বিধায়ক হ'লেও ডি আই জি আৰু ডি চি ক কৈছে You go, visit him . DC ৰ নাম পেগু নেকি মই মুখ্য মন্ত্ৰীয়ে কৈ থকাতে শুনিছো। এতিয়া শাসক দলৰ বিধায়ক সুৰেণ ফুকনে দায়িত্ব নিজে স্বীকাৰ কৰি যিখিনি কথা তেওঁ ফেচবুকত দিছে তাৰ তথ্য এতিয়াই দিয়ক আৰু এক ঘন্টাৰ ভিতৰত আমি বিহীত ব্যৱস্থা ল'ম। তথ্য সহকাৰে দিলে মাত্ৰ এক ঘন্টাৰ ভিতৰত, within one hour not beyond one hour. আমি ব্যৱস্থা ল'ম, শূণ্য সহনশীলতা যিটো মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে সেইটো সদায় থাকিব। অধ্যক্ষ ডাঙৰীয়া, আজিৰ দিনটোত যি কথা কোৱা হৈছে, চৰকাৰে যদি এইবিলাকৰ ব্যৱস্থা নল'লেহেতেন তেতিয়াহ'লেটো চৰকাৰ জগৰীয়া হ'লহেতেন। সেইবাবে চৰকাৰে ব্যৱস্থা লৈছে। চৰকাৰে ব্যৱস্থা লোৱাৰ কাৰণে আজি ছিণ্ডিকেট নাই। যিখিনি কথা হোৱা বুলি কোৱা হৈছে তাৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯৮৫ চনৰ পৰা মই সাক্ষী এই সদনৰ মজিয়াত, কোন ৰুলিং পাৰ্টিৰ মন্ত্ৰীয়ে নিজাববীয়াকৈ ঘোষণা কৰিব যে, CID Enquiry দিয়া হ'ল । ১৯৮৫ চনৰ পৰা মই সাক্ষী আছো, কওঁক। আপোনাৰ অধ্যক্ষতাত , মই কৈছো অধ্যক্ষ ডাঙৰীয়া ।

..........সদনত হুলস্থুল.......

**মাননীয় অধ্যক্ষ ঃ** প্লিজ... প্লিজ... বহক। ক'বলৈ দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া CID Enquiry চলি আছে। অধ্যক্ষ ডাঙৰীয়া যদি মই ক'ব নালাগে নকও।

সদনত হুলস্থূল.......

**মাননীয় অধ্যক্ষ ঃ** প্লিছ... প্লিছ... বহক। আপোনালোকে শুনি লওক প্ৰথমে। উত্তৰ পিছত দিব। মই কৈছো যে minimum Ten Minutes শুনক। কি আছে কথা কেইটাত Note কৰি ৰাখক। মাজত নক'ব। Please Carry on.

(কংগ্ৰেছ দলৰ ফালৰ পৰা তীব্ৰ বাদ বিবাদ- কথাৰ কটা -কটি)

**শ্ৰীদেবানন্দ হাজৰিকা (বিহপুৰীয়া)** ঃ অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব পাৰোনে? সুৰেণ ফুকন ডাঙৰীয়াই যিটো ভিডিঅ' প্ৰকাশ কৰিছিল তাত তেখেতে সেই ট্ৰাকবিলাকে কয়লা কঢ়িয়াইছে বুলি কোৱা নাই। নিশা দিয়া ফটোখন ভাইৰেল কৰি ইয়াত কৈ আছে। এইটো ছিণ্ডিকেট হ'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** Please donot interrupt ........ point থাকিব ....... কম বুলি কোনো কথা নাই।....... Zero Hour ত মই Debate দিব নোৱাৰো। কিন্তু কিবা যদি জেনুইন থাকে মই এটা পইন্ট দিম। ....এনেকুৱা কথা নহয়... প্লিজ...। আপোনালোকে অলপ ধৈৰ্য্য ধৰক। নহ'লে কিন্তু একো লাভ নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো যিহেতু স্পৰ্শকাতৰ বিষয় আৰু ইয়াৰ লগত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শূন্যসহনশীলতা নীতি জড়িত আছে সেই কাৰণে minutely I was listening to them. গুৰুত্বসহকাৰে মই শুনি আছো যে প্ৰকৃততে কথাটো কি? আপোনালোকে যদি কিবা feedback দিব পাৰে then I can pass it to police and police will take action. আমি যিহেতু তেওলোকৰ কথাখিনি গুৰুত্ব সহকাৰে শুনি আছো, গতিকে আমি যেতিয়া উত্তৰ দিবলৈ যাম তেওঁলোকেও আমাৰ কথাখিনি শুনিব লাগিব। উত্তৰখিনিত যদি আপত্তিমূলক কিবা থাকে তেওঁলোকে আমাক point of order দি সুধিব তেতিয়া আমি আকৌ উত্তৰ দিম। বিধান সভাখন এটা নিয়মৰ মাজেৰে চলিব লাগিব। তেনেকৈ যদি কথাবিলাক কৈ থাকে কৈ থাকক আৰু যদি অধ্যক্ষ ডাঙৰীয়াই ভাবে বিৰোধী দলক গুৰুত্ব দিব লাগে তেন্তে আমি নকও। গতিকে কথাবিলাক এনে হ'লে নহ'ব । গণতন্ত্ৰত বিৰোধী আৰু শাসক দল উভয়ে সুযোগ পাব লাগিব। এইখন ৰাইজৰ সদন হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Let us go for the main point. সদন আপুনিও দেখি আছে মইও দেখি আছো। আমি সদন শান্তিপূৰ্ণভাবে চলাব লাগে। তেখেতসকলক কৈছো inter-rupt নকৰিব। ... কওঁক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই আকৌ Repeat কৰিলো অসমত বৰ্ত্তমান ছিণ্ডিকেট নাই। No.2 আমি অসমত ছিণ্ডিকেট হ'বলৈ নিদিও।No.3 শূন্য সহনশীলতাৰ নীতিত চৰকাৰৰ স্থিতি আজিও বাহাল আছে আৰু ভবিষ্যতেও বাহাল থাকিব। মাননীয় বিৰোধী দলৰ সদস্যসকলক মই অনুৰোধ কৰিম যে যদি আপোনালোকৰ হাতত কিবা তথ্য আছে, লগতে প্ৰেছৰ বন্ধুসকলকো মই অনুৰোধ কৰিম।

....... বিৰোধী দলৰ ফালৰ পৰা সদনত হুলস্থুল......

**মাননীয় অধ্যক্ষ ঃ** প্লিজ প্লিজ.. মই ইয়াতে আছো। I hear to judge, I have already told him, why are you shouting again ? please ....

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সকলোকে মই অনুৰোধ কৰিছো, including opposition, hon'ble Mem-

bers আপোনালোকৰ হাতত যদি ছিণ্ডিকেটৰ তথ্য আছে , তথ্যসহকাৰে দিয়ক , চৰকাৰে যদি ব্যৱস্থা নলয় আপোনালোকে এই বিধান সভাৰ মজিয়াত মোক যিমান ভৰ্ৎসনা দিব মই ল'বলৈ প্ৰস্তুত আছো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তাত ডি আই জিক পঠিয়াব লগা হৈছে, মুখ্যমন্ত্ৰী শূন্যসহনসীলতাৰ প্ৰতি কিমান দায়বদ্ধ সেইটো প্ৰমান নকৰে নেকি ? গতিকে এই কথাবিলাক আমি সকলোৰে চাব লাগিব। ২০১৬ চনত যেতিয়া আমি চৰকাৰ কৰিছো, আহিয়ে গোটেই ৰাজ্যৰ শাসনযন্ত্ৰটো আমি ঠিক কৰি ল'ব লগা হৈছে অধ্যক্ষ ডাঙৰীয়া। আপুনি ক'ব নোৱাৰে কাৰণ আপুনি অধ্যক্ষ, নিৰপেক্ষ। কিন্তু ব্যক্তিগতভাবে আপুনিও ক'ব ১৫ বছৰত শাসনযন্ত্ৰটো কেনেধৰণে চলিছিল। মইও ক'ম, সকলোৱে ক'ব। অসমৰ প্ৰতিজন জনসাধাৰণে ক'ব। শাসক হিচাপে শাসন যন্ত্ৰটো আমি নিকা কৰি আগবাঢ়ি যোৱাৰ বাবে সকলোৰে সহযোগ বিচাৰিছিলো। যাতে দুৰ্নীতি মুক্ত এখন অসম আমি গঢ়ি তুলিব পাৰো সেইটো আমাৰ প্ৰচেষ্টা। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰথম দিনৰ বক্তব্যত কৈছিল যে আমি এটা টীম আছাম। তাৰ অৰ্থ এইটো নহয় যে মই বি জে পিৰ সদস্যসকলক বেছিকৈ চাম আৰু বিৰোধী সদস্যসকলক গুৰুত্ব নিদিও। আমি সকলোকে সমান চকুৰে চাম। আমি সকলোৰে মিলি আমাৰ অসমখন সুন্দৰ কৰি গঢ়ি তুলিব লাগিব। আমি টীম আছাম হিচাপে কাম কৰিব লাগিব। আমাৰ মুখ্যমন্ত্ৰী ডাহৰীয়াই অধিবেশনৰ প্ৰথম দিনাই এই কথাখিনি পবিত্ৰ সদনত কৈছিল। সেই কথাখিনি মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজিও বাহাল ৰাখিছে। আমি যদি চাও , আমাৰ চৰকাৰ হোৱাৰ পিছতে আমি ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'লো। Cash for job scam, APSC লৈ এটা ডাঙৰ সমস্যাৰ সন্মুখীন হলো। এটা Constitutional Body ৰ বিপৰীতে আমি বিহীত ব্যৱস্থা ল'ব লগা হ'ল। যাৰ ফলত সেই সময়ৰ চেয়াৰমেন, মেম্বাৰ আজি জেলত। ৫২ জন বিষয়া আজি জেলত। ইয়াতকৈ আৰু দুনীৰ্তিবিৰোধী কাম এখন চৰকাৰে কৰিব পাৰিব নেকি ? অসমৰ ইতিহাসত কোনগৰাকী মুখ্যমুন্ত্ৰী ৫২ জন এ পি এছ - এ চি এছ অফিছাৰ , চেয়াৰমেন, মেম্বাৰ জেলত ৰাখি নিকা কথা কৈছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** Illegal Coal Mining আছেনে নাই ?

...হুলস্থূল...

**মাননীয় অধ্যক্ষ ঃ** প্লিজ প্লিজ....... ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ ডাহৰীয়া এই কথাখিনি মই নকলোহেতেন। কাৰণ অজন্তা নেওগ ডাঙৰীয়ানীয়ে কৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত জড়িত আছে আৰু শূন্য সহনশীলতাৰ কথা কৈছে।

...সদনত হুলস্থূল....

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে ধৈৰ্য্য ধৰক। কিবা এটা ক্ৰিটিচিজিম হ'লে ধ্যৈৰ্য ধৰিব লাগিব। আপোনালোকে উত্তৰ যদি শুনিবলৈ নোখোজে, আনে কিয় এইবিলাক। তেখেতক উত্তৰটো দিবলৈ দিয়ক। He will complete his speech. if you do not want to listen it is up to you. if you do not want to listen I do not force you to listen. but you have allow him to complete his speech.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া মই শুনিবই লাগিব। মই যদি দোষ কৰো শুনিবই লাগিব। কাৰণ শূন্য সহনশীলতাৰ কথাটো কৈছে।

( বিৰোধী দলৰ ফালৰ পৰা বাদ বিবাদ.... হুলস্থূল )

মাননীয় অধ্যক্ষ মহোদয়, শুনিব লাগিব। কাৰণ শূন্য সহনশীলতাৰ কথাটো অজন্তা বাইদেউয়ে

কৈছে নহয়। শূন্য সহনশীলতাৰ ব্যাখ্যাটো আমি দিব লাগিব। ১৫ বছৰীয়া শাসন ব্যৱস্থাটোৰ কথা আমি সকলোৱে জানো। গতিকে সেই যন্ত্রটোৰ পৰা প্রথমতে আমি এটা constitutional body ৰ against ত আমি এই অৱস্থালৈকে যাব লগা হ'ল। দ্বিতীয়তে, আই এ ওৱাইৰ দুই লাখ পঞ্চাশ হাজাৰ ঘৰৰ কোনোবাই প্রথমবাৰ কিস্তি পালে, কোনোবাই দ্বিতীয় কিস্তি পালে আৰু কোনোবাই নাপালে। অধ্যক্ষ মহোদয়, এই পইচা বিলাক কলৈ গ'ল? ............

...................................সদনত হুলস্থুল...................................

........... অধ্যক্ষ মহোদয়, মই এইবিলাক কথা ইয়াত নানিলো হয়। শূন্য সহনশীলতা আৰু মুখ্যমন্ত্রীক যে অজন্তা বাইদেউয়ে আঙুলিয়াই দিলে সেই কাৰণে এই কথাখিনি আনিব লগীয়া হ'ল।

**শ্রীমতী অজন্তা নেওঁগ (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাইছিলো যে চি বি আই তদন্ত দিয়ক। সদিচ্ছা থাকিলে চি বি আই তদন্ত দিলে হয়। মই এইখিনি কথাহে কৈছো।

**শ্রী চন্দ্র মোহন পাটোৱাৰী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্য সহনশীলতাৰ কথাটো শুনিব লাগিব কাৰণ তাৰ লগত সংগতি আছে। অধ্যক্ষ মহোদয়, এই পইচা বিলাক কলৈ গ'ল? আই এ ওৱাইৰ পইচা বিলাক দুর্নীতিত নপৰে নেকি? দুখীয়া দুই লাখ পঞ্চাশ হাজাৰ মানুহৰ নামত অহা আই এ ওৱাই ৰ ঘৰৰ পইচা আত্মসাৎ কৰাটো দুর্নীতি নহয় নেকি? ...............

**শ্রীশ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** ইল্লিগেল কোল মাইনিং আছেনে নাই? যদি আছে চৰকাৰে কি ব্যৱস্থা ল'ব? এই বিষয়ে চিম্পল উত্তৰ আমাক লাগে।

**শ্রী চন্দ্র মোহন পাটোৱাৰী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইল্লিগেল কোল মাইনিং নাই। ..........

...................................সদনত হুলস্থুল...................................

**Hon'ble Speaker ঃ** Please, this is not debate. This is 'ZERO HOUR'. You give me the paper. I will check it.

**শ্রী চন্দ্র মোহন পাটোৱাৰী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ উপৰিও আপুনি দেখিব যে যিখিনি দুখীয়া মানুহ আছিল তেওঁলোকে জবকার্ডৰ জৰিয়তে যি পইচা পাব লাগিছিল তাৰে চাৰে তিনি লাখ জবকার্ড আমি কেনচেল কৰিব লগীয়া হ'ল। .................

.................................সদনত হুলস্থুল...................................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী ডাঙৰীয়াই তেখেতৰ উত্তৰত নাই বুলি কৈছে। আপোনালোকৰ দায়িত্ব হৈছে যে যদি কিবা আছে আপোনলোকে দি দিয়ক। তেখেতে নিজেই চেক কৰিব। তেখেতে দায়িত্ব লৈছে। গতিকে আপোনালোকে তথ্যখিনি মোক দিয়ক। চৰকাৰে সততাৰে আগবাঢ়ি গৈছে। গতিকে আমি ইয়াৰ উত্তৰ দিম। যিহেতু ইচ্ছুটো স্পর্শকাতৰ। চৰকাৰ সদায় চলি আছে আৰু আমি সকলো চৰকাৰৰ লগতে অংশীদাৰ আছিলো। কথাটো হৈছে কেতিয়াবা যদি আগৰ চৰকাৰৰ কিবা ভুলৰ কথা কয় আপোনালোকে জাঙুৰ খাই নুঠিব। এনেকুৱা হৈ থাকিলে ইয়াত আলোচনা কেনেকৈ হ'ব? মন্ত্রী ডাঙৰীয়া আপুনি এতিয়া শূন্য কালীন ঘণ্টাৰ বিষয়টোলৈ আহক।

**শ্রীমতী অজন্তা নেওঁগ (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ উদ্দেশ্যটো হৈছে চিণ্ডিকেট নাইকিয়া হ'ব লাগে। ................

**মাননীয় অধ্যক্ষ ঃ** নেওঁগ ডাঙৰীয়াণী আপুনি ষ্টেটমেণ্ট দি দিব মন্ত্রী ডাঙৰীয়াই চেক কৰিব।

**শ্রী চন্দ্র মোহন পাটোৱাৰী, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্য সহনশীলতাৰ কথা যিয়ে কয়

আৰু দুৰ্নীতিৰে লুতুৰি-পুতুৰি হৈ অহা যিবিলাক মানুহ তেওঁলোকে শূন্য সহনশীলতাৰ বিষয়ে প্ৰশ্ন কৰিলে আমি এইখিনি কথা ক'বই লাগিব। .......................

................................সদনত হুলস্থুল...................................

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি জে পি যুৱ মৰ্চ্চাই কেইদিন মান আগত চিনামৰা থানাত কয়লা গাড়ীৰ পৰা টকা ডিমাণ্ড কৰিছিল। কি হ'ল ?

**Hon'ble Speaker ঃ** They should be arrested.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই মোক সহায় কৰাৰ বাবে তেখেতক ধন্যবাদ জনালো। ................

. ................................সদনত হুলস্থুল...................................

**মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, আপুনি অনুগ্ৰহ কৰি বহক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মীয়ে মোক সহায় কৰাৰ বাবে তেখেতক ধন্যবাদ জনালো কাৰণ শূন্য সহনশীলতাৰ কথাটো তেখেতে স্পষ্ট ৰূপত প্ৰতিষ্ঠা কৰিলে যে বি জে পি যুৱমৰ্চ্চাৰ মানুহকো যে আমি থানাত সোমাই দিছো............

...............................সদনত হুলস্থুল...................................

**Hon'ble Speaker ঃ** Please listen to the statement.

...............................সদনত হুলস্থুল...................................

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত শূন্য সহনশীলতাৰ কথাটো তেখেতসকলে স্পষ্ট ৰূপত প্ৰতিষ্ঠা কৰি দিলে। তাৰবাবে মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিলো। দ্বিতীয়তে, ...........................

...............................সদনত হুলস্থুল...................................

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা কথা কৈ ষ্টেটমেণ্টটো পঢ়ি দিম। এই দুটা কথা এই কাৰণে কম যে, বেআইনী ভাৱে ভুৱা নামত ৩ লাখ ৫০ হাজাৰ Job Card চলি থকাৰ কাৰণে বাতিল কৰিব লগা হৈছে আৰু দুই নম্বৰটো হ'ল যে ICDS Scheme ৰ জৰিয়তে ৭লাখ ৫০ হেজাৰ দুখীয়া ল'ৰা-ছোৱালী(For Children) ক আমাৰ চৰকাৰে প্ৰথমতে ভাত খুওৱা ব্যৱস্থা লৈছে। আগৰ চৰকাৰে এনেয়ে ৭লাখ ৫০ হেজাৰ ল'ৰা-ছোৱালীৰ তথ্য লৈ চলি আছিল। গতিকে অধ্যক্ষ ডাঙৰীয়া, ৭লাখ ৫০ হেজাৰ সৰু ল'ৰা-ছোৱালীৰ নামত, যিসকলে পইচা আত্মসাৎ কৰে, তেওঁলোকে আজি দুৰ্নীতিৰ বিৰুদ্ধে বক্তৃতা দিছে।

-----সদনত হুলস্থুল-----

**মাননীয় অধ্যক্ষ ঃ** -please go through the statement. You can lay the Statement. I want to close the chapter. ---হুলস্থুল----

**শ্ৰীমতী অজন্তা নেওগ, গোলাঘাট ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এজন দায়িত্বশীল মন্ত্ৰীয়ে এনেকৈ উত্তৰ দিলে নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** -আপোনালোকে দুৰ্নীতিৰ কথাটো যদি ইমান বেচিকৈ কৈ থাকে তেতিয়া এটা হুলস্থুলৰ পৰিৱেশ সৃষ্টি হয়। আমি Glass ৰ House ত থাকো, দলিয়ালে Glass ভাঙে। কথাটো হ'ল, বৰ্তমানৰ চৰকাৰখনৰ মুখ্যমন্ত্ৰীৰ দুৰ্নীতিৰ পৃষ্ঠপোষকতা আছে নেকি ? সেই প্ৰশ্নবোৰে আপোনালোকে ক'বলৈ লৈছে। আজি মই অধ্যক্ষৰ আসনৰ পৰা এটা Sensitive issue allow কৰিছো। কিন্তু আপোনালোকে এনেদৰে হুলস্থুল কৰি থাকিলে নহ'ব। মই Statement টো

দিবলৈ অনুৰোধ কৰিছো। Please kindly go to Statement.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি ভদ্ৰভাৱে কথা কওঁ।

---সদনত হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** যোৱা ৩ টা বছৰ মই House চলাই আছো। আপোনালোকে দেখি আছে এইবোৰ কথা। গতিকে মই কৈছো kindly go to Statement. মই ইয়াত House খন চলাব লাগিব আৰু আপোনালোক সকলোৱে বহিব লাগিব। Please, please Statement টো দিয়ক। You are a Minister.

**( সদনত একেলগে ভালকেইগৰাকী বিধায়কে ঠিয় হৈ কোৰাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**মাননীয় অধ্যক্ষ ঃ** Please sit down.আপোনালোকে মাজত নামাতিব। মন্ত্ৰী ডাঙৰীয়া Statementটো পঢ়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰে এই কথাটো দোহাৰিছে যে কোনো কয়লা ছিণ্ডিকেট নাই।

(---সদনত হুলস্থুল------)

**মাননীয় অধ্যক্ষ ঃ** আকৌ কেলেই মাতিছে? মাজত নামাতিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অবৈধ কয়লা খননৰ তথ্য আমাৰ যদি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে দিয়ে, দিয়াৰ ১ ঘন্টাৰ ভিতৰত আমি Action লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Statement.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অজন্তা বাইদেৱে কাগজ দেখাই কৈছে, আকৌ ক'ব নেকি? তেখেতসকলৰ কথা যদি ২৪ ঘন্টা ক'ব দিয়ে তথাপি শেষ নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়াবা সুযোগ পালে ক'ব, আজি এতিয়া Statement তলৈ আহক।

-----সদনত হুলস্থুল----

please, please....মোলৈ চাই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি বিজেপি চৰকাৰৰ কথা ক'বলৈ গ'লে ২৪ ঘন্টাতকৈ বেছি সময় লাগিব।

------সদনত হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** Rupjyoti Kurmi, what is this? Why are you shouting like that? Rupjyoti Kurmi,

(------সদনত হুলস্থুল------)

This is too much. I will have to take action against you.

(------সদনত হুলস্থুল------)

আপুনি বহিব নে নব'হে? মই বহিবলৈ কৈছো। আপুনি বহিব লাগিব।

(------সদনত হুলস্থুল------)

আপোনালোকৰ Leader অজন্তা নেওঁগে এটা কথা কৈছে। আপুনি বহিব লাগিব।

(------সদনত হুলস্থুল------)

আপুনি মাজত Interfare কৰিব নোৱাৰে।

আপুনি বহিব নে নবহে?

(------সদনত হুলস্থুল------)

ঠিক আছে, মই আজিৰ দিনটোৰ কাৰণে আপোনাক Suspend কৰিছো।

(------সদনত হুলস্থুল------) I have suspended you..... I have suspended you........ I have suspended you....... Marshal Please ....

(------সদনত হুলস্থুল------)

মই suspend কৰিছো আপোনাক, আপুনি যাব লাগিব।

I have suspended him. এনেকৈ House চলিব নোৱাৰে।

(------সদনত হুলস্থুল----)

আপুনি যাওঁক......... আপুনি যাওঁক........ আপুনি যাওঁক........

**(মাননীয় অধ্যক্ষ মহোদয়ে মাৰ্শ্বেলক মাননীয় সদস্য ৰুপজ্যোতি কুৰ্মীক সদনৰ বাহিৰত লৈ যোৱাৰ বাবে নিৰ্দেশ দিয়ে)**

(------সদনত হুলস্থুল------)

আপুনি যাব পাৰে। For the day I have suspended you.

(------সদনত হুলস্থুল------)

Leader of the opposition, Please controll him,

(------সদনত হুলস্থুল------)

House adjourned for 10 minuts.

**(দহ মিনিট স্থগিত হোৱাৰ পিছত সদন পুনৰ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া, আপুনি আৰম্ভ কৰক। Please read out your statement.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ২৮-১১-২০১৯ সংখ্যাত প্ৰকাশিত "অসমীয়া জন সাধাৰণ বাতৰি কাকতত প্ৰকাশিত বাতৰি ক'লা হীৰাৰ ছিণ্ডিকেট, ৰাজ্যৰ গৃহ বিভাগৰ চূড়ান্ত ব্যৰ্থতাক ধিক্কাৰ বিৰোধীৰ- চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় সদস্যা শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী আৰু মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই ইতিমধ্যে বিষয়টো উত্থাপন কৰিছে। গতিকে এই সম্পৰ্কত আমি চৰকাৰে স্পষ্ট ভাৱে কথাখিনি জনাব বিচাৰিছো। অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত আমি জনাওঁ যে, বৰ্তমানৰ চৰকাৰে কাৰ্যভাৰ লোৱাৰ পিছৰ পৰা দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত ৰাখিছে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে আৰু আগলৈও কৰি থাকিব। এই ক্ষেত্ৰত কোনো ধৰণৰ কথা চৰকাৰে আপোচ নকৰে। উক্ত বাতৰিত কোৱাৰ দৰে কয়লা, ছুপাৰি আদিৰ অবৈধ ব্যৱসায় ৰোধ কৰাত চৰকাৰৰ গৃহ বিভাগ ব্যৰ্থ হোৱা নাই। অসমত কয়লাৰ কোনো ছিণ্ডিকেট চলা নাই। কয়লাৰ সৰবৰাহ সংক্ৰান্তত কিছুমান অবৈধ কাৰ্যকলাপ চলি থকাৰ সম্পৰ্কে চৰকাৰে যেতিয়াই অৱগত হৈছে তেতিয়াই চৰকাৰে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিছে। কয়লাৰ অবৈধ খনন, পৰিবহন ইত্যাদিৰ ঘটনা হৈছে যদি তাৰ ওপৰত চৰকাৰে তথ্য পোৱাৰ পিছত তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰে বিধি মতে ব্যৱস্থা লোৱাত কোনো শিথিলতা প্ৰদৰ্শন এতিয়ালৈকে কৰা নাই আৰু ভৱিষ্যতলৈও নকৰে। এনে অপৰাধৰ লগত জড়িত ব্যক্তিৰ প্ৰতি চৰকাৰে সদায় কঠোৰ স্থিতি লৈ

আছে আৰু লৈ থাকিব। ইতিমধ্যে এই সম্পৰ্কত অনুসন্ধান ৰাজ্যৰ চি.আই.ডি. শাখাই কৰি আছে। বৰ্তমান চি.আই.ডি. শাখাই কৰি থকা অনুসন্ধান অব্যাহত আছে। বৰাক উপত্যকা হৈ মেঘালয়ৰ পৰা বাংলাদেশলৈকে কয়লা সৰবৰাহ আৰু অন্যান্য অপৰাধমূলক কাৰ্যকলাপৰ সংক্ৰান্তত কৰিমগঞ্জ থানাত ৰুজু হোৱা গোচৰ নং ৬৪৭/২০১৮ ইতিমধ্যে চি.বি.আই. লৈকে হস্তান্তৰ কৰা হৈছে। বিগত ১-০৫ ২০১৯ তাৰিখে ভাৰপ্ৰাপ্ত মুখ্য সচিবৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হৈছিল। এই সভাই বিভিন্ন সময়ত কিছুমান সামগ্ৰীৰ অবৈধ ব্যৱসায় বা পৰিবহনৰ সন্দৰ্ভত প্ৰকাশিত বাতৰি সমূহ পুংখানুপুংখভাৱে পৰ্য্যালোচনা কৰে। এই সামগ্ৰীবোৰৰ অবৈধ ব্যৱসায় আৰু পৰিবহন ৰোধ কৰাৰ বাবে সংশ্লিষ্ট বিভাগ সমূহৰ বিষয়াক লৈ এখন ৰাজ্যিক পৰ্য্যায়ত পৰ্য্যালোচনা সমিতি আৰু নিৰ্দ্দিষ্ট কিছুমান জিলাত জিলা প্ৰশাসন, আৰক্ষী, পৰিবহন, বিত্ত, বন আৰু পৰিৱেশ প্ৰভৃতি বিভাগৰ বিষয়াক লৈ এটাকৈ দল গঠন কৰাৰ আদেশ দিয়া হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেকখন জিলাতে এখন Task Force গঠন কৰি দিয়া হৈছে। Headed by DC. আৰু এই Task Force এ প্ৰত্যেক পোন্ধৰ দিনৰ মূৰে মূৰে এই যিবিলাক বাতৰি প্ৰকাশ কৰা হৈছে তাৰ ওপৰত পৰ্য্যবেক্ষণ কৰে আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰে। সেই Task Force এ ৰিপোৰ্ট কৰিব লাগে আমাৰ State Task Board Committee আছে Headed by Commissioner and Secretary Home. DC আৰু SP সকলে প্ৰত্যেক ক্ষেত্ৰতে তেওঁক ৰিপোৰ্ট কৰিব লাগে। পৰৱৰ্ত্তী সময়ত শেহতীয়াকৈ চৰকাৰে আদেশ নং HMA 19015/19/2019 Political (A) / 44 dated 01/11/2019 যোগে পৰিবহণ, বিত্ত(কৰ), বন আৰু পৰিৱেশ, আৱকাৰী বিভাগক কয়লা, শিল-বালি, চুপাৰি, পশুধনৰ অবৈধ ব্যৱসায় ও পৰিবহনৰ লগত জড়িত অবৈধ কাৰ্য্যকলাপ ৰোধৰ বাবে নিৰ্দ্দিষ্টকৈ দায়িত্ব দিয়া হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত এই খিনি কৰা হৈছে। প্ৰত্যেকটো বিভাগক এই সম্পৰ্কে কোৱা হৈছে যে ফৰেষ্টত যদি কিবা হৈছে ফৰেষ্ট বিভাগে চাওঁক, Mines and Minerals ত যদি কিবা খনন কাৰ্য্য হৈছে, তেওঁলোকে চাওঁক আৰু যদি কথাটো সত্য অতি সোনকালে পুলিচক ৰিপোৰ্ট কৰিব লাগে আৰু পুলিচে এঘণ্টাৰ ভিতৰত Action গ্ৰহণ কৰিব। এইটো মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত অতিৰিক্ত মুখ্য সচিব, সঞ্জয় কৃষ্ণ ডাঙৰীয়াৰ অধ্যক্ষতাত এই কমিটি গঠন কৰি প্ৰত্যেকখন জিলাত Task Force কৰা হৈছে। Transparency ৰো এটা limit আছে beyond limit transparncy আমি ৰক্ষা কৰিছো চৰকাৰে এই দুৰ্নীতিৰ ক্ষেত্ৰত। গতিকে অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে এই বিষয় সমূহৰ দায়িত্ব ন্যস্ত কৰা হৈছে। ২০১৬ চনৰ জানুৱাৰী মাহৰ পৰা ২০১৯ চনৰ ৩১ অক্টোবৰলৈকে অবৈধ কয়লা সৰবৰাহৰ সংক্ৰান্তত মুঠ ২৫৪ টা গোচৰ ৰুজু কৰা হৈছে। ৬৬৫ অবৈধ কয়লা ভৰ্ত্তি গাড়ী জব্দ কৰা হৈছে, আৰু ৪২২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। লগতে কৰিমগঞ্জ জিলাত আনকি এ চি এচ বিষয়াও গ্ৰেপ্তাৰ হৈছে এই ক্ষেত্ৰত। অধ্যক্ষ ডাঙৰীয়া, শেহতীয়াকৈ মই কওঁ যোৱা কালি পুলিচৰ অ' চি এজনে পইচা লোৱা অভিযোগ যেতিয়া প্ৰমাণ পাইছে সেই অ'চি জনকো যোৱাকালি যমুনা মুখত গ্ৰেপ্তাৰ কৰা হৈছে। জিলা ভিত্তিক বিতং তথ্য আমি ইয়াত গাঁঠি দিছো, সদনৰ জ্ঞাতাৰ্থে। কোনোবা সদস্যই চালে ইয়াত চাব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এইটো circulate কৰি দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ circulate নহয়, মই ইয়াতে দি দিম সদনত সকলোৰে লৈ লব। পৰিবহন আয়ুক্তৰ কাৰ্য্যালয়ৰ পৰা অভাৰলোড কয়লাৰ ট্ৰাক ধৰা হৈছে। ২০১৬ বৰ্ষত মুঠ ৫৯৩৬ খন কয়লাৰ ট্ৰাক তথা অন্যান্য সামগ্ৰী কঢ়িওৱা অভাৰলোড

ট্ৰাক ধৰা হৈছে। ২০১৭ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা বৰ্তমানলৈকে সৰ্ব্বমুঠ ৪৮৫৭ খন অভাৰলোড ট্ৰাক ধৰা হৈছে। তিনিচুকীয়া জিলাৰ দিহিংপাটকাই পাহাৰত অবৈধ উপায়ে কয়লা খনন কৰাৰ বিষয়ে বিভাগটো অৱগত আৰু তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষকৰ পৰা পোৱা তথ্য অনুসৰি ২০১৬ চনৰ পৰা বৰ্তমানলৈকে এই সংক্ৰান্তত ৭টা গোচৰ ৰুজু হৈছে, আৰু ইতিমধ্যে ২৫ টন কয়লা পৰিত্যক্ত অৱস্থাত জব্দ কৰা হৈছে কোনোবাই জংঘলৰ ভিতৰত মনে মনে যদি খাণ্ডিছিল সেইখিনি জব্দ কৰি ৰাখি থোৱা হৈছে। অসমৰ মুখ্য বন সংৰক্ষকৰ পৰা পোৱা তথ্য অনুসৰি বিভাগীয় ভাবে ২০ টা গোচৰ ৰুজু কৰা হৈছে আৰু তাৰ ওপৰত ব্যৱস্থা লৈ থকা হৈছে। পশুধনৰ অবৈধ সৰবৰাহ আৰু ব্যৱসায়ৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৬ চনৰ ১ জুনৰ পৰা ২০১৯ চনৰ চেপ্তেম্বৰ মাহলৈ পশুধন সৰবৰাহৰ বিৰুদ্ধে লোৱা ব্যৱস্থা - মুঠ গোচৰ -৬২৫ টা, গাড়ী জব্দ - ২০৩ খন, গৰু জব্দ কৰা হৈছে ৭০০০ টা মুঠ গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা - ৯০০ জন। অসম আৰক্ষীয়ে গৰু ব্যৱসায়ত জড়িত কুখ্যাত ব্যক্তি মহঃ চাৰফৰাজ পিঃ ৰহমান মিঞাক বিহাৰৰ পৰা গ্ৰেপ্তাৰ কৰিছে। অসম লোক সেৱা আয়োগে তদন্ত কৰি ইতিমধ্যে ব্যৱস্থা লৈছে আৰু অসম চৰকাৰে অসম লোক সেৱাত হোৱা দুৰ্নীতি তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্ম্মা ডাঙৰীয়াৰ অধ্যক্ষতাত এটি তদন্ত আয়োগ গঠনকৰি দিছে। অসম চৰকাৰৰ Vigilance And Anti Corruption বিভাগে বৰ্তমান প্ৰায় ৩০০ টা গোচৰৰ তদন্ত অব্যাহত ৰাখিছে আনকি যোৱা কালিও ডবকা থানাৰ উপ-পৰিদৰ্শকক ভেটি লোৱাত চৰকাৰৰ নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ে হাতে-লোটে ধৰা পেলাই আটক কৰিছে। দুৰ্নীতিত জড়িত কোনো বিষয়া কৰ্মচাৰী ৰেহাই নিদিয়াৰ বাবে চৰকাৰ বদ্ধ পৰিকৰ, আৰু এই ক্ষেত্ৰত আপুনি অলপ আগতে শুনিছে যে আমাৰ যৱ মৰ্চাৰ কোনোবা এইটোৰ লগত জড়িত আছিল যোৰহাটত আৰু তেওঁকো গ্ৰেপ্তাৰ কৰা হৈছে। যুৱ মৰ্চা (বিজেপি)ৰ। তাৰমানে আমি পাৰ্টীৰ মানুহকো ৰেহাই দিয়া নাই। শূন্য সহনশীলতা আমি সিমানলৈকে ৰাখিছো। বৰ্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিছত নিৰীক্ষণ ও দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ে মুঠ ৮৭ টা নিয়মিত তদন্ত পঞ্জীয়ন কৰিছে আৰু এই সংক্ৰান্তত ৭২ জন চৰকাৰী কৰ্মচাৰীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। এই চৰকাৰৰ দিনত অক্টোবৰ ২০১৯ লৈ মুঠ ১৭৫ টা নিয়মিত তদন্ত বিভিন্ন চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ বিৰুদ্ধে হাতত লৈছে। অধ্যক্ষ ডাঙৰীয়া, ২০১১ চনৰ পৰা যদি দেখা যায় ২০১৬ চনৰ জুনলৈকে আমাৰ চৰকাৰ অহাৰ আগমুহূৰ্তলৈকে পশুধনৰ অবৈধ ব্যৱসায় সন্দৰ্ভত মাত্ৰ ২৯৭ টা কেচ ৰুজু হৈছে, আৰু গ্ৰেপ্তাৰ হৈছিল মাত্ৰ ৪৯২ টা, আৰু পশুধন জব্দ কৰা হৈছিল মাত্ৰ ৬০০০, আৰু মুঠ গাড়ী জব্দ কৰা হৈছিল ৮০ খন। অধ্যক্ষ ডাঙৰীয়া ই নিশ্চয় ভালকৈ প্ৰমান কৰিছে যে Who is right, who is wrong. And everybody will understand probably. গতিকে অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা কৈ শেষ কৰিছো ১) কয়লা বা অন্য কোনো ছিণ্ডিকেট এই চৰকাৰৰ দিনত হোৱা নাই, হ'ব নিদিওঁ। এইখিনি মই দৃঢ়তাৰে ইয়াত কলো। এইটো মোৰ কথা নহয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ। মই মুখ্যমন্ত্ৰীৰ নিৰ্দেশ পালন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ আৰু ২য়তে অবৈধ খননৰ কথা যিটো কৈছে মাননীয় বিধান সভাৰ সকলো সদস্যক আমি অনুৰোধ কৰিছো কাৰোবাৰ হাতত যদি কিবা তথ্য আছে, কৰবাত অবৈধ খনন চলি আছে, তেতিয়া সকলো মাননীয় সদস্যই আমাক তথ্য দিয়ক আৰু তথ্য দিয়াৰ পাছত তৎকালীনভাবে সেই ধৰণৰ আমি ব্যৱস্থা গ্ৰহণ কৰিম। গতিকে

সদনৰ সকলো সদস্যক মই চৰকাৰৰ তৰফৰ পৰা এই ক্ষেত্ৰত অনুৰোধ জনাইছো। গতিকে অধ্যক্ষ ডাঙৰীয়া দুৰ্নীতিৰ শূন্য সহনশীলতা মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াই যিটো ঘোষণা কৰিছে, তাত আমাৰ চৰকাৰ আজিৰ দিনটোত অটল আছে। ভৰিষ্যতেও অটল থাকিব। ২০২১ চনৰ পাছত যিখন চৰকাৰ আহিব সেইখনেও অটলেই থাকিব এই ক্ষেত্ৰত, আমাৰ চৰকাৰ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। Thank you.

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে সেইটো একেবাৰেই সম্পূৰ্ন unspecific তেখেতকআমি যিখিনি প্ৰশ্ন সুধিছিলো, সেইখিনিৰ উত্তৰ দিয়া নাই। আমি বিচাৰিছিলো যিটো এটা specific আমি আনিছোৰেই, কয়লা ছিণ্ডিকেট, কয়লা অবৈধ খনন কিন্তু তেখেতে সেই গোটেইখিনি ফালৰি কাটি যিখিনি উত্তৰ দিছে, তেখেতে আগতেও তেনেকুৰা ধৰণৰ উত্তৰ দিয়ে। কিন্তু আমি সম্পূৰ্নৰূপে অসন্তুষ্ট হৈছো। specifically কৈছিলোৰেই যে চি বি আই ৰ তদন্ত লাগে।আমি ভাল পালো হয় চৰকাৰে যদি চি বি আই ৰ তদন্ত দিলে হয়।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, আপুনি দাবী কৰিছে চি বি আই ৰ তদন্ত হ'ব লাগে।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয় আমি চি বি আই ৰ তদন্ত দাবী কৰিছো কাৰণ আমি সন্তুষ্ট নহয়. এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে তাত আমি সম্পূৰ্ণ অসন্তুষ্ট। গতিকে আমি অসন্তুষ্টি প্ৰকাশ কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিকেইটা উত্তৰ দিলে, উত্তৰত তেখেতে ক'লে ২৫৬ টা গোচৰৰ ৬৬৫ ৰ ভিতৰত ৪২২ এৰেষ্ট। সেইখিনি ট্ৰাক, ড্ৰাইভাৰ, হেণ্ডিমেন ইত্যাদি বোধকৰো এৰেষ্ট কৰা হৈছে। কিন্তু দৈনিক হাজাৰ হাজাৰ যেতিয়া অবৈধ ট্ৰাক চলে, তাত মাত্ৰ ৪০৮৮ খন over loded ট্ৰাক ধৰা হৈছে আৰু এই over loded ৰ ট্ৰাকৰ যিটো চিষ্টেম আছে, MV ACt 179 এইটোৰ অধীনত তেওঁলোকৰ কাগজ-পত্ৰ চিজ কৰি এটা ফাইন লৈ বহুত অবৈধ বোজা লবলৈ দিয়া হয় আৰু সেইটো এটা চিণ্ডিকেট। ঠিক তেনেকৈ rate hole mining ৰ কথাটো বহুত পেপাৰত ওলাইছে। Rate hole mining ৰ যিটো বন্ধ কৰিব লাগে, সেইখিনি একো কৰা হোৱা নাই। গুৱাহাটীৰ জালুকবাৰীৰ ওচৰত ছুপাৰী গাড়ী বহুতখিনি ধৰিছিল, যিখিনি অসম চৰকাৰে এৰি দিব বিচাৰিছিল, তেতিয়া হাইকোৰ্টৰ হস্তক্ষেপত Directorate of Revenue Intelligence ৰ কথা কোৱা হৈছে। এতিয়া মই মুল কথাটোলৈ আহো ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত আমি চি বি আইৰ তদন্ত সদনত বিচাৰিছিলো, আপোনাৰ হাতত কিছু তথ্য দিছিলো আৰু ১৯৯৪ চনতে চি বি আই ক এই সদনত মুখ্যমন্ত্ৰীয়ে কেছ দিছিলে এল অ' চি গোচৰ, যিটো কৈছে, মুখ্যমন্ত্ৰী সেই সময়ত কংগ্ৰেছৰ আছিল। আমি বিচাৰিছো, কয়লাৰ পুঁজি। কয়লা হ'ল এটা major mineral. Major mineral হ'লে চেণ্ট্ৰেল চাবজেক্ট হয়। গতিকে state ৰ ইমান purview নাথাকে। গতিকে চেণ্ট্ৰেলৰ দিয়াতো অতি জৰুৰী আৰু অবৈধ নহয়, বৈধভাৱে ব্যৱসায় কৰিবলৈ, আহাদ হুছেইন নামৰ এজন ব্যৱসায়ীয়ে চৰকাৰলৈ আবেদন জনাইছিল, তেওঁক পাৰমিশ্যন দিব লাগে। তেওঁক পাৰমিশ্যন দিয়া নহ'ল এই বিষয়ত হাইকোৰ্ট বা প্ৰধান মন্ত্ৰীলৈকে তেখেতে চিঠি লিখাৰ আমাৰ হাতত তথ্য আছে। ঠিক তেনেকৈ অসম বিধান সভাৰ মজিয়াত কেইবাবাৰো ক'লো, মোৰ সমষ্টিত এখন নৈ আছে, সীমান্তবৰ্তী দিখৌ নৈ, তাত অবৈধ শিল বালি আৰু নাগিনীমৰাৰ পৰা কয়লাৰ false TP লৈ কয়লা সৰবৰাহ চলি থাকে, সেইটো এটা চি বি আই গোচৰ হৈ আছে। ঠিক তেনেকৈ এতিয়া অসমৰ সীমাৰ মাটিখিনি disputed

land বুলি কৈ তাত দিনে-ৰাতিয়ে চলাই আছে, শ্মশান ধ্বংস কৰিছে আৰু এই গোটেইখিনি কথা লৈ গুৱাহাটী হাইকোৰ্টত এখন পি আই এল দিছিলো যোৱা ২১ অক্টোবৰৰ দিনাখন পি আই এল টো ৰায় দিলে আৰু সেই পি আই এলত অসম চৰকাৰক পক্ষ ৰাখিব দিয়া হ'ল, তেখেত সকলৰ এটা বিভাগে ক'লে কোনো অবৈধ খনন হোৱা নাই, এটা বিভাগে ক'লে অবৈধ খনন হৈছে, আমি জব্দ কৰিছো। সেই গতিকে হাইকোৰ্টে সন্তুষ্ট হৈ এটা Task Force গঠন কৰিব দিছে, এটা High Power Committee কৰিব দিছে, এই কথাখিনিও যদি আজি সদনত উল্লেখ হ'ল হয়, সেই গতিকে এইবিলাকে প্ৰমাণ কৰিছে যে, চিণ্ডিকেট চলি আছে, হাইকোৰ্টও Convince হৈছে এই কথাটোত। গতিকে মহোদয়, মই আৰু বিশেষ নকওঁ, যিহেতু আমি বাৰম্বাৰ ডিমাণ্ড কৰি আহিচো জি এচ টি, চি এচ টি সকলোবিলাক চেণ্ট্ৰেলৰ এতিয়া। গতিকে কৰ ফাঁকি কথাখিনিও আছে। গতিকে চি বি আই ৰ তদন্তটো আটাইতকৈ উপযুক্ত আৰু অকল এটাই স্পেচিফিক কেছ নিদি অসমৰ গোটেইখিনি এনেকুৱা ধৰণৰ যিমান অভিযোগ আহিছে, গোটেইখিনি চি বি আইৰ তদন্তত দিয়াটো উচিত। আপোনাৰ পৰা এই দিশত মন্ত্ৰী মহোদয়ৰ পৰা এটা সমৰ্থন বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, এইটোৰ ক্ষেত্ৰত কিবা কমেণ্ট দিব নেকি ?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, Leader of the Opposition ডাঙৰীয়াই যিটো কথা কৈছে, যে আমি ট্ৰাক ৪২২ খন ধৰা বুলি কৈছে সেইটো নহয় এতিয়ালৈকে ৫৯৩৬ খন over loded ট্ৰাক আমি ধৰিছো। গোটেই বিষয়টো যিহতুকে চি আই ডি তদন্ত কৰি আছে এতিয়া Vigilance & Anti Corruption Department য়ে যিহেতুকে এই বিষয়টো ইতিমধ্যে তদন্ত কৰিছে আৰু চি বি আইক যিহেতুকে ইতিমধ্যে কৰিমগঞ্জৰ এই ঘটনাটো চি বি আইক মাননীয় মুখ্য মন্ত্ৰীয়ে ইতিমধ্যে চিঠি লিখি দিছে। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম পুলিচৰ ওপৰত আজি দিনটোত বিৰোধী সকলৰ বিশ্বাস নাই যে অসম পুলিচ ইমান দুৰ্বল নেকি ? যে ইয়াত চি বি আই লাগিব অসম পুলিচ বেয়া, অসম পুলিচৰ কোৱালিটি নাই।

**মাননীয় অধ্যক্ষ ঃ** এনেকুৱা argument ত নাযাব।

(সদনত হুলস্থুল)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** চৰকাৰৰ সদিচ্ছা থকাৰ কাৰণে শূণ্যসহনশীলতা নীতিত ভিত্তি কৰি আমি এইখিনি আৰম্ভ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -২

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ চলিত শীতকালীন অধিবেশনত ২০১৯-২০২০ চনৰ দাবী মঞ্জুৰীৰ বাবে দাবী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ ইংৰাজী ২৮ নৱেম্বৰ, ২০১৯ তাৰিখে অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত কৰা হয়।

বৈঠকত দাবী মঞ্জুৰীসমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰি সৰ্বসন্মতিক্ৰমে ইং ৩০ নৱেম্বৰ, ২০১৯ তাৰিখে নিম্নোলেখিত দাবী মঞ্জুৰীটো অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

| ক্ৰমিক নং | মঞ্জুৰী নং | দাবীৰ নাম | অগ্ৰাধিকাৰ ভিত্তিত নিৰ্দ্ধাৰিত নং |
|---|---|---|---|
| ১। | ৭১ | শিক্ষা<br>(প্ৰাথমিক, মাধ্যমিক ইত্যাদি) | ১ |

আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰঃ-

| | |
|---|---|
| মুঠ সময় | - ৩ ঘণ্টা ৩০ মিনিট |
| ১। ভাৰতীয় জনতা পাৰ্টি | - ১ ঘণ্টা ৪২ মিনিট ( মাননীয় শিক্ষা মন্ত্ৰীৰ উত্তৰ সহ) |
| ২। ভাৰতীয় জাতীয় কংগ্ৰেছ | -৪১ মিনিট |
| ৩। অসম গণ পৰিষদ | -২৪ মিনিট |
| ৪। এ আই ইউ ডি এফ | -২৪ মিনিট |
| ৫। বি পি এফ | -২১ মিনিট |
| ৬। নিৰ্দলীয় | -২ মিনিট |

ওপৰোক্ত অগ্ৰাধিকাৰ দিয়া মঞ্জুৰীৰ বাবে দাবীটোৰ ওপৰত আলোচনা হোৱাৰ পাচতো যদি সময় থাকে, তেন্তে বাকী থকা মঞ্জুৰীসমূহ একাদিক্ৰমে আলোচনা কৰিবলৈ সমিতিয়ে সন্মতি জনায়।

ইয়াৰোপৰি অহা ৬ ডিচেম্বৰত বিধান সভাত জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫০ বছৰীয়া **মাননীয় অধ্যক্ষঃ** জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত হ'বলগীয়া বিশষ অনুষ্ঠান ২ ঘণ্টীয়া কাৰ্য্যসূচীৰে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু গান্ধীজিৰ মাৰ্গ দৰ্শনৰ ওপৰত প্ৰত্যেক বিধায়িনী দলৰ এজনকৈ মুখ্য বক্তাই অংশ গ্ৰহণত সন্মতি প্ৰদান কৰা হয়।

আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে।

**শ্ৰীআমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order এটা আছে। এই সদনত যদি কোনোবাই কথা কয়, আপোনাক উদ্দেশ্য কৰি কব লাগে আৰু সদনৰ পৰা কোনো বিষয়া বা প্ৰেচৰ ফালে চাই কব নালাগে।

**মাননীয় অধ্যক্ষঃ** আপোনাকে ৰুলখন চাব। মই কৈ আছো যে, You should adress to the chair. ইয়াত অলপ অসুবিধা হৈছে। নতুন যিটো সদন কক্ষ হব তাত এই সমস্যাটো নাথাকে। এই কথাবোৰ আজিয়ে হোৱা নাই, এই সমস্যাটো ৩০-৪০ বছৰৰ পৰা মইও দেখিছো। গতিকে কথাটো হৈছে যে, আমি পৰাপক্ষত যিমান পাৰো restraint হব লাগে আৰু আপোনালোকে জানে ইয়াত যেতিয়া এটা আলোচনা এটা হয়, এই আলোচনাটোত কোনো জিকা হৰাৰ নহয়। সদনত কথা কয় ৰাইজে সেইটো গ্ৰহণ কৰি কি সিদ্ধান্ত লয় ৰাইজে লব। এনেকুৰা হয় যে আমাৰতো মানিব লাগিব, আপোনালোকে কব, আপোনালোকৰতোও মানিব লাগিব। এইটো নকৰি এটা সুস্থ ভাৱে বিৰ্তকটো কৰিলে ভাল হব। মই আজি কৈছো, মাননীয় সদস্য শ্ৰী পৰিন্দ্ৰ ডেকাৰ আজি এখন কিতাপ উন্মোচন কৰিছো তাত চাব, তেতিয়াও বিৰ্তক বিলাক হৈছিলকিন্তু তেতিয়াৰ বিতৰ্কবিলাকত এনেকুৰা ধৰণৰ নাছিল। এজনে কলে ইজনেও উঠি দিয়া কথাটো মই একেবাৰে বুজি নাপাও, এনেকুৰা কিয় কৰে। অকনমান ধৈৰ্য্যধৰি মোকো যদি কয় যে, মোৰ এটা কবলগীয়া আছে, কেতিয়াবাতো মই দিও। সদায় দিব নোৱাৰিব পাৰো। কিবা অভিযোগ থাকিলে লিখি ৰাখক। সকলোৰে সহযোগ কৰক।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যিহেতু আপুনি কৈছে যে, সমিল-মিলে কৰিব লাগে। আমাৰ এজন সদস্যক আপুনি নিলম্বন কৰিছিল, আমি অনুৰোধ কৰিম তেখেতক আহিবলৈ অনুমতি দিব লাগে। কথাখিনি চাই লওক।

**শ্ৰীৰঞ্জিত দত্ত (হস্ততাত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন সদস্য ৰূপজ্যোতি কুৰ্মীযে, আপুনি ৰুলিং দিয়াৰ পাছতো তেখেতে বহা নাই। আমি যথেষ্ট দুঃখিত যে আপুনি সন্মানীয়

অধ্যক্ষ হৈ এজন সদস্যক যেতিয়া ৰুলিং দিয়ে বাৰে বাৰে আপুনি ৰুলিং দিছে তেওঁ বহি থকা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আধা ঘণ্টা কাৰ্য্যসুচী আছে, কিবা ভাবে নেকি।

(সদনত হুলস্থুল)

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** তেন্তে আমি boycott কৰিম এইটো কাৰণত।

**মাননীয় অধ্যক্ষঃ** সদনত মোক এটা লাগিব concensus লাগিব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাক কবলৈ দিয়ক।

**মাননীয় অধ্যক্ষঃ** আপুনি ২৯৭ ৰ ৰুলটো পঢ়ক আৰু কওঁক যে এইটো পাৰে বুলি। মই আনিবলৈ হ'লে এটা formal motion দিব লাগিব। দুয়োটা পক্ষৰ পৰা motion পাচ হব লাগিব, নহলে মই আনিব নোৱাৰো। ইয়াত লিখা আছে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো মানি লোৱা নাই আৰু আমাৰ এজন সদস্যক আজি আপুনি ইয়াত নিলম্বন কৰিছে। আপোনাৰ ৰায়ৰ বিৰুদ্ধে। আজি আপুনি যেনেধৰণে পক্ষপাতিত্ব কৰি ৰায় দিছে। আমি ইমান দেৰি কোৱা নাছিলো কাৰণ, এজন সদস্যই আপোনাক চেলেঞ্জ কৰিলে। আপোনাক কলে যে, আপুনি যদি বিৰোধী পক্ষক দি থাকে দি থাকক।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** কথা সকলোৱে কব পাৰে। ঠিক আছে, এইটো আপোনালোকৰ ওপৰত ডিপেণ্ড কৰিব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** আপুনি যদি অধ্যক্ষ মহোদয় নিদিয়ে তেতিয়া হলে আপোনাৰ এই ৰায়টো আমি মানি লব পৰা নাই। সেইকাৰণে আমি সভা কক্ষ ত্যাগ কৰিছো।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং ৩। মাননীয় সদস্য শ্ৰীপৰিন্দ্ৰ ডেকা ডাঙৰীয়াই এতিয়া অসম বিধান সভাৰ তেখেতৰ বিষয়টো ৫৪ নং দফাৰ তলত উত্থাপন কৰিব।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সিদ্ধান্ত লৈছো boycott কৰিছো।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰুল নং ৫৪ৰ ওপৰত মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ নাথ ডেকায়ে বক্তব্য ৰাখিব।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নিয়মৰ অধীনত ২০১৯ চনৰ ৮ নবেম্বৰ তাৰিখৰ "অসম বাণী" কাকতত প্ৰকাশিত **"বছৰটোত ৭০-৭২ বিধ খাদ্য সামগ্ৰীতে হয় ভেজালকৰণ"** - শীৰ্ষক বাতৰিটোৰ প্ৰতি মই অসম চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, যোৱা ০৮-১১-২০১৯ তাৰিখে অসম বাণী কাকতত এটা বাতৰি পৰিলক্ষিত হৈছিল। ইয়াত কৈছে যে - **"বছৰটোত ৭০-৭২ বিধ খাদ্য সামগ্ৰীতে হয় ভেজালকৰণ"**। মই কাকতত থকা কিছু অংশ পঢ়ি দিছো - খাদ্যৰ নামত বৰবিহ খাবলগীয়া হৈছে ৰাজ্যৰ জনসাধাৰণে, খোৱা পানীকণৰ পৰা গাখীৰলৈকে, শাক-পাচলিৰ পৰা মাছ-মাংসলৈকে সকলোতে এতিয়া ভেজাল। গুৱাহাটীৰ বামুণিমৈদামস্থিত খাদ্য পৰীক্ষাগাৰৰ শেহতীয়া তথ্যই এই ভয়াবহ প্ৰতিচ্ছবি পোহৰলৈ আনিছে। এচাম ব্যৱসায়ী তথা খাদ্য প্ৰস্তুতকৰ্তা কোম্পানীয়ে অধিক লাভৰ আশাত জনসাধাৰণক

পংগুত্বৰ পথলৈ ঠেলি দিছে। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়া সকলে নিজস্ব আইনৰ অধীনত ভেজাল খাদ্য বিক্ৰীকৰা ব্যৱসায়ী সকলক চিনাক্তকৰণ কৰিব লাগে যদিও বিষয়া সকলে বজাৰ পৰিদৰ্শন নকৰাৰ ফলত জনসাধাৰণে ভেজাল খাদ্য খাবলগীয়া হৈছে। এই ক্ষেত্ৰত খাদ্য পৰিচালক সকলকো কিছু পৰিমানে দোষাৰোপ কৰা হৈছে। অধ্যক্ষ মহোদয়, খাদ্য ভেজালকৰণ কৰাটো নতুন নহয়, আমি সৰুৰে পৰা এইটো শুনি আহিছো। আনকি নেহৰুৱে ভেজালকাৰীক লাইটপষ্টত ফাচী দিম বুলিও কৈছিল। এই ভেজাল কৰণ এতিয়া ইমান বেছি হৈছে অকল মাছ-কণীৰ কথা যে কৈছো এনে নহয়, ফল-মূল, দালি, চেনী, মিঠাতেল আদি যি অত্যাৰশ্যকীয় সামগ্ৰী আছে সকলোবোৰতে ভেজালকৰণ হৈছে। আমাৰ যি ''সুহৃদ'' আঁচনি আছে, বিধায়ক হিচাপে আমি গম পাওঁ ঘৰে ঘৰে কিডনি, হাৰ্ট, আদিৰ পেচেন্ট আছে। এইবিলাক ভয়ংকৰ ভাৱে দিনে দিনে বাঢ়ি গৈ আছে। গতিকে এই খাদ্য ভেজালকৰণটো বন্ধ কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। সম্পূৰ্ণ যে বন্ধ কৰিব পাৰিব এইটো আশা কৰিব নোৱাৰো কিন্তু ইয়াক অন্ততঃ কিছু কমাবৰ চেষ্টা কৰিব পাৰি। আমাৰ যিসকল পৰিদৰ্শক আছে, এই পৰিদৰ্শক সকলৰ কৰ্তব্যত বহুখিনি গাফিলতি আছে। তেওঁলোকে কেতিয়াওঁ বজাৰ বিলাকলৈ গৈ খাদ্যবোৰ ভালকৈ নাচায়। মাছ মাংস যত বিক্ৰী কৰে তাত কি অৱস্থা বজাৰ কৰো কাৰণে নিজ চকুৰে দেখি থাকো। গতিকে এই অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু ৰাজ্যখনত যে ইমান বেমাৰ হৈছে এই কথাটো বাৰে বাৰে বিভিন্ন নিবন্ধকাৰে ডাক্তৰ সকলে লিখি আছে। এই খাদ্যৰ পৰা বিভিন্ন দুৰাৰোগ্য ৰোগবোৰ ৰাজ্যখনত বিয়পি পৰিছে। আজি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অসমৰ ৰোগী পাবই। মোম্বাইৰ অসম হাউচতটো ঠায়েই নাই। গতিকে মই জানো মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে তেখেতে এই সম্পৰ্কত বিবৃতি দিব। কিন্তু তেখেতে যাতে ইয়াৰ ওপৰত এটা ব্যৱস্থা লয়। বজাৰবোৰ যাতে তেখেতে মাজে মাজে নিজে গৈ চোৱাৰ লগতে পৰিদৰ্শক সকলক মাতি আনি যাতে বিহিত ব্যৱস্থা লয় এই আশা কৰি মই এই বাতৰিটো ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে কব।

**শ্ৰী পিযুষ হাজৰিকা (স্বাস্থ্য বিভাগৰ স্বতন্ত্ৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় জ্যেষ্ঠ সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই অসম বাণী কাকতৰ বাতৰিটো লৈ ৰুল নং ৫৪ জড়িয়তে যিটো প্ৰশ্ন উত্থাপন কৰিছে এই প্ৰশ্নটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মই উপলব্ধি কৰিছো। আমি আমাৰ বিভাগৰ পৰা খাদ্যৰ ভেজালীকৰণ ৰোধ কৰিবলৈ কি কি ব্যৱস্থা হাতত লৈছো এই বিষয়ে আমি সদনৰ মাধ্যমেৰে অসমৰ ৰাইজৰ কিছু জনাবলৈ সক্ষম হম। অধ্যক্ষ মহোদয়, এই বাতৰিটো সম্পূৰ্ণৰূপে তথ্য ভিত্তিক নহয়। খাদ্য সুৰক্ষা বিভাগে সময়ে সময়ে নিৰন্তৰভাৱে বিভিন্ন বজাৰত, দোকানত অসমৰ বিবিন্ন ঠাইত গৈ চেম্পুল সংগ্ৰহ কৰি আনে। চেম্পুল সংগ্ৰহ কৰি আনি বামুণীমৈদামস্থিত লেবৰেটৰীত পৰীক্ষা কৰাৰ ব্যৱস্থা কৰে। তাত আমি নিম্ন মানৰ আৰু অনুপযুক্ত দুটা কেটেগৰীত ভাগ কৰো। আমি কেতিয়াবা বজাৰৰ পৰা গাখীৰ উৎপাদিত সামগ্ৰী আনো। ২০১৮-১৯ চনত আনি আমাৰ ফুড চেফটি ডিপাৰ্টমেন্টে কেনেকুৱা চেম্পুল কালেকচন কৰিছে আৰু আমাৰ লেবৰেটৰীত কিমান পঠাইছে তাৰ কেইটামান উদাহৰণ দিব বিচাৰিছো -

| ২০১৮-১৯ বৰ্ষ | সৰ্বমুঠ দ্ৰব্য সংগ্ৰহ | | নিম্ন মানদণ্ডৰ দ্ৰব্য | | বিপদজনক দ্ৰব্য |
|---|---|---|---|---|---|
| গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদিত সামগ্ৰী | -৯৬ টা- | -- | ২৫ টা | -- | ১ টা |
| খোৰা তেল, বনস্পতি | -৬৯ টা | -- | ৬ টা | -- | ১ টা |
| চাউল-দালি জাতিয় শস্য | -৫৪ টা | -- | ৫টা | -- | ৪ টা |

অধ্যক্ষ জাঙৰীয়া, এই কেইটা মই মাত্ৰ উদাহৰণহে দিছো। গোটেইখিনি ক'বলাগিলে সময় লাগিব। সেয়েহে আপোনাৰ যোগেদি মই মাননীয় সদস্যগৰাকীলৈ তালিকাখন পঠাই দিম।

আমাৰ নিয়মটো হ'ল এনেকুৱা যে- যেতিয়া কোনো সামগ্ৰী বিপদজনক বা নিম্ন মানদণ্ডৰ হয় তেতিয়া আমি প্ৰতিখন জিলাৰ উপায়ুক্তলৈ কেচসমূহ ৰেফাৰ কৰি দিওঁ। আমি ক্ৰিমিনেল প্ৰচিডিংচ হওঁক বা চিভিল প্ৰচিডিংচ হওঁক আমাৰ বিভাগে ল'ব নোৱাৰে কিন্তু প্ৰত্যেক জিলাৰ উপায়ুক্তসকলৰ নেতৃত্বত থকা আদালতে সেই ধৰণৰ গোচৰ বিলাক মীমাংসা কৰে। আমি ২০১৮-১৯ বৰ্ষত এতিয়ালৈকে ৭ টা ক্ৰিমিনেল কেচ দিছো আৰু ১৪ টা চিভিল কেচ আমি ৰেফাৰ কৰিছো। উপায়ুক্তসকলৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰিছো। ২০১৭-১৮ বৰ্ষত ৪ টা ক্ৰিমিনেল কেচ আৰু ৩৯ টা চিভিল কেচ আমি ৰেফাৰ কৰিছো ২০১৬-১৭ বৰ্ষত ৩ টা ক্ৰিমিনেল কেচ আৰু ২৩ টা চিভিল কেচ, ২০১৫-১৬ বৰ্ষত ১০ টা ক্ৰিমিনেল কেচ আৰু ৮০ টা চিভিল কেচ আমি কোৰ্টলৈকে প্ৰেৰণ কৰিছো।

অধ্যক্ষ ডাঙৰীয়া, আমি যিমানখিনি পাৰো বিভাগীয় ভাবে আমাৰ বিষয়াসকলেও বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে লৈছে আৰু আমি অসমৰ মানুহক যাতে অনুপযোগী বেয়া আৰু ভেজাল খাদ্যৰ পৰা ৰক্ষা কৰিব পাৰো তাৰ বাবে নিৰন্তৰ প্ৰক্ৰিয়াৰে আমাৰ কাম চলাই আছো।

মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই সদনত জনাবলৈ পাই সুখী হৈছো Food Safety department তে প্ৰত্যেকখন খাদ্যৰ লগত জৰিত দোকানক বা ৰেষ্টুৰেণ্টক বা হোটেলক licence দিয়াৰ ব্যৱস্থা কৰো। **২০১১-১২** বৰ্ষত licencing ৰ পৰা revenue collection হৈছিলে ৫.৭৫ লাখ টকা, **১৬** খন licence দি। **২০১২-১৩** চনত ৯৪৯ খন licence খন দিছিলো **১,৩৩,৬৯০০০** টকা আমি পাবলৈ সক্ষম হৈছিলো। **২০১২-১৩** চনত ৮০,৮০,৪০০ টকা পাবলৈ সক্ষম হৈছিলো licencing ৰ পৰা। আমি **২০১৮-১৯** চনতপাবলৈ সক্ষম হলো **২,৯৪,৪৪,৬০০** টকা । **২০১৭-১৮** চনত **১,৩৭,৮৯,১০০** টকা আৰু **২০১৮-১৯** চনত পাবলৈ সক্ষম হলো **২,৯৪,৪৪,৬০০** টকা। মানে আমি **১০০** শতাংশতকৈ বেছি licence দি ৰাজহ পাবলৈকে সক্ষম হৈছো। মই ইয়াৰ পৰা কব বিচাৰিছো যে Food Safety department তে আগতকৈ কাম কৰিছে, ৰাইজৰ কাৰণে কাম কৰিছে। আমাৰ যিসকল ব্যৱসায়িক তেখেতসকলক নিয়ম কানুন মানিবলৈকে বাধ্য কৰিছে তাৰ ফলত আমাৰ যথেষ্ট সংখ্যাক ৰাজহ সংগ্ৰহ হৈছে এই কথাটোৱে প্ৰমাণ কৰে। আজি অধ্যক্ষ ডাঙৰীয়াই মই বাতৰিটো পঢ়ি ছাইছিলো গড় হিচাবে **৭০-৭২** তিনিটা বছৰত ভেজাল কৰণ বুলি উলিয়াছে। মই আকৌ কৈছো যে এই তথ্যভিত্তিক নহয়, এইটো হৈছে standard আৰু sub-standard। sub-standard খিনি ইয়াত আছে যে কিছুমানক আমি panelty দিওঁ আৰু কিছুমানক criminal case হয়। কিন্তু গোটেইখিনি সন্মানীয় উপায়ুক্ত সকলে চাই। মই দুটা মাত্ৰ উদাহৰণ দিবলৈ বিচাৰিছো Bisleri আৰু Bailey বুলি দুটা জনপ্ৰিয়

মিনাৰেল ওৱাটাৰৰ কোম্পানী আছে। Bisleri company ক এক মাহৰ কাৰণে নিশিদ্ধ ঘোষণা কৰিছিলো। Bisleri company ৰ পানীত ফ্লোৰাইড ওলাইছিলে আৰু mirco biologically unsafe আছিলে। Bailey company ৰ mirco biologically unsafe আছিলে। গতিকে এই দুয়োটা কোম্পানীক এক মাহৰ কাৰণে নিষিদ্ধ কৰিছিলো। আমাৰ নিয়মটো আছিলে যে আমি কোনো কোম্পানীকএক মাহৰ কাৰণে বা **১৫** দিনৰ কাৰণে নিষিদ্ধ কৰো। আমি notice দিওঁ যাতে তেখেতসকলে উন্নতমানৰ খাদ্য সামগ্ৰী বিক্ৰী কৰে। আমি একেবাৰে নিষিদ্ধ কৰিব নোৱাৰো। তাৰ পিছত তেখেতসকলৰ পৰা sample collection কৰি আকৌ পৰীক্ষা কৰি চাওঁ, যদি আমি ভাল পাওঁ তেতিয়া হ'লে সেই খাদ্যসামগ্ৰীবিধক চলাবলৈ দিওঁ। গতিকে মই মাননীয় সদস্যগৰাকীয়ে যিটো বিষয় উপস্থাপন কৰিছে মই তেখেতৰ ধন্যবাদ জ্ঞাপন কৰিছো, মই তেখেতক কথা দিছো আৰু আমি সক্ৰিয় হবলৈকে চেষ্টা কৰিম, আমাৰ খাদ্য সুৰক্ষা বিভাগৰ প্ৰত্যেকজন বিষয়া কৰ্মচাৰীয়ে এই ক্ষেত্ৰত কেতিয়াও পিছ হুহকি নাথাকিব। অসমৰ ৰাইজক বচোৱাৰ দায়িত্ব আমাৰ, অসমৰ ৰাইজৰ ভিতৰত ময়ো এজন, আপুনিও এজন ইয়াত থকা **১২৬** জন সদস্যও পৰি গতিকে ভেজাল খাদ্য যদি বেলেগকৈ খাই আমিও নিশ্চয় খাব লাগিব। তাৰ প্ৰতি নিশ্চয়কৈ আমি সচেতন। এনেকুৱা সচাঁকৈ হবলৈ দিয়া নহব, তাৰ কাৰণে সজাগ। আমি ভেজালকৰণৰ বিৰুদ্ধে কাম কৰিম। তাৰ কাৰণে মই পবিত্ৰ সদনক প্ৰতিশ্ৰুতি দি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া pending resolution যিটো আছে যোৱাবাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে পুৰকায়স্থ, জাকিৰ হুছেইন সিকদাৰ, হাফিজ বছিৰ আহমেদ, আমিনুল ইছলাম, আৰু বৃন্দাবন গোস্বামীয়ে এই সংকল্প প্ৰস্তাৱটো submit কৰিছিল। আৰু এই গোটেই কেইজন সদস্যৰ উপৰিও মাননীয় সদস্য মৃণাল শইকীয়া, দেৱানন্দ হাজৰিকা, সুমন হৰিপ্ৰীয়া, ভুবন পেগু, চক্ৰধৰ গগৈ, কমল সিং নাৰ্জাৰী আৰু গুৰুজ্যোতি দাসে ইয়াত বক্তব্য ৰাখিছিল। এতিয়া আজি এজন বক্তা আছে, তেখেতে যদি বক্তব্য ৰাখিব বিচাৰে ৰাখিব পাৰে।

**ডাঃ ৰণোজ পেগু (ধেমাজি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বক্তব্য ৰাখিব দিয়াৰ কাৰণে ধন্যবাদ। মই ধেমাজি বিধান সভা সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো আৰু আমি সকলোৱে জানো যে ধেমাজি অসমত বানপানী, গৰাখহনীয়া সমস্যাৰ ওপৰত সদায় শিৰোনাম দখল কৰি আহিছে। কিন্তু মন কৰিলে আমি দেখা পাম মাননীয় অধ্যক্ষ মহোদয়, যোৱা **২০১৬** চনত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পৰা বানপানী শিৰোনামৰ পৰা ধেমাজি বহু পৰিমাণে কমি আহিছে। যোৱা বছৰ কেইটাত যি তৎপৰতাৰে চৰকাৰ আৰু বান-নিয়ন্ত্ৰণ ব্যৱস্থাপনাই কাম বিলাক ৰূপায়ন কৰিছে, ইয়াৰ ফলস্বৰূপে যিবিলাক অঞ্চলত বানপানী আৰু গৰাখহনীয়াই খুব তীব্ৰ ৰূপ ধাৰণ কৰি আছিল তাক বহু পৰিমানে নিয়ন্ত্ৰিত কৰিবৰ কাৰণে চৰকাৰে সক্ষম হৈছে। যি হাৰত আমি ৰাজ্যক সাহাৰ্য্য দিব লগীয়া হৈছিল আৰু আশ্ৰয় শিবিৰ স্কুল কলেজত বানক্ৰান্ত লোকক আমি ৰাখিবলগীয়া হৈছিল। এই অৱস্থাৰ পৰাও আমি বহু পৰিমানে ধেমাজি সমষ্টিত আমি পৰিত্ৰাণ পাইছো। যথেষ্ট পুঁজিৰো আৱন্টন পাইছো এই বানপানী গৰাখহনীয়াৰ ব্যৱস্থাপনা কৰাৰ কাৰণে। তাৰ কাৰণে মই প্ৰথমে বিভাগীয় মন্ত্ৰী আৰু অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। বানপানী সমস্যাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত মোৰ বিবেচনাৰে প্ৰথমে আমি এটা কথা অনুধাৱন কৰা উচিত যে বানপানী এটা প্ৰাকৃতিক পৰিঘটনা। বানপানী আহিবই, কিন্তু আমাৰ ভৌগোলিক ভাৱে যি অৱস্থিতি আছে চাৰিফালে ওখ ওখ পাহাৰ আৰু তাৰ মাজত ব্ৰহ্মপুত্ৰ বৰাক উপত্যকা আছে। পানী এই উপত্যকাৰ মাজেদি যাব সাগৰলৈ। কিন্তু এই পাৰ হৈ যোৱা পথটোত যদি বিশৃংখলতাৰ সৃষ্টি হয়,

বানপানীৰ দুৰ্য্যোগটো বৃদ্ধি পায়। আমি যোৱা সময়ত বহু গৱেষণা আৰু অধ্যয়ন কৰি দেখিছো যে আমাৰ নদ-নদী সমূহ বাম হৈ গৈছে। কেৱল নদ-নদী সমূহে নহয়, যিবিলাক জলাশয় আছে। জলাশয় বিলাকে পানী ধৰি ৰাখে, সেই জলাশয় সমূহ বাম হৈ গৈছে বা জলাশয় পোত খাই গৈছে। জলাশয় সমূহত যি জলজ উদ্ভিদ থাকে তাতে সেইবিলাক মৰি পছি তাৰ প্ৰক্ৰিয়া স্বৰুপে সময়ে সময়ে বাম হৈ যায়। এই প্ৰক্ৰিয়াটো বৈজ্ঞানিক ভাষাত Eutrophication বুলি কয়। Eutrophication ফল স্বৰূপে এই সময়ত জলাশয়ৰে পৰিপূৰ্ণ হৈ থকা অসম দেশৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰু সৰু জলাশয় বিলাক ইতিমধ্যে মৃত্যু হৈছে। আমি সদায় এৰাসুতি, মৰাসুতিৰ কথা কওঁ। যিবিলাক এৰাসুতি, মৰাসুতি বাৰিষাৰ সময়ত প্ৰাণ পাই উঠে তাত পানী ভৰ্তি হৈ যায়। সেই এৰাসুঁতি মৰাসুঁতি বিলাকো যেতিয়া খৰালিত শুকাই যায় তাৰ ওপৰত মানুহৰ বেদখল হ'ল। ফলস্বৰূপে সেইফালে পানীসমূহ যোৱাৰ ৰাস্তাতো বন্ধ হৈ পৰিল। বানপানী সমস্যাটো জটিল ৰূপধাৰণ কৰাত এইটোও এটা কাৰণ। তাৰ লগত আমাৰ বিভিন্ন আন্তঃ বিভাগ গড়কাপ্তানি বিভাগে যেতিয়া কাম কৰে তেতিয়া তেওঁলোকে নিজাববীয়াকৈ কাম কৰে। ৰে'ল বিভাগে যেতিয়া কাম কৰে তেতিয়া তেওঁলোকে নিজাববীয়াকৈ কাম কৰে, গড়কাপ্তানিয়ে যেতিয়া ৰাস্তা এটা চাৰ্ভে কৰিব যায় বাৰিষাৰ কালত নাযায়, খৰালি সময়ত যায়। খৰালি সময়ত তেওঁলোকে দেখে যে ইয়াত পানী দুনী একো নাই গতিকে প্ৰয়োজনীয় দলং খন তাত নিদিয়ে বা ৰেল বিভাগেও যেতিয়া চাৰ্ভে কৰিব যায় যে খৰালি সময়ত পানী দুনি একো নাই, তাত দলং এখনৰ ব্যৱস্থা নকৰে। অৰ্থাৎ যিটো cross drainage বুলি কওঁ, ৰাস্তাৰ ৰেল পথবিলাকৰ মাজেৰে, সেইবিলাকৰ তলেৰে দলংৰ জৰিয়তে যি পানী পাৰ হৈ যাবলাগে সেইপানী পাৰ হৈ যাব পৰা ব্যৱস্থা নথকাৰ কাৰণেও বানপানীয়ে এক জটিল ৰূপ ধাৰণ কৰিছে। এই সকলো বিলাক কথা চাই আমাক যিটোৰ প্ৰয়োজন যে বানপানী আহিব আৰু এই বানপানীৰ লগত গড়াখহনীয়া হ'ব নদী মাতৃ দেশ আমাৰ অসমত, ইয়াৰ ব্যৱস্থাপনাৰ কাৰণে আমাক যিটো প্ৰয়োজন আমাৰ এটা পলিচিৰ প্ৰয়োজন। আজি বহুদিন ধৰি আমি এলাও কৰি আহিছিলো আমাৰ ভূমিৰ কোনো নীতি নাই, খিলঞ্জীয়া লোক সকল ভূমিহীন হৈ আছে, এইবাৰ চৰকাৰ খনে এটা ভূমিনীতি আনিছে। সেই ভূমিনীতিৰ জৰিয়তে খেতিয়ক সকলক বিশেষকৈ খিলঞ্জীয়া জনসাধাৰণক তেওঁলোকৰ ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ কাৰণে আমাৰ এটা যেনেকৈ পলিচি হ'ব ঠিক তেনেকৈ বানপানী আৰু গড়াখহনীয়া সমস্যা ইয়াৰ ব্যৱস্থাপনাৰ, মই সমাধান শব্দটো নকও, বানপানী আহিবই,ব্যৱস্থাপনাৰ কাৰণে আমাৰ এটা পলিচি বা নীতি এটা লাগে আৰু তেনেকুৱা পলিচি বা নীতি এটা আমাৰ চৰকাৰ খনে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ, মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ নেতৃত্বত তেনে এক পলিচি খুব সোনকালে প্ৰস্তুত কৰিব বুলি মোৰ ফালৰ পৰা মই আহ্বান জনালো। ইয়াৰ লগত আৰু এটা ঘটনা যে আমাৰ কিছু প্ৰশাসনিক দিশ সমূহতো জটিলতা বা সমস্যা আছে, যাৰ কাৰণে আমি বানপানীৰ ব্যৱস্থা সফল ভাৱে বহুত সময়ত কৰিব নোৱাৰো। বান নিয়ন্ত্ৰণৰ কাম আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আছে, তেওঁলোকৰ তৰফৰ পৰাও বহু সময়ত কৰা হয়। জলসম্পদ বিভাগেও কৰে, ভূমি সংৰক্ষণ বিভাগেও আছে, সেই বিভাগতো এনে কিছুমান কামেই ৰূপায়ণ কৰে। আমাৰ জলসিঞ্চন বিভাগ আছে, তেওঁলোকেও এনেকুৱা কাম ৰূপায়ণ কৰে। আজি আমি কেন্দ্ৰত দেখিছো আগৰ জল সম্পদ বিভাগ এতিয়া জল শক্তি হিচাপে এটা দপ্তৰলৈ ৰূপান্তৰিত কৰিছে, এটা দপ্তৰ গঠন কৰিছে। অসম চৰকাৰক এইটো বিবেচনা কৰিব পাৰো নেকি যে আমি সকলোৱে এটা সুসমন্নয়ৰে বানপানী, গড়াখহনীয়া সমস্যা ব্যৱস্থাপনা কৰাৰ কাৰণে জলসম্পদ বিভাগ, জলসিঞ্চন বিভাগ আৰু ভূমি সংৰক্ষণ বিভাগ এই তিনিওটা বিভাগক লগ লগাই এটা সবল ডাঙৰ জল শক্তি বা জলসম্পদ বিভাগ

কৰিব পৰা যায় নেকি এই কথাটো মই বিবেচনা কৰি চাবৰ কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, এটা পলিচি আৰু প্ৰশাসনিক সংস্কাৰ কৰিলেহে আমি বানপানী গড়াখহনীয়াৰ ব্যৱস্থাপনা কৰিব পাৰিম। আজি প্ৰস্তাৱত এটা কথা আহিছে যে বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে। মই মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিম, সদনৰ পৰা অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে জানিব বিচাৰিম যে এনে ধৰণে ভাৰতবৰ্ষত কোনোবা সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ কিবা পলিচি বা কিবা আইন বা কিবা সাংবিধানিক ব্যৱস্থা আছে নেকি। এনে ধৰণে ভাৰতবৰ্ষৰ অন্যান্য কোনোবা ৰাজ্যত কোনোবা সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিছে নেকি ? মই জনাত নাই। সংবিধানখন খুচৰি চাই দেখিছো যে আমাৰ ইয়াত কিছুমান প্ৰতিষ্ঠানক National Importance হিচাপে ঘোষণা কৰাৰ কাৰণে সংসদে আইন প্ৰনয়ণ কৰে। যেনে ধৰণে School of planning and architecture is an Institute of National Importance by an Act of Parliament . ঠিক তেনেধৰণে আমাৰ কোনোবা সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা ব্যৱস্থাপনা আছে নেকি? কোনোবা এখন দেশত কোনোবা এখন ৰাজ্যত বেলেগ ৰাজ্যত এনেকুৱাকৈ ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰিছে নেকি? মই জনাত নাই। তেনেস্থলত আমাৰ মূল সমস্যাটো সমাধান কৰাত আমি মূল ফকাচটো বা মূল চিন্তাটো আমি কেন্দ্ৰীভূত নকৰি কেৱল আৱেগিক ভাৱে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে তাৰ কাৰণে এটা প্ৰস্তাৱ পাছ কৰি দিলেই আমাৰ বানপানীৰ সমস্যা, গড়াখহনীয়াৰ সমস্যাৰ সমাধান নহয়। ইয়াক সমধানৰ কাৰণে আমাৰ নিৰ্দিষ্ট পলিচি লাগে, নিৰ্দিষ্ট ব্যৱস্থাপনাৰ এটা নীতি লাগে আৰু তাৰ লগত আমাৰ পইচা লাগে। আগৰ সময় বিলাকত আমি দেখিছিলো আগৰ চৰকাৰৰ দিনত বানপানী, গড়াখহনীয়া সমস্যা সমাধানৰ কাৰণে যিমান পইচাৰ প্ৰয়োজন আছিল সেই পইচা কেতিয়াও আৱন্টন নহয়। ১৫ বছৰ ধৰি ধেমাজি জিলাত জীয়াধল বা সুমতীয়া নদীৰ বাওঁফালৰ মথাউৰী মুক্ত অৱস্থাত আছিল। কোনেও বন্ধ কৰা নাছিল। আমাৰ চৰকাৰ আহি বন্ধ কৰিলে। বিত্তমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ আগৰ খন অধিবেশনতে Supplementary Demandৰ সময়তে তেখেতে ঘোষণা কৰিছে যে ৫০০ কোটি টকা এচ ও পি ডি অৰ্থাৎ আমাৰ নিজৰ ৰাজহ উৎসৰ পৰা এই বান গড়াখহনীয়া ব্যৱস্থাপনাৰ কাৰণে দিব। কিন্তু ৫০০ কোটি টকা পৰ্য্যাপ্ত নহয়। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মই অসম চৰকাৰক অনুৰোধ জনাম যে এটা বছৰত অতি কমেও ২০০০ কোটি টকা এই বান আৰু গড়াখহনীয়া ব্যৱস্থাপনাৰ কাৰণে পৰৱৰ্তী বাজেটত নিৰ্দ্ধাৰণ কৰি এই বান গড়াখহনীয়া সমস্যা ইয়াৰ এটা সুন্দৰ ব্যৱস্থাপনা বা ইয়াৰ সমস্যা সমাধান কৰাৰ কাৰণে ব্যৱস্থা ল'বৰ কাৰণে আহ্বান জনাই আপোনাক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মহন্ত ডাঙৰীয়া, আপুনি আৰম্ভ কৰক তাৰ পিছত সমাপ্ত কৰিম আৰু তিনি মিনিট আছে।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১১৫ নং নিয়ম অনুসৰি আজি বিধান সভাৰ অধিবেশনত আলোচনা হ'বলগীয়া যিটো বিষয় আলোচনা হ'ল ইয়াত মাননীয় বিধায়ক সৰ্বশ্ৰী ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে পুৰকায়স্থ, জাকিৰ হুছেইন সিকদাৰ, হাফিছ বছিৰ আহমেদ, আমিনুল ইছলাম আৰু বৃন্দবন গোস্বামী ডাঙৰীয়াই উত্থাপন কৰা তলত উল্লেখিত সংকল্প প্ৰস্তাৱটোৰ ওপৰত আজি ইতিমধ্যে আমাৰ মাজৰ পৰা কেইবাজনো সন্মানীয় সদস্যই এই আলোচনাত অংশ গ্ৰহণ কৰিলে। যোৱা ২৬ জুলাই তাৰিখে যেতিয়া আলোচনা আৰম্ভ হৈছিল তেতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী; শ্ৰী

বৃন্দাবন গোস্বামী, শ্ৰীআমিনুল ইছলাম আৰু শ্ৰীমৃণাল শইকীয়া ডাঙৰীয়াই অংশ গ্ৰহণ কৰিছিল। ইয়াৰ পিছতে ৩০ জুলাই তাৰিখে দ্বিতীয় দিনাৰ আলোচনাত অংশ গ্ৰহণ কৰিছিল সৰ্বশ্ৰী হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, দেবানন্দ হাজৰিকা ডাঙৰীয়া, কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী, ভূৰন পেগু ডাঙৰীয়া, চক্ৰধৰ গগৈ ডাঙৰীয়া, কমল সিং নাৰ্জাৰী ডাঙৰীয়া আৰু গুৰুজ্যোতি দাস ডাঙৰীয়াই আৰু আজি এই আলোচনাত অংশ গ্ৰহণ কৰিছে মাননীয় সদস্য ডঃ ৰনোজ পেগু ডাঙৰীয়াই। মই সৰ্বমুঠ ১৩ জন অংশ গ্ৰহণ কৰা সন্মানীয় বিধায়কক ধন্যবাদ জ্ঞাপন কৰিছো। এটা খুব গুৰুত্বপূৰ্ণ বিষয় তেখেত সকলে ইয়াত উত্থাপন কৰিছে আৰু এই বিষয়টোৰ ওপৰত সদনৰ সন্মানীয় ১৪ জনকৈ সদস্যই আজি ৩ টা দিনত অংশ গ্ৰহণ কৰিছে, আৰু আগবাঢ়িব পাৰো নে ৫ টা বাজিল।

**মাননীয় অধ্যক্ষ ঃ** আৰু এক মিনিট আছে, কওঁক। নহলে শেষ কৰিব পাৰো। আপুনি তেনেহলে অহাবাৰলৈ মূল ভাষণটো দিব পাৰিব। আমাৰ Land Policy টো circulate হ'ল নে সচিব ডাঙৰীয়া। সকলোৰে পাইছে লে পলিচি, ঠিক আছে ধন্যবাদ। আপুনি বহক। এতিয়া কালি শনিবাৰ যদিও সদন বহিব, কাৰণ সোমবাৰৰ দিনটো কালি শনিবাৰলৈ আনিলো।

**গতিকে সদন অহাকালি ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**